# [illegible]ৰ আ[illegible] কা[illegible]নী

অসম জ্যোতি

শ্রীবেণুধৰ শৰ্ম্মা

# বঙ্গমুৰা নৌযাত্ৰাৰ আগদীয়া কাহিনী

ASSAM SANSKRIT BOARD
GAUHATI.

অসম জ্যোতি

শ্ৰীবেণুধৰ শৰ্ম্মা

প্ৰকাশক :—
শ্ৰীপুলিনকুমাৰ শৰ্ম্মা
অসম জ্যোতি, গুৱাহাটী

প্ৰথম সংস্কৰণ :—
ফাগুন, ১৮৭৭ শক

বেচ :—তিন টকা

প্ৰিণ্টাৰ :—
শ্ৰীদেৱপ্ৰসাদ মিত্ৰ
এলেম প্ৰেছ
৬৩নং বিডন ষ্ট্ৰীট, কলিকতা-৬

ASSAM SANSKRIT BOARD
৭৩৯ নং
GAUHATI.

Kumar Bhaskar Varma Sanskrit and Ancient Studies University
LIBRARY
Nalbari, Assam

RARE BOOK
NOT TO BE ISSUED

## সূচীপত্ৰ

১। পাতনি—

### প্ৰথম অধ্যায়

| | | পিঠি |
|---|---|---|
| ১। | ওলাওঁতেই অমঙ্গল .. | ১ |
| ২। | লালী নিছিগা বিপদৰ জাউৰি .. | ৮ |
| ৩। | ভোক-খঁকৰ পালি .. | ১৫ |
| ৪। | তপত খোলাৰপৰা পকা আঙ্ঠালৈ .. | ২০ |
| ৫। | বঙ্গলা দেশৰ জিলমিল দৃশ্য .. | ২৭ |
| ৬। | ঘৰতে শাঁখিনী .. | ৩২ |

### দ্বিতীয় অধ্যায়

| | | |
|---|---|---|
| ১। | সাপ খাবলগীয়া অথন্তৰ .. | ৪১ |
| ২। | মানুহৰ মঙ্গহ খাবলগীয়া অৱস্থা .. | ৪৭ |
| ৩। | ভেকুলী ভক্ষণ .. | ৫৪ |
| ৪। | আকৌ সাপ ভক্ষণ .. | ৫৭ |
| ৫। | লেধাই শামুক ভক্ষণ .. | ৬১ |
| ৬। | 'বছল' বিচৰা .. | ৬৭ |

৭। আকৌ মানুহৰ মঙ্গহখোৱাৰ লালসা ৭৪

৮। কাপোৰৰ আটক .. ৮৫

৯। কাফ্ৰী-আক্ৰমণৰ আশঙ্কা .. ৮৯

১০। চৰ্থবীয়াত পেলোৱা ভূৰ-দুৰ্ঘটনা .. ৯১

১১। গেলা মঙ্গহৰ জুতি .. ৯৫


## তৃতীয় অধ্যায়


১। সন্দীপ পোৱাপুইত .. ৯৯

২। আকৌ নৰমাংস ভোজনৰ আগন্তুক .. ১১৪

৩। ভোকে কি জানে ডেৰা কৰ্কৰা .. ১১৬

৪। বঙ্গৰ নৱাবৰ ওচৰত উপস্থিতি .. ১২০

৫। বলোৱা পোৱালৈকে বিপদৰ বাহ .. ১২১

৬। আনাম দ্বীপৰ বলোৱাৰ কাৰেঙত .. ১২৩

৭। ঢাকাৰ নাওশালি পোৱাত .. ১২৬

৮। অঞ্জুলি যাত্ৰা .. ১২৭


## চতুৰ্থ অধ্যায়


১। মোগল সৈনিকৰ অসমলৈ আগমন .. ১২৯

২। ৰঙামাটি প্ৰৱেশ .. ১৩০

৩। মীৰজুম্লা-ফৌজৰ সমাৰোহ .. ১৩২

৪। কোঁচৰাজ্যত নবাবী ফৌজৰ প্ৰবেশ ১৩৫




## পঞ্চম অধ্যায়


১। সোণৰ সঁফুৰা অসম ৰাজ্যত মীৰজুম্লা ১৩৮

২। ব্ৰহ্মপুত্ৰত মোগল বাহিনী .. ১৪০

৩। গুৱাহটীয়া নাওবৈছা ফুকন .. ১৪৮

৪। গড়গাৱঁত মীৰজুম্লা .. ১৪৯

৫। মোগল-বাহিনীৰ বিলৈ .. ১৫০

৬। মগলী শাস্তি .. ১৫১

৭। অসমীয়াহঁতে তোলা পোটক .. ১৫৩

৮। দেৱগাঁও-দ'লৰ সোণৰ বৃষভ মূৰ্ত্তি .. ১৫৭

৯। মীৰজুম্লাৰ না-জল-না-থল অৱস্থা .. ১৬০

১০। জয়ধ্বজ সিংহৰ দোপাকী-তেপাকী কথা ১৬১

১১। জোৰপুৰি মীৰজুম্লাৰ হাতপোৱা অৱস্থা ১৬২

১২। মীৰজুম্লাৰ সন্ধি-প্ৰস্তাৱ .. ৬২


## ষষ্ঠ অধ্যায়


১। মীৰজুম্লাই মৈদামত পোৱা সম্পত্তি .. ১৬৪

২। আমীৰ জুম্লা—মানুহজন .. ১৬৫

৩। আমীৰ জুম্লাৰ অসম আক্ৰমণ .. ১৬৮

ওপৰঞ্চি .. ১৭২

ASSAM SANSKRIT BOARD
१७७३ नं
GAUHATI.

# পাতনি

গ্লেনিয়ছ (Glanius) নামেৰে এজন মানুহে ১৬৮২ খৃষ্টাব্দত চেণ্ট্ পল্‌ছ্ ইয়াৰ্ডত থকা হেনৰী ব্ৰন্‌ছ্‌উইকৰ (Henry Bronswick) হৈ "A relation of an unfortunate Voyage to Kingdom of Bangala" অৰ্থাৎ বঙ্গদেশলৈ যোৱা নৌযাত্ৰাৰ দুৰ্কপলীয়া কাহিনী" বুলি সৰু কিতাপ এখনি লেখিছিল। কিতাপখন পোনতে ওলণ্ডাজী, ফৰাচী আৰু পৰ্টুগীজ ভাষাত ছপা হৈছিল। তাৰ পিছত, ইংৰাজীলৈ অনূদিত হয়। এইখন, সেই ইংৰাজী সংস্কৰণৰেই অনুবাদ মাথোন।

১৬৬১ চনত মীৰজুম্‌লাই অসম আক্ৰমণ কৰিবলৈ আহোঁতে, মোগল-ফৌজৰ লগত কেইজনমান ওলণ্ডাজ, পৰ্টুগীজ আৰু আৰ্ম্মেনীয়ান নাৱৰীয়া আহিছিল। তেওঁবিলাকে জয়ে-জয়ে বাটাভিয়াৰপৰা বঙ্গ-অভিমুখে যাত্ৰা কৰে। বঙ্গদেশ সোমাই ঢাকা পোৱালৈকে নাৱৰীয়া কিজনৰ দুখ-দুৰ্দ্দশাৰ সীমা নাছিল। বাটাভিয়াৰ পৰা আহি কেনেকৈ তেওঁবিলাক মোগল-ফৌজৰ সৈনিক হলহি, আহোঁতে বাটত কেনেকুৱা লটি-ঘটি হল, মোগল-সেনাপতিয়ে কেনে দুতৰত পৰি অসম-ৰজাৰ লগত সন্ধি

কৰিবলগীয়া হল—ইত্যাদি কথাকে এই পুথিত বৰ্ণোৱা আছে।

কাহিনীটোৰ প্ৰথম ছোৱা সাধু যেন লাগে; পিছে, সাধু নহয়, প্ৰকৃত সত্য ঘটনা হে। পোনতে, অপুদ্‌বাট অমঙ্গলীয়া ছুৰ্ঘটনাৰে ভৰা যদিও, ঢাকা এৰি অসম সোমোৱাৰপৰা (১৫৮৩ শকৰ ১৯ পুহ, ইং ৪ জানুৱাৰী ১৬৬২ চন) ঘটনাৰ ৰূপ ফটফটীয়া ইতিহাসলৈ সলনি হৈছে। নাৱিকজনে চালেৰাৰে কোবাই তেওঁৰ শক্তি-অনুসৰি চকুৰ আগত দেখিযোৱা কথাবোৰকে লেখি গৈছে। শুনা মতে লিখাবাবে, ভৌগোলিক নামৰ ছুটা-চাৰিটা ভুল আছে। সেই বুলি, সেই ভুলে বুৰঞ্জীৰ পম খেদাত একো আহুকাল নকৰে। পুথিখনৰ শেহৰ ফালে, মীৰজুমলাই অসম জয় কৰাৰ কথা কওঁতে, নাওবৈছা সৈনিকজনে মোগল ফৌজৰ ছুৰৱস্থাৰ কথা তিলাৰ্দ্ধমানো বঢ়া-টুটাকৈ কোৱা নাই; নিচেই চুম্বক যদিও, মোগল-অসমৰ যুদ্ধ-বৰ্ণনাত বুৰঞ্জী-তথ্য গোটাদিয়েক আপোনাআপুনি ওলাই পৰিছে। তাৰ ভিতৰত এইকেটাকে প্ৰধান বুলিব পাৰি ঃ—

(১) মোগল-ফৌজৰ সমাৰোহ; (২) মীৰজুমলাৰ লগত ৫০০ মাইকীমানুহ তিৰুতাকৈ অনা; (৩) ব্ৰহ্মপুত্ৰত ইংৰাজ নাৱৰীয়া সোমোৱা; (৪) ইওৰূপীয় নাৱিকৰ আগমন; (৫) মগলী শাস্তি আৰু অসমীয়াই তোলা তাৰ পোটক; (৬) মীৰজুম্‌লাই সন্ধি কিয় কৰিব লগা হল; (৭) কোন ফালৰপৰা কি কাৰণত, সেই সন্ধিৰ প্ৰস্তাব আগবঢ়োৱা হৈছিল; (৮) যুদ্ধত অসমীয়া সৈনিকৰ আচৰণ; আৰু (৯) দেৰগাৱঁৰ দ'লত সোণৰ বৃষভমূৰ্ত্তি লুণ্ঠন।



মীৰজুম্লাৰ লগত আঠ লাখ ফৌজ আহিছিল বুলি এই পুথিয়ে কয়। আমাৰ বুৰঞ্জীপুথিয়ে কয় "২২ ওমৰাও সহিতে ৯ লাখ ফৌজ" আহিছিল বুলি। কোচবেহাৰ জয় কৰি অসম সোমোৱাত মীৰজুমলাৰ সেনা-সেনানীৰ সংখ্যা বৃদ্ধি হোৱা স্বাভাৱিক। এহেলৈ, সন্ধি-সমন্বিতে সকলো কথাৰ মিল আছে। যুদ্ধ-বিগ্ৰহত ঘটা নৃশংস কাণ্ডই ইয়াত বৰং অলপ বহুল ভাৱেহে ঠাই পাইছে।

মোগল-সম্ৰাট আওৰেংজেবৰ ৰাজত্ব-কালত একে সময়তে, ফাৰ্চী ভাষাত লেখা কেবাখনো বুৰঞ্জী পুথি প্ৰকাশ হয়। তাৰ ভিতৰত "আলমগীৰ নামা", "পাটশ্যাহনামা", 'তাৰিখ-ই আচাম', "মা-চিৰ-ই আলমগীৰ", "ফঠিয়া-ই-ইব্ৰিয়া"—এই কেইখনেই সৰাতোকৈ মূল্যবান। সেইবিলাকৰ ছুখনমানত খৃষ্টীয় সপ্তদশ শতিকাত অসম দেশ কেনেকুৱা আছিল তাৰ এটি সাঙ্গোপাঙ্গ বিৱৰণ পোৱা যায়। সেই পুথিবিলাক ফাৰ্চী-আৰব্বী ভাষাত লেখা গুণে, অন্যান্য ভাষা জনা মানুহে সেই সময়ত অসমৰ কথা একো জানিবলৈ নেপাইছিল। তদুপৰি, ভাষাৰ অলঙ্কাৰে গিলি থোৱাত তাৰ কোনো-কোনো ঘটনা অতিৰঞ্জিত বা বিশ্বাস কৰিব নোৱৰা হৈও পৰিছিল। গ্লেনিয়ছৰ দ্বাৰাই প্ৰকাশিত এই পুথিখনত কিন্তু ওলন্দাজী নাবিকজনৰ বং-দিয়া বা আল-লগা কথা একো নাই। ফ্ৰেন্‌চিছ টেবাৰ্নীয়েৰ আদি ফৰাচী ভ্ৰমণ-

কাৰীৰ দৰে অসমৰ নাম সদৌ ইওৰোপত প্ৰচাৰ কৰাত এই পুথি-লেখকো সম্ভৱ, আগৰণুৱাই হব। গতিকেই, ভ্ৰমণমূলক হলেও, অসমৰ বিষয়ে লেখা বিদেশী পুথিৰ ভিতৰত এইখনো এখন প্ৰথম পুথি। কাহিনীত উন্নুকিউৱা ঠাইনাম আৰু যুদ্ধ-বিগ্ৰহৰ সত্যতা নিৰ্ণয় কৰি Bengal Past and Present "বেঙ্গল পাষ্ট এণ্ড প্ৰেজেণ্ট" বোলা ঐতিহাসিক আলোচনাৰ প্ৰথম শ্ৰেণী কাকতখনেও "বঙ্গমুৱা নৌযাত্ৰাৰ আপদীয়া কাহিনী"-খন সঁচা-সঁচি বুৰঞ্জী বুলিয়েই ঠাৱৰ কৰিছে।

১৮৭১ চনৰ এচিয়াটিক চচাইটিৰ জৰ্ণেলত নাজিৰাৰ আসাম কোম্পানীৰ ছাহাব মিঃ জে, এম, ফষ্টাৰে "Tales of ship-wrecks and adventures at sea" বোলা কিতাপৰ ৭০৫ পিঠিৰ পৰা "Loss of the Ter Schelling including the various calamities of the crew during an unfortunate voyage to Bengal in 1661" অৰ্থাৎ যিকিজন নাৱৰীয়া বঙ্গদেশৰ অভিমুখে যাওঁতে দুৰ্দ্দশাগ্ৰস্ত হবলগীয়া হৈছিল সেই কিজনৰ দুখ-দুৰ্গতিৰ কাহিনীয়েসৈতে 'টাৰ চিলিং জাহাজৰ বিধ্বংসন' নামক যিটো কাহিনীয়েসৈতে উল্লেখ কৰিছে তাতকৈ এই পুথিৰ বৃত্তান্তটো বহল ছেদৰ কথা উল্লেখ কৰিছে তাতকৈ এই পুথিৰ বৃত্তান্তটো বহল আৰু সম্বলযুক্ত। বুৰঞ্জী-পণ্ডিত স্বৰ্গীয় ৰায় বাহাদুৰ কনকলাল বৰুৱা ডাঙৰীয়াই পুৰণি কলিকতীয়া "জোনাকীত" "আমাৰ দেশৰ বুৰঞ্জী" নাম দি এটি ধাৰাবাহিক প্ৰবন্ধ উলিয়াইছিল। প্ৰবন্ধটি অকল সুচিন্তিতেই নহয়, উঠি-অহা পাছৰ চাম বুৰঞ্জী-



সেৱীৰ নিমিত্তে সন্তেদৰ ডুলি বা গুটি-ভঁড়ালো। তাতো এই "আপদীয়া কাহিনীৰ" উল্লেখ আছে। কাহিনীটোৰ সাৰ ভাগ ঐতিহাসিক সকলে য'ত যেনেকৈ বিশ্লেষণ বা ব্যৱহাৰ কৰিব লগীয়া আছিল, কৰিলেই। তথাপি, সেইখিনিতে যে তাৰ আৱশ্যকতা ওৰ পৰিল এনে নহয়। অতীত বুৰঞ্জীৰ ঘটনাৱাজি নতুন যুগৰ নতুন ৰূপত আকৰ্ষণীয় কৰিবলৈ হলে এতিয়াও ইয়াত নাট, বোলছবি আৰু উপন্যাসৰ আহিলাপাতি পোৱা যাব। সেই কাৰণে, পুৰণি কথা বুলি দেখাত অলাগতিয়াল যেন ভাবিলেও, ভৱিষ্যতে নানান্ বিষয়ত লাগতিয়াল সঁজুলি ৰূপেইই বিবেচিত হবগৈ পাৰে।

মূল ইংৰাজী কিতাপখনৰ ভাষা বৰ আউল-লগা; ঠাঁচটোও আও-পুৰণি; কিছুমান শব্দৰ অৰ্থও আজিকালিৰ লগত সমূলিকে নিমিলে। তথাপি, অনুবাদ কৰোঁতে মূলৰ প্ৰকৃত বিশেষত্ব ৰক্ষা কৰিবলৈ পাৰিতপক্ষে যত্ন নকৰাকৈ থকা নাই। অসমীয়া ভাষাৰ বহুত শব্দ আৰু বস্তুৰ নাম, ব্যৱহাৰ কৰিবলৈ এৰি দিয়াত, আজিকালি সেইবোৰ একেবাৰেই আচহুৱা হৈ পৰিছে। ঘৰতে থকা শব্দাৱলী বিচৰাৰ এলাহত পাৰেমানে বিদেশী শব্দকে বুটলি লোৱাটো বহুতৰে ৰীতিতেই পৰিণত হৈছে। আজিকালি ব্যৱহাৰ নকৰা, অথচ গাৱেঁ-ভুঞে সকলোতে চলি থকা এনে নিভাঁজ শব্দ কিছুমান এই কিতাপত পাব, যিবোৰ পঢ়ি কোনো-কোনো সমালোচকে দুৰ্ব্বোধ্য বুলিও কব পাৰে। আমাৰ বোধেৰে, বিদেশী শব্দৰ ৰঘুমলা মেলি অসমীয়া বৈশিষ্ট্য ৰক্ষা

কৰা শব্দৰাজি মাৰি পেলোৱাটোতকৈ “দুৰ্ব্বোধ্যক” বোধ্য কৰি লব পৰাটোও অসমীয়া সাহিত্য-সেৱাৰ এটি মুখ্য কৰ্ত্তব্য।

এই ভ্ৰমণ-কাহিনী-সংক্ৰান্তত যি জন অসম-ৰজাৰ কথা কোৱা হৈছে, সেইজন ৰজা স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ বিষয়ে সকলো কথা খৰচি মাৰি জানিবলৈ হলে, ইয়াৰ লগতে ডাক্তৰ সূৰ্য্যকুমাৰ ভূঞা দেৱৰ “ৰমণী গাভৰু” খনো পঢ়া বাঞ্ছনীয়।

ইয়াৰ আগছোৱা ডেৰকুৰিমান বছৰৰ আগেয়েই “বাঁহীত” ছপা হৈ ওলাইছিল। তেতিয়া লগৰ সমনীয়া আৰু কান-সমনীয়া বন্ধু-বান্ধৱবিলাকৰপৰা ভালেমান উৎসাহপূৰ্ণ চিঠি পাইছিলোঁ। সেইবিলাকৰ ভিতৰত গোলাঘাটৰ ৺গিৰীন্দ্ৰনাথ বৰুৱাৰপৰা পোৱা কিখনেই বিশেষ। তেতিয়াই তেওঁ কিতাপখন উপযাচি প্ৰকাশ কৰিবলৈ ওলাইছিল। কিন্তু, আবতৰতে নিঠুৰ কালে তেওঁক হৰি নিয়াত তেওঁৰ মনৰ কথা মনতে মাৰ গল। অনুবাদকেও মনৰ বেজাৰতে অনুবাদ কৰিবলৈ এৰি দিলে। বহুত দিনৰ মূৰত আকৌ অনুবাদ কৰি, কিতাপ আকাৰেৰে এতিয়া প্ৰকাশ কৰা হ’ল। এই কামত স্বৰ্গগত বৰুৱাদেৱৰ আত্মাই নিশ্চয় আনন্দ লাভ কৰিব। অসমীয়া কিতাপ পঢ়া যাৰ ৰাপ আছে সেইসকলেও এই পুথিখনি পঢ়ি গুণাগুণ বিচাৰ কৰিব—ইয়াকে মাথোন ভাৰসা কৰিলোঁ। ইতি—

গুৱাহাটী
১৭ ফাগুন, ১৮৭৭ শক

শ্ৰীবেণুধৰ শৰ্ম্মা

# বঙ্গমুৱা নৌযাত্ৰাৰ আপদীয়া কাহিনী

# প্ৰথম অধ্যায়

## *ওলাওঁতেই অমঙ্গল*

খৃষ্টীয় এহেজাৰ ছশ এষষ্ঠি চনৰ তিনি ছেপ্তেম্বৰ তাৰিখে বাটাভিয়া এৰি আমি "ৰেছপ্," "ব্ৰাৱাছৰ্হেৰেন" আৰু "নিৱেন হেৰ" নামেৰে তিনিখন জাহাজ বঙ্গদেশৰ অঞ্জুলিমুৱাকৈ মেলি দিলোঁ। মই উঠা জাহাজখনৰ নাও আছিল "টাৰছিলিং" ( Ter schelling )। তাত আছিল আঠোটা বৰ-তোপ, চাৰিকুৰি পাঁচোটা মানুহ, দুটকামান ৰূপ আৰু কিছুমান তাম-পতা।

২৩ ছেপ্তেম্বৰৰ দিনা আমাৰ গুৰিয়ালৰ আল-ধৰোঁতা হিলিব্ৰাণ্টে শকত জৰী দুডালমান আনোগৈ

বুলি জাহাজৰ কুন্ধিলৈ গ'ল। আৰু বাৰৰ কুন্দ্ৰাক্ষইদি জুমি চাই সাগৰৰ পানীত মানুহ ডুটামান ককবকাই থকা আৰু ডুটামান ঢেল-ওপঙা দি উটি ফুৰা দেখিবলৈ পালে, নাইবা মনতে ভাবিলে। সেই মানুহ কিটাৰ ওচৰ পালত, তেওঁৰ মনত বৰ দুখ লাগিল। দুখ অলপ পাতলিলত, হিলিব্ৰাণ্টে আমাৰ আগতে ক'লে বোলে, সেই মৰা মানুহৰ দৃশ্যটো সঁচা হলেও হ'ব পাৰে, নহ'লেও, মনৰ বিকাৰতে তেনে দেখিলে। তথাপি, সেইটো যে আমাৰ অমঙ্গলীয়া চিন তাক হলে আটায়ে ভাবিছিল আৰু তাৰপৰা শেষলৈ ফল মন্দ হ'ব বুলিও বহুতে আপদ চোঁচৰাইছিল। হিলিব্ৰাণ্টৰ নিচিনা ৰাংচালী, টেটকুটীয়া মানুহ আমাৰ লগৰীয়া বিলাকৰ ভিতৰত আৰু আন এজন নাছিল। কিন্তু, সেই অমঙ্গলীয়া চিন দেখিবৰ পৰা তেওঁ মাথোন মুখ আমোলাই হে থাকিবলৈ ধৰিলে। আগৰ হাঁহি-ধেমালি, খুহুতীয়া-কথা সকলো হৰিল; সকলো কথা তেওঁৰ মানত বিহকটি যেন তিতা লাগিবলৈ ধৰিলে; আন কি, খোৱা-বোৱালৈও সমূলিকে মন-কাণ নিদিয়া হ'ল। লাহে-লাহে তেওঁ এনেকুৱা হলগৈ যে কোনোবাই ক'ৰবাত এষাৰ-দুষাৰ



কথা পতা শুনিলেই কথাপতা কিজনক কথা কবলৈ হাক দিয়েগৈ আৰু সেই বিপদৰ হাত সাৰিবলৈ সকলোকে অটহিয়াই থাকেগৈ বোলে, পৰমেশ্বৰৰ নাম লোৱাহঁক।

তেওঁ দেখা দৃশ্যটো পানীৰ ঔটেঙা বুলি পেংলাই কৰা মানুহ যে আমাৰ মাজত নাছিল, এনে নহয়। সিহঁতে ইহা দেখিলে, তেওঁ মাথোন আন্তিক ভাৱে কৈছিল, "হে ঈশ্বৰ, এই চেৰাবলীয়া কিটাক মই দেখা ঘটনাটো যেন দেখুৱাই দিয়াঁ। নতুবা, তাৰ নিচিনা এনে কিবা এটাকে দেখুউৱাঁ, যিটো দেখিলে সিহঁতৰ চেলবেলনিত যেন বাঘ-জৰী লাগে আৰু যেন সিহঁতৰ দুৰ্ম্মতি গুচি সুমতি হয়।

৮ অক্টোবৰৰ দিনা ৰিণিকি-ৰিণিকি বঙলা দেশৰ মাটি দেখিবলৈ পালেঁা। তাৰ বিষয়ে আগেয়ে একো জনা নাছিলেঁা। তথাপি, এন্ধাৰতে বাট-বোলাৰ দৰে সেই ফাললৈকে পোনাই জাহাজৰ পাৰি দিলেঁা আৰু পাৰৰপৰা ডেড়মাইলমান নিলগতে জাহাজখন বান্ধিলেঁাগৈ। তাৰপৰা আমষ্টাৰ্দমজ অৰ্থাৎ আমষ্টাৰ্দমত ওপজা আমাৰ কাপ্টান জেকৰ্ ফ্ৰাঁষ্টুনে চুঁচীয়া নাও এখন দি, সেই দেশৰ ভাষা

বুজা জাহাজৰ তত্ত্বাৱধান লওঁতাজনে সৈতে সাতোটা কি আঠোটা নাৱৰীয়া পঠিয়ালে— ঠাই ডোখৰৰ সীমা, আকৃতি-প্ৰকৃতি আৰু মানুহবোৰৰ আওভাও বুজি আহিবলৈ। বঙ্গলা দেশখন যে ঢাপলিকা পৰ্ব্বত আৰু থিয় গৰাৰেই ভৰা, এই কথা জানিবলৈ পালোঁ। এইবোৰত খুন্দা খায়েই বহুত ডিঙ্গা ভাগি চূৰমাৰ হৈ গৈছে। তাৰ দিহ নজনা হলে আমাৰো সেই দশাই হ'লহেতেন। আমাৰ মানুহকিজন পাৰলৈ নামি যোৱা তিন দিন হল, তথাপি ঘূৰি অহা নাই—সিহঁতলৈকে আশা পালি বাট চাই আছোঁ। তিনদিনেও নহা দেখি, ভাবিলোঁ, হয় সিহঁতক কোনোবাই বন্দী কৰিলে, নহয় কোনোবাই মাৰিলে। এনে আশঙ্কা কৰি, আমি এনেকুৱা এডোখৰ ঠাইত লঙ্গৰ পেলাবগৈ লগীয়া হল য'ৰপৰা আমি সিহঁতৰ বুজবাজ লব পাৰোঁ। ঠাই বিচাৰোঁতে-বিচাৰোঁতে দেখিলোঁ, পাৰৰ ফালৰ পৰা তিনিখন গুটীয়া নাও আমাৰ পিনে দহোন কাঁও-কাঁও কৰে আহিব লাগিছে। তাকে দেখি, আমাৰ অলপ, সাহ হ'ল দেই। ভাবিলোঁ—ইহঁতৰ পৰাই আমাৰ মানুহকিটাৰ উৱা উলিয়াব পাৰিম। নাওকেইখন আহি আমাৰ



জাহাজৰপৰা দলি এটা মানৰ দূৰৈতে ৰ'লহি। বৈ, সিহঁত নো আমাৰ জাহাজৰ ওচৰলৈ আহিব নে নাহে তাকে পৰামৰ্শ কৰিবলৈ ধৰিলে। সিহঁতৰ গুৰিয়াল-টোক ওৱাংকাই বুলি মতা শুনিছিলোঁ। ১৫ মিনিট মানৰ পিছতে সি তাৰ নাওখন আমাৰ ওচৰলৈ চপাই আনি অঙ্গি-ভঙ্গিৰে বুজালেহি যেন তাৰ লগত অনা সি তুখন নাৱত কুকুৰা, মাছ আৰু শাকপাচলি ফলাহাৰ ভৰি আহিছে। সি জাহাজৰ ওচৰলৈ আহিবলৈ ভয় কৰিব নেলাগে বুলি আমিও তাৰ দৰেই ঠাৰে চিঞৰে বুজালোঁ। আমাৰ মন বুজি সি বৰ ৰং পালে আৰু অনতিপলমেই জাহাজলৈ উঠি আহিল। তাৰ পিছত, নাও তুখনৰপৰা সেই খোৱা-বস্তুবোৰ নমোৱালে। বস্তুবোৰ আমাক লগা-সময়তেই ওলাইছিলহি। আমাৰ মুখিযাল জনে তাক তেওঁৰ কুঠৰীলৈ লৈ গৈ বৰ উচল পাচলকৈ সোধ-পোছ কৰিলে। তেওঁবিলাক তুয়ো বহি দেশৰ ভু-ভা লৈ কথা-বতৰা পাতি আছে। এনেতে, আমাৰ জাহাজখন শিলনি-গৰাত লাগিলগৈ। আমাৰ বৰ ভয় লাগিল। গৰাৰপৰা জাহাজ এক্ৰাই নিওঁতে আমাৰ ভিতৰত বৰ গলাৰাও হৈছিল। বাও শুনি

ওৰাংকায়ে ভাবিলে, আমি যেন তাক মাৰিবলৈ হে বুদ্ধি পাঙ্গিছোঁ। ইয়াকে ঠিৰাং কৰি সি পলোৱাৰ ছেগ চাবলৈ ধৰিলে। অলপ পৰৰ মূৰতে, সি আমাৰ চকুতে ধূলি মাৰি কোনোবা টলকত পলালেই। বহুত দূৰৈত তাক দেখি হে, পলাল বুলি গম পালোঁ। সি যাওঁতে বাটে-বাটে বৈ যোৱা দেখি, আকৌ ঘূৰি আহিব বুলি ভাবিছিলোঁ। কিন্তু, তাক দিয়া ধনৰ টোপোলাটোও যেতিয়া এৰি থৈ যোৱা দেখিলোঁ, আমি আৰু ঠাৰৰাবলৈ বাধ্য হলোঁ সি যে আমাক দেখি ভয় খাই হে গুচি গ'ল। দুনাই আৰু সি নাহিল। ইপিনে, আমিও ভালেমান বাট আগ বাঢ়ি গলোঁ। আমাৰ ভিতৰৰে দুজনমানে আমাৰ হেৰোৱা মানুহ কিজন আহিব-আহিব বুলি এদিন-দুদিনকৈ আঠদিনলৈকে বাট চালে। বাট চোৱাৰ পৰা চকু হে বিষাল, মানুহ আৰু উলটি নাহিল। অন্তত, মানুহ অহা আশাৰ পিনে পানী এচলু ঢালি আমাৰ লগত অহা সেই গুটীয়া নাও কেইখনৰে খবৰ লওঁ বুলি জাহাজত পাল তৰি দিলোঁ।

জাহাজ ৰখাবপৰা চলৰ ঠাই এডোখৰ চাই ফুৰোঁতেই জাহাজখন বালিৰ চট এটাত লাগিলগৈ।



চটটো। কোনোমতে এৰাই গলোঁ, যেনিবা। গলোঁ বুলিও, আকৌ থিয় গৰা এটাত খুন্দা মাৰিলোঁগৈ। তাতে জাহাজ ৰখাই, ঠাই ডোখৰ নো কেনেকুৱা আৰু পানী নো কিমান দ চাওঁ বুলি চেলেঙ্গী নাও এখনত উঠি সাগৰৰ মাজ-ফালে গলোঁ। চাওঁ দেখোন—পানী বাম, তলি খনো বালিয়া। কেনি নো জাহাজ নিম মোৰকে ধৰিব নোৱাৰিলোঁ। অৱশেষত, নাৱৰীয়াহঁতৰ বাহিৰে আমাৰ এটাই বোৰৰ বুধি হেৰাল—সকলোৰেই খপজপাবলৈ ধৰিলোঁ। নাৱৰীয়াহঁতেও লৰালৰিকৈ গৈ ফটিকা একোটোপা খাই ইটোৱে-সিটোক আশীৰ্ব্বাদ দিবলৈ ধৰিলে। এনেতে, জাহাজখনৰ আগে-পাছে দুয়ো-পিনে খুঁটি পুতি জাহাজখন কৰিয়াই পেলালোঁ। ইতি সময়তে, হো-হো কৰে বতাহ বলিবলৈ ধৰিলে, ফেনে ফোটোকাৰে সাগৰৰ পানী বাঢ়ি আহিল আৰু জাহাজৰ ভিতৰত হোলোকা-হোলোকে পানী সোমাবলৈ ধৰিলে। ধামখুমীয়া ঢৌত খুন্দা খাই জাহাজৰ বাণি ভাগো-ভাগো হৈছিল। কিন্তু তাৰ লোৰৰ পীৰি এডাল কাটি খোলনিটো উলিয়াই দিলত যেনিবা, ঢৌবোৰ সেই পিনেই সৰকি গল; কানে-

কানমাৰি হে সাৰিলোঁ। নাওখন হলে বালিয়ে পুতি পেলালে। তাত থকা মানুহটোক তুলি আনিলোঁ।

---

## লালী নিছিগা বিপদৰ জাউৰি

এই দৰেই আমাৰ লগত বাৰেওতিকাল লৈ ফুৰোৰা সৰু হাতনাও ডুখৰি অচিন সাগৰত পৰি চিৰকাললৈ বালিত পোত খাই থাকিল। আমাৰ থৰযুগুতি হেৰুৱাবলৈ এই বিপদেই আভোকৰন-মুঠি যেন হৈছিল। কিন্তু, সিমানতো বিপদ নেথাগিল। তাতোকৈও ডাঙৰ বিপদে আকৌ আমাক আগচি ধৰিলেহি। এনেয়ে আমাৰ গা-মন টেঙাই আছে, তাতে আকৌ এইবোৰ বিলাই-বিপত্তি। এনে অৱস্থাৰ হাত সাৰিবলৈ উপায় আলচি থাকোঁতে থাকোঁতে আহিল এটা হিলদলভঙা বৰদৈচিলা হেন ধুমুহা। ধুমুহাই আমাৰ জাহাজৰ ফইবোৰ ভটৰ-ভটৰ কৈ ছিঙি পেলালে। হয় হে, ভিতৰৰ পৰা ডুডালকৈ লেজু উলিয়াই বান্ধিলোঁ-ছাটিলোঁ, জাহাজখন আৰু নিৰ্ব্বিঘিনিয়ে ৰাখিব নোৱাৰিলোঁ—পৰ্ব্বত যেন বলুকাত লাগিলগৈ যি লাগিলগৈয়ে। উপায়



নেপাই, লেজু ডুডাল হাতোৱাহেৰে কাটি পেলালোঁ। আগ-টিঙত তৰা পালখন বতাহে উৰুৱাই নিলত বাকী কেইখনো তলিৰ পানী সিঁচি নমাই পেলালোঁ। কোবত কোবে ধুমুহাৰ বেগ চৰি অহাত জাহাজত ঢোলোকা-ঢোলোকে পানী সোমাবলৈ ধৰিলে আৰু টান বালিত খুন্দা খাই জাহাজখন ভাগো-ভাগো হ'ল। বহুতে ভয় খাই স্ব-স্ব পাপৰ হেতুকে অনুতাপ কৰি কালমায়া ডুইবো অধিকাৰী মহাপ্ৰভুক পাপৰপৰা পৰিত্ৰাণ কৰক বুলি কাকুতি কৰিবলৈ ধৰিলে। সিমানতো নাৱৰীয়াহঁতৰ ভ্ৰুৰ্ভঙ্গেই নহল। সিহঁতে হাতত একো বাটি ফটিকা লৈ ভোঁ হৈ ভাবি আছিল, "সাগৰৰ ঢৌৱে তৰ্জ্জন-গৰ্জ্জন কৰিব নোৱাৰিছে, আমাৰ ফটিকাৰ ধাৰ যেতিয়ালৈকে নিছিগাকৈ থাকিব, তেতিয়ালৈকে কেতিয়াও জাহাজ বুৰিব নোৱাৰে।" এই তৰচেঙ্গেলীহঁতে আপদ-বিপদ কি বুজিবই পৰা নাছিল। সিহঁতৰ মানত আত্মা এটি অপদাৰ্থ বস্তু—মৃত্যু হেনো তাৰে এটি জুমুধি মাথোন। সেই দেখি, সিহঁতে মৃত্যুলৈ নডৰায়। সিপিনে সিহঁতে সুৰা পান কৰি অবিৰাম আমোদ কৰি থাকোঁতেই চাঁত কৰে প্ৰচণ্ড বা-মাৰলী

এটা আহি জাহাজখন একুৰাই নি সাগৰৰ মাজত চক্ৰাকাৰ কৈ ঘূৰাবলৈ ধৰিলে। আমাৰ মনত আশাৰ সঞ্চাৰ হল। ভাবিলোঁ পানী পালোঁহি যেতিয়া এই বাৰলৈ ৰক্ষা পৰিলোঁ। কিন্তু, অলপ বেলিৰ মূৰতেই, কেউফালৰপৰা চাও চাও কৰে, জাহাজত ইমান বেগেৰে পানী সোমাবলৈ ধৰিলে যে আমি জনদিয়েকে উটাপুটাকৈ সিঁচিও সেই পানী টুকুৰাব নোৱাৰিলোঁ। অৱশেষে, জাহাজত থকা ৭০ জন মানুহেই গাইপতি লগা হলে পানীখিনিৰ তৰ পেলাব পৰা হলহেতেন। কিন্তু, লঘোনে-ভোকে থাকি আটাইৰে গা হেলেং পেলেং-লাগি থকাত কোনেও লা-ঢোকে কৰিব নোৱাৰিলে।

ইমানতো দুৰ্দ্দশাৰ অন্ত নপৰিল। লেলাত ভুঞ্জোৱা দুখত পেলাই আমাক লাৰে-লাৰে পানী খুৱাবলৈ আকৌ এটি অথন্তৰে দেখা দিলেহি। বামৰপৰা জাহাজ এৰাল যদিও, কি-কাপ্তান কি গুৰিয়াল, কোনেও কোনবাটে জাহাজ চলাব লাগে দিশ ধৰিব নোৱাৰি বিমোৰ হ'ল। কাপ্তান-গুৰিয়ালৰ উখনাউখনি লাগিল। কাপ্তানে কয়, —এই পিনে যাওঁ, গুৰিয়ালে কয় সেই পিনে যাওঁ।



শেষত, কাপ্তানৰ কথাতেই সকলোৱে হৰিভৰ দিলে। অলপ দূৰৈ গৈয়েই বুজিব পাৰিলোঁ যে নাৱৰীয়াইঁতে বাঞ্ছা কৰা মতেই আমি পাৰৰপৰা বহুত আঁতৰিলোঁ। জাহাজত খোৱা-বস্তু তাকৰকৈ নথকা হ'লে আৰু তেতিয়াও পানীৰ হেঁচাটো অলপ কমা হ'লে সেইমতে জাহাজ চলোৱাত ভালেই পালোঁহেতেন। কিন্তু, দুখে-ভাগৰে আমাক লাল-কাল কৰিলে। এনে অৱস্থাত পৰি থাকোঁতেই চাৰেংটোৱে "সৌৱা সৌৱা পালোঁহিয়েই, বাম পালোঁহিয়েই" বুলি আটাহ পাৰিবলৈ ধৰিলে। তাৰ মাত শুনি, আমাৰ ধাতু আহিল আৰু আমাৰো কাম কৰিবলৈ গা-মন উধাই গ'ল। গ'লে কি হ'ব? তিনি নে চাৰিঘণ্টাৰ মূৰত "পুনৰ্মূষিক" হলোঁহক! আকৌ ঢৌ আহিল; আমাৰ জাহাজে টলং-ভটং কৰিবলৈ ধৰিলে। জাহাজ আৰু আগুৱাব নোৱাৰিলে। তাতে ৰাতি হোৱা বাবে, বামৰপৰা আঢৈমাইলমান আঁতৰতে, ১৬ হাত দ পানীতে জাহাজৰ কেঁকোৰা পেলাবলৈ হ'ল। এই দুৰ্ঘটনাই আশা-ভাৰসা সোপাৰে মূদা মাৰি পেলালে। এই বেলি যি পানী সোমাল তাক সিঁচিবলৈ গা-কে

লবাব নোৱৰা হলোঁহকঁ। তথাপি, শক্তি থকা কেইজনে বাম দেখি, মৰোঁ-জাউ-সোঁ-আধিকৈ পাছদিনা ৰাতিপুৱা তাৰ ফইবোৰ কাটি পেলাই পাৰৰ ফালে যাবলৈ ধৰিলে। এইদৰে কাটি-কাটি যোৱাৰ ছ ঘণ্টামানৰ মূৰত দেখিলোঁ- জাহাজৰ ভৰ সমান ৰাখিবলৈ পানী ভৰাই আঁৰি থোৱা বাল্টি এটাৰ আধাখিনি পানী দেখোঁ বালি হৈ গ'ল। তেতিয়া হে আমি পেপুৱা লাগিলোঁ—চিন্তাত তালু শুকাই চৰ্চ্চৰীয়া হল।

এনেকুৱা দুতৰত পৰি আমি আৰু একমনে ভগৱন্তক হে ধিয়াবলৈ ধৰিলোঁ। তেৱেঁই ৰাখিলেও ৰাখিব, মাৰিলেও মাৰিব। কাৰণ, ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে ? উপায়-বুদ্ধি উদি হ'লত, কোনো শুবলৈ গল, কোনোৱে আকৌ এনেকুৱা পোহৰ আৰু দেখিবলৈ নেপাওঁ বুলি মুদখোৱা চকু কেইটা বলেৰে মেলি থাকিবলৈ ধৰিলে, কোনোৱে বা আকৌ ভোকৰ পালি আটাইতকৈ চাৰ যেন দেখি মৰিবৰ সময়ত অলপ মঙ্গহকে খাই ভোক মাৰোঁ বুলি মঙ্গহ বিচাৰিবলৈ ধৰিলে। সিহঁতক মঙ্গহৰ ভাগ দি সন্তোষ লগাই থবলৈ



কাপ্তানো বাধ্য হ'ল। চাৰেং জনে এৰাব নোৱাৰি যি একোকণ 'হে ভাগত পেলালে, তাক পোৱা মানুহে নকৈ নোৱাৰিলে বোলে আমাৰ যাত্ৰাৰ আৰু ওৰ পৰাৰ আশা নাই। কাপ্টান-চাৰেঙৰ উখনা-উখনি আৰু ভাগৰ-জোগৰে মানুহবোৰক ইমান ত্যক্ত লগাইছিল যে তাক আন সময়ত কোনোবাই দেখা হলে হাঁহি সামৰিব নোৱাৰিলেহেতেন। ৰান্ধনিটো ওপৰলৈ গৈ আকৌ ফোঁপাই-জোপাই তললৈ নামি আহি ক'লেহি বোলে, সি বাৰৰ বিন্ধাইদি কিছুমান গঙ্গা-চিলনী দেখি আহিছে, সেইবোৰ মাৰি তাৰ মঙ্গহেৰে আঞ্জা ৰান্ধি মাৰিব খোজা মানুহবোৰক তেও ভোজন কৰাব পৰা হ'ব।

ভোজনেন্দ্ৰিয়ৰ সদ্ব্যৱহাৰ কৰিব জনাবিলাকে তৎক্ষণাৎ নাৱৰ পেৰা-পেটাৰি থোৱা ঠাইৰ পৰা এগাল হাতো-উৱহী আনি খিছিৰি ৰান্ধিলে। সেয়ে অন্তিম কালৰ ভোজন বুলিয়েইনে কি ক'ব নোৱাৰোঁ আমি খাই বৰ তৃপ্তি পালোঁহঁক। খাই-বৈ এঁটোৱাৰ পাছত দেখিলোঁ, ৰান্ধনি থকা খোঁটালীটোৰ পিনে জলা ওলাই জাহাজৰ ভিতৰলৈ পানী সোমাইছে দহোন। বাবত বিন্ধা দি,

কোনোমতে পানীখিনি উলিয়াই পঠিয়ালোঁ আৰু সীহপাত গলাই জলাবোৰ নিকঁোপ কৰিলোঁ। ভালেমান পৰ টোপনি নহা দেখি, লুটি-বাগৰ দি থাকি আমাৰ ভিতৰৰে উটনুৰা কিটা পাছত জিৰাবলৈ বহিল। ইপোনে, যমে মোৰ আঁক মচিলে যেন ভাবি, "ডেকত" বান্ধি থোৱা পেৰা এটাৰ ওপৰতে লেলাই-ধেন্দাই চিত হৈ পৰি থকিলোঁ ( টোপনি আহক বুলি নহয় )।

এঘণ্টামান সময় এইদৰে পৰি থাকোঁতেই হঠাৎ জাহাজখন আওঢলীয়া হৈ গ'ল। মানুহবোৰৰ উস্‌মিস্‌ লাগিল। চকুকিটা মোহাৰি পোন হৈ বহি ললোঁ আৰু লগে-লগে ভাবিবলৈ ধৰিলোঁ— সাজ্ঘাতিক বিপদতেই পৰিলোঁহি হ'বলা ! ক্ৰমান্বয়ে সকলোৰে ক'লৈ যাওঁ গোপাল ক'লৈ যাওঁ কৃপাল লাগিবলৈ ধৰিলে। ঠিক এনে সময়তে আমাৰ মানুহবোৰ লেখি চোৱা হ'ল। লেখত তিনটা মানুহ কম ওলাল। ভাবিলোঁ—সিহঁত তলৰ "ডেকত" জিৰাবলৈ যাওঁতে পানীত পৰি মৰিল হ'ব পায়।

---

### ভোক-খঁকৰ পালি

দুঘণ্টামান এই দৰে পেপুৰা লাগি থকাৰ পিছত, ঘপ্‌ কৰে জাহাজখন দেখোন ওপৰলৈ উঠিল। জাহাজ ওপঙা কথাটো আমি সমূলিকে বিশ্বাস কৰিব নোৱাৰিছিলোঁ। যেতিয়া দেখিলোঁ, কথাটো একেবাৰে সঁচা, তেতিয়া হে আমাৰ মনটোহঁত মুকলি হ'ল আৰু সকলোৰে নিজৰ-নিজৰ পেৰা মোকলাই ন কাপোৰকানি পিন্ধি একোটোপা ফটিকা খাই ললোঁহঁক। লগৰে দুটামানে আকৌ আপোনাআপুনি গপতে ওফন্দি লাখপতিৰ চিন্তা হে কৰিবলৈ ধৰিলে। নাৰৱীয়াহঁতৰ অতপালিলৈ চাই এইবোৰ মানুহৰ স্বেচ্ছাচাৰিতা অলপ সহ্য কৰিব পাৰি। কিন্তু, নাৰৱীয়াহঁতে মৃত্যুকো যে পৰাভৱ মনাব খুজিছিল, পৰজন্মত নো কি হ'ব, তাৰ কথাও যে সমূলি নেভাবিছিল সেইটো কথা হে সহিবলৈ টান পাইছিলোঁ। এই উকলিপুঙা নাৰৱীয়া কেইটাৰ দুটামানে নতুন কাপোৰ কানি পিন্ধি ধুনীয়াটিহঁত হৈ ডাঙৰ কুঠৰী এটালৈ সোমাই, মূৰত একতীয়াকৈ টুপী পিন্ধি, হাতত ফটিকাৰ গিলাছ লৈ, মতলীয়া

ভাৱেৰে ঠেও ধৰি-ধৰি আনবোৰকো সিহঁতৰ লগ লবলৈ টানি-আঁজুৰি ফুৰিছিল। কিছুমান আকৌ গহীন হৈ বহি আছিল যদিও, মনৰ ভয়-সংশয়-গুচাবলৈ সিহঁতে এশোহা-দোশোহা মদ খাবলৈ ইচ্ছা কৰিছিল। বাকী বোৰে ৰাক্ষসৰ দৰে খোৰাটোকে হে ধিয়াই আছিল। সিহঁতে ইমান ন-ভুতকৈ খাইছিল যে পেটটোহঁত ওফন্দি টিলটিলীয়া হৈ পৰিছিল আৰু ঠিহঠিহনি লাগি ভালেমান বেলি জঠৰ হৈয়ে আছিল।

চাওঁতে-চাওঁতে আমি মৃত্যুৰ দুৱাৰ মুখকে পালোঁগৈ। জাহাজখন বুৰিলে আমি কি উপায়ে ৰক্ষা পাম তাৰ এটা যতন উলিয়াবলৈ ভাবিব লগীয়া হ'ল। জাহাজৰ ঘাই বাঢ়ৈজন সেই কাম কৰিবলৈ ওলাল। তেওঁ আন দুজন মানুহেৰে লগ লাগি পাল-কাপোৰ, মাস্তুল আৰু আন-আন লাগতিয়াল সঁজুলি বোৰ খহাই পেলালে। সেই বোৰেৰে তেওঁ ৪০টা মানুহ উঠিব পৰা এখন নাও সাজিলে। লেখত আমি বহুত হলোঁহঁক। ধিতিঙাহঁতে আমাৰ উপস্থিত বুদ্ধি দেখি, আমাক হাঁহিছিল; আৰু, আমি নাওখন আহল বহল আৰু মটমটীয়া কৰিবলৈ



ধৰোঁতে সিহঁতে অলপো হাত-উজান দি আমাক সহায় কৰা নাছিল। আন কি, দা বা কটাৰী এখনকে দলি মাৰি দিয়া নাছিল। ৰান্ধনিটোৰ সখিয়েকো সিহঁতৰ ভিতৰৰে এটা। উইলিয়াম এ্ছবেৰ্ণ্ট্ বোলা মানুহ এটাই তাৰ হাতত সৰহকৈ খোৰা বস্তু গোটাই থৈছিল। আমাক কোনেও সহায় কৰিব নেলাগে বুলি সি হাক দি ফুৰিছিল। মুঠতে, এই নিৰ্দ্দয়া মানুহটোৱে ভ্ৰম বকি ফুৰা নাৱৰীয়াহঁতেৰে লগ লাগি আমাৰ যিমানেই অমঙ্গল সূচাওক নেলাগে, আমি তেও ভুৰ এখন সাজি সেই নাওখনৰ পাছত বান্ধি দিব পৰা হলোঁ। সকলো ঠিকঠাক কৰি, নাৱৰ গুৰি দিবলৈ এটা গুৰিয়ালো লোৱা হল। সেইখন নাৱত যেয়ে পাৰ হব খুজিছিল সেয়ে নাওবাওঁতাক পাৰত তৰিবলৈ বঙাল দেশত চলা দহোটাকৈ ৰূপৰ চকলা (টকা) দিব লগীয়া হৈছিল। আমি যাত্ৰা কৰিবৰ সময়ত সকলোৱে দেখাশুনাকৈ একো গিলাছ মদ খাই ললোঁহঁক। মই ও সেই নাৱতে যাব খুজিছিলোঁ। কিন্তু, মোৰ এজন আপোন মানুহে নিষেধ কৰিলেহি বোলে, সেই নাওখন এনেয়ে

বুৰোঁ বুৰোঁ হৈ তলি লাগি গৈছে, তাতে এই অহোবলিয়াবোৰ উঠিছে, এনে স্থলত তাত যোৱা ভাল নহয়। সেই বাবে, মই কাপ্টানৰ লগতে থাকিলোঁ।

বঠাৰ চাব ডুটামানৰ সমান বাট গৈছে হে, এনেতে দেখিলোঁ, আমাক এৰি যোৱা বাবে সিহঁতৰ মনত বেজাৰ লাগি আকৌ আমাৰ ফালে ডুটামান মানুহ ভিৰাই ধৰি সাঁতুৰি আহিছে। সিহঁত আহিলত, আমাৰ মানুহ ৩২টা হল। সিখন নাৱত প্ৰায় ৪০টা মানুহ থাকি আহিল বুলি, লেখত পালোঁ। নাওখন গধুৰ আৰু তাত ভৰা বেছি, তাতে আকৌ এঘণ্টামানৰ পিছত ধুমুহা বতাহ অহাত বেগাই যাব পৰা নাছিল।

নাৱত যোৱা মানুহকিটাক নেদেখা হলত, আমি পৰমেশ্বৰক ভাবিবলৈ ধৰিলোঁ—সিহঁতক যেন পাৰৰ অধিবাসীবোৰে আকৌ বিপদৰ পৰা উদ্ধাৰ কৰে। তাৰ পিছত, কাপ্টান জনে থৈলা এটাৰ পৰা কিছুমান বিস্কুট উলিয়ালে আৰু খৰিকাত দিয়া—মঙ্গহো অনালে। সেই বোৰকে আমি হেঁপাহ পলুৱাই খালোঁহক। খন্তেকমান বেলিৰ মূৰত সেই



মানুহকিটাক ছঁয়ামঁয়াকৈ দেখিবলৈ পালোঁ। চকুৰ পচাৰতে সিহঁত নো কলৈ গল ততকে ধৰিব নোৱাৰিলোঁ। ভাবিলোঁ—সিহঁতৰ কিবা অথান্তৰ ঘটি কৰবাত মৰিলগৈ কি চৰিলগৈ হে। যাবৰ সময়ত, সিহঁতে আমাক যি দৰে ভুতুৱাইছিল সেই ভুতুৱনিৰ মুদা মৰিল বুলিয়েই ঠাৱৰ কৰিলোঁ। এই বাবেই আমি ন-কৈ এখন নাও ও সাজিলোঁ। সাজি এঁটোৱাৰ পিছত দেখিলোঁ—নাওখনত মুঠেই দহোটা কি বাৰটা মানুহ হে ধৰে। সেই দেখি, আমি অইন উপায় কৰিব লগীয়া হল যেন ভাবি মাস্তুলৰে এডোখৰ কাটি পেলালোঁ। তাক বান্ধিবলৈ পালৰ জৰী আনিবলৈও, জৰী থাকিল পানীৰ মাজত—জাহাজৰ ফইৰে সৈতে জোঁট লাগি। ওপৰত কৈ অহা মোৰ বন্ধু উইলিয়ম বষ্টিয়ান্‌ছে হবলা মাজকঁকালতে জৰী এডাল লগাই লাহে লাহে জোঁটপোট লাগি থকা ফইবোৰ কাটি পেলালে। এইবোৰ কৰি মেলি থাকোতেই চকা পাতত বহিল। আৰু লগে লগে ঢৌৱেও খুন্দিয়াখুন্দি লগাবলৈ ধৰিলে। সন্ধ্যাৰ এন্ধাৰ আৰু ঢৌৰ থৌকিবাথৌত আমাৰ থৰকাছুটি হেৰাল। চকু

পচাৰে পতি আমি মৃত্যুৰ ছবিকে হে দেখিবলৈ পালোঁ।

মাস্তুলৰ আগ ডোখৰ কাটি থাকোঁতেই, আমাৰ দুখ দুৰ্গতিলৈ আওকাণ কৰি ছ-টা মানুহ পলাই যাব খুজিছিল। সিহঁত ওলাই যাব খোজোঁতেই মাস্তুলটো খহি পৰাত সিহঁতৰ গা ওলাই পৰিল। সিহঁতে মনে মনে যে ডোল ডুডাল কাটি দিব খুজিছিল, সিও ধৰা পৰিল। নপৰা হলে, সেই নিশাই আমাৰ বিনাশ হলহেতেন। কিয় নো, তেতিয়া ঢৌৰ খুন্দা আৰু গছ গছনি ভাঙি চূৰ্ণাকৃত কৰা ধুমুহাৰ কোব সহা আমাৰ পক্ষে অসম্ভৱ হৈছিল। সেই গুণে, আমি লৰালৰিকৈ নাৱলৈ উঠিলোঁ। নাৱত মুঠ মানুহ ৩২টা হলগৈ। মাজনিশা বতাহ টিমাবলৈ ধৰাত পিছদিনা ৰাতি পুৱাই-পুৱাই আহোঁতেই যাত্ৰা কৰিবলৈ স্থিৰ কৰিলোঁ।

---

## তপত খোলাৰপৰা পকা-আঙ্গঠালৈ

লগত ললোঁ অলপ খোৱা বস্তু, কম্পাছ বা দিকনিৰ্ণয় যন্ত্ৰ ডুটা, কাচ্‌কটা মাৰি ডুডাল,



তৰোৱাল এখন, কুঠাৰ এখন, লণ্ঠন এটা আৰু মমবাতি ডুডালমান। এই বোৰ লামভামকে লৈ আগৰ নাওখন এৰি নতুনকৈ সজা নাৱত উঠিলোঁগৈ। হাতেপতি একোডাল চৰি নাইবা বঠা লৈ পাৰৰ পিনে নাওখন পাৰি দিলোঁহঁক। তেতিয়া আমাৰ কিমান যে লটি-ঘটি হৈছিল, বৰ্ণাব নোৱাৰি। এনেয়ে ঠেৰেঙা লগোৱা জাৰৰ দিন, তাতে ফেৰ্ফেৰীয়া বতাহ। পুৱা পুবে ডাঁৰ দিছে, এনেতে দেখোন, অকস্মাতে বতাহ এজাক আহি নাওখন উৰুৱাই নি গৰাৰ ওচৰৰপৰা পানীৰ মাজ পোৱালেগৈ। এঘণ্টামানৰ মূৰত, মাটি দেখিবলৈ পাই তাৰ কাষ চাপোঁগৈ বুলি হয় হে প্ৰাণ টাকি চৰি মাৰিবলৈ ধৰিলোঁ, যাব আৰু কেনেকৈ পাৰো? সোঁতে ঠেলি পাছলৈ হে লৈ গল। এনেয়ে আমাৰ তৰ-ল বাম-ল লাগিছে, তাতে আকৌ ডুটামানে ভ্ৰম বকিবলৈ ধৰাত আমাৰ জুমুৰি আৰু বাঢ়ি গল। ডুটামানে হবলা পেৰাৰপৰা কাপোৰ-কানি উলিয়াই পিন্ধিলে, ডুটামানে আকৌ জুহালৰ ওচৰলৈ গৈ জাৰত ঠেৰেঙা লাগি থকা গাটোহঁতকে সেকিলেগৈ। তাৰ ভিতৰত, আমাক বৰকৈ

আমনি কৰিছিল মোৰ বন্ধু উইলিয়াম বস্তিয়ানছে। তেওঁ জাহাজতে আছে যেন ভাবি চিঞৰি বাখৰি হুৱাদুৱা লগাই দিলে। পিছত, ইবোৰৰ ওচৰলৈ আহি টেঁটু ফালি চিঞৰিলেহি "ৰাইজ, আপোনা-সকলে মোক এৰি দিয়ক। মই জাহাজ চলাই যলৈকে যাব লাগে তলৈকে যাওঁ। সৌৱা হেলেভণ্ট্ মন্দিৰ দেখিছোঁৱেই; বুকু ডাঠ কৰাহঁক; সৌৱা আমি পালোহিয়েই।" আকৌ এটা অহোবাং হোলগোজে ৰিঙিয়াবলৈ ধৰিলে, "আমি ৰোম নগৰত সোমালোঁহি ঔ।" বাঢ়েটোৱেও খলক লগালে, "এইটো গিৰ্জ্জাঘৰ দেখোন। কেনেকৈ ৰদৰ জিলিঙ্গনি পৰি তিৰবিৰাব লাগিছে?" আকৌ কিছুমানে সুধিলে, "জাহাজৰ মাস্তুলটোকে গিৰ্জ্জা-ঘৰ পাতিবলৈ এই মুলুংবোৰক কি হে পালে?" সিহঁতক বিভ্ৰম হেৰা দেখি, পাৰে মানে হাঁহিলোঁ। কিন্তু, মোকো সেই পালিয়ে পাইছিল বুলি লোকে মোক পিছত কৈছিল। মই হেনো তেতিয়া বলকি ফুৰিছিলোঁ, বোলে, "হাঁয়, হাঁয়, সৌৱা সিহঁতে ফটিকা-লাওপানী খাই মতলীয়া হৈ ফুৰিছে। সিহঁতৰ লগতেই থাকিম; সেই বুলি, সেই সঙ্গৰ ভকত



নহওঁ।" কাপ্টান জনে মোক হাক দিছিল, কিন্তু, মই উচাট মাৰি উঠি পানীত জাঁপ মাৰি পৰিলোঁগৈ। পানীৰপৰা মোক কোনোবাই তুলি আনিলে। সেঙ্গেটা লগোৱা জাৰ আৰু বিপদৰ ভয়েও মোৰ মনৰ বিকাৰ গুচাব নোৱাৰিলে। মই ঠক্ঠক্ কৰে কঁপি থকা দেখি কাপ্টান জনে তেওঁৰ পিন্ধা কাপোৰকে পিন্ধিবলৈ দিলে। তাৰ পিছত, টিফাইৰ কেৰাহী এখন পাই তাৰ ওপৰতে বহি মনেৰে ধৰা জুই একুৰা পুঁৱাবলৈ ধৰিলোঁ। জুৰুলি জুপুৰি হৈ থকা গাটো দেখোন শুকাই আহিবলৈ ধৰিলে আৰু লাহে-লাহে গালৈ উম আহিল। এনে মনেপতা জুয়ে মোৰ গাত সঁচাজুয়ে কামকৰা দি কৰিলে। ইয়াৰ দ্বাৰাই আন হওক নহওক, বহি থাকোঁতেই মোৰ তেও সেই পিনে টোপনি আহিল। টোপনিও সামাইন নহয়, লালকাল দিয়া টোপনি। সেই টোপনিৰপৰা সাৰ পালত হে পূৰ্ব্বৰ জ্ঞান পাইছোঁ।"

এনেতে ঢৌৱে কোব মাৰি আমাক ইমান নিলগলৈ লৈ গলগৈ যে আমি আৰু সকলো আশা-ভৰসা পৰিত্যাগ কৰিলোঁ। তেতিয়া আমি কাতৰস্থ

হৈ বিপদবাৰণ নাৰায়ণক ইয়াকে হে মাথোন খাটিবলৈ ধৰিলোঁ, হয়, তেওঁ যেন আমাক মাৰি নিয়ক,—নহয়, সেই বিপদৰ পৰা উদ্ধাৰ কৰক। আমাৰ কাকুতি-মিনতিৰ ফলতেই নেকি কব নোৱাৰোঁ, অলপ পৰৰ মূৰতেই আমি বাম মাটি আৰু গৰুমহ চৰি থকা পথাৰ দেখিবলৈ পালোঁ গৈ। কাকূতি-মিনতিত তুষ্ট হৈ, প্ৰভুৱে আমাক বাম পোৱালে বুলি ইটোৱে সিটোৱে কোৱাকুই কৰিবলৈ ধৰিলোঁ। এই বেলি, দুগুণ উছাহেৰে আকৌ প্ৰাৰ্থনাধ্বনিৰে দশোদিশ কঁপাই পঠিয়ালোঁ। এনেতে হঠাৎ চকু পৰিল,—সেই বাম মাটি বোলা ঠাই ডোখৰলৈ। দেখিলোঁ—সেই বাম বোলা মাটি ডোখৰ দৰাচলতে সাগৰৰ পাৰ নহয়,—সাগৰৰ পানীয়ে ছিঙি আনি পতা বালি-টুমনি হে। তেতিয়া আমাৰ মনত চিন্তাভাবনা ভয়-ভ্ৰান্তিৰ ঢকা-ডিঙ্গৰা লাগিবলৈ ধৰিলে। বিশেষকৈ, নাওখনে পানী দিয়াত আৰু বেছি দূৰৈলৈ যাব নোৱৰা যেন দেখি হে আমাৰ অণ্ঠে-কণ্ঠে শুকাই গৈছিল।

ডাঠ মনৰ দুজনমানে বিপদ বাঢ়ি অহা দেখি নাওখন পাতলাবলৈ মন কৰি, কেইজনমানকে



ৰাতি কোনেও নেদেখাকৈ মনে মনে নাৱৰপৰা গতিয়াই পানীত পেলাই দিব খুজিলে। এনেকুৱা শিলাময় অভিপ্ৰায় সিদ্ধি কৰিবলৈ দয়াময়েও ভাল সিহঁতক এৰি দিলে! আমাৰ হাতত বহুত নগদ টকা আছিল। বাঢ়ৈটোৱে বুদ্ধি দিলে বোলে, সেই টকাখিনিকে পানীত পেলাই তাৰেই লঙ্গৰ বা নাৱৰ ঠেকা বা খুঁটি কৰিব পাৰি। তাৰ উপৰিও, এই ঠেকাই ঢৌৰ খুন্দাটো ৰাখিব আৰু নাওও ফুটিব নোৱাৰে। তাৰ কথাকে সাৰোগত কৰি আমি এটাই-বোৰে ধনখিনি উলিয়াই দীঘল-দীঘল মোনা একোটা কৰি তাৰ ভিতৰতে সেইখিনি ভৰাই টুপলি-টুপলি কৰিলোঁ। সেই টোপলাবোৰকে ডোল লগাই ওপৰা-উপৰিকৈ পানীত পেলাই দিলোঁ। এইদৰে দুথাক পেলোৱাৰ পিছত, তৃতীয় থাকটোৰ ডোলডাল দীঘলাই ইচ্ছামত এৰি দি, আকৌ চপাই ধৰিব পৰাকৈ তললৈ এৰি দিলোঁ। কোন ফালেনো সোঁত বলিছে তাক প্ৰমাণ চাবলৈ আৰু এটা টোপোলা পানীত ওপঙ্গাই ধৰি গলোঁ। টোপোলা কিটাই আমাক ইমান উপকাৰ কৰিলে যে শেহত আমি তাৰ গুণতেই অঠাই সাগৰত পৰাৰপৰা ৰক্ষা পৰিলোঁ।

আবেলি দুইমান বজাত কেঁকোৰা ( লঙ্গৰ ) পেলাই ধনৰ টোপোলাবোৰ দাঙি আনিলোঁ আৰু যাৰ যি ভাগ তাক সেই ভাগটো দি দিলোঁ। সকলোৱে আনন্দ মনেৰে ৰূপ এটকাকে নেলেখাকৈ নিজৰ-নিজৰ ভাগটিহঁত লৈ পেলালে। বিপদৰপৰা ৰক্ষা কৰাত সকলোৰে মনত ৰং লাগিল। যি তাকৰ ধন দিছিল তাৰ ৰঙৰ পৰিমাণ সৰহ হল আৰু যি সৰহ দিছিল তাৰ কম হল। ৰঙৰ বঢ়াটুটা ইমান অসমান হৈছিল যে শেহত দুটকামান ৰূপৰ গিৰিহঁতেই নোলালগৈ। সেই বাবে, যাৰ মুঠেই ধন নাছিল সিহঁতৰ মাজত সেই বাঢ়ি থকা টকাকিটা বিলাই দিয়া হল। আটাইবোৰ টকাই বঙ্গলা দেশত চলাব পৰা আছিল। সেই গুণে, তাক লওঁতেও সকলোৱে হৰ্ষমনেই লৈছিল। ধন ভগোৱাৰ পিছতে বিস্কুটৰ পেৰা এটাত আমাৰ চকু পৰিল। কিন্তু অলপীয়া বস্তু যেন ভাবি আমাৰ কোনেও তাক বুটলিকে নললে। কাপ্টান জনে থানথিত লগাই নোথোৱা হলে তাৰ বস্তু তাতেই পৰি থাকিলহেতেন।

---

## বঙ্গলা দেশৰ জিলমিল দৃশ্য

শেহন্তত, আমি ঠটা মাটিৰ ইমান ওচৰ চাপিলোঁগৈ যে পাৰত মাছমৰীয়া মানুহে ৰদত জাল মেলি শুকুৱা যেন দেখিবলৈ পালোঁ। নিচেই ওচৰলৈ আহি আমাৰে নিচিনাকৈ সাজপাৰ পিন্ধা, কেতবোৰ মানুহো দেখিলোঁ। আচলতে, এইবোৰ কেৱল দূৰবীণৰ হে পাক। কিয়নো, দূৰবীণেৰে চাওঁতে আমি বামৰ যিমান ওচৰ চাপিছিলোঁ যেন লাগিছিল, বাস্তবিকতে সিমান ওচৰ চপা নাছিলোঁ। আমাৰ গমন ধীৰ হোৱা দেখি মনত বৰ শঙ্কা লাগিবলৈ ধৰিলে। আমাৰ ভিতৰৰে এটাই বৰ উত্ৰাৱল হৈ দিলে জাঁপ মাৰি নাৱৰপৰা—সাঁতুৰি পাৰ হৈ, বামলৈ কিমান বাট তাক চাবলৈ। কিন্তু, সাঁতুৰি সাঁতুৰি বাম নোপোৱা যেন দেখি, ভাগৰ লাগিলত নাৱলৈকে ঘূৰি আহিল। এনেতে, বঙ্গলা দেশৰ মানুহে গাহৰি-মঙ্গহ নেখায় বুলি মনত পৰিলত আমাৰ হাতত থকা গাহৰি-মঙ্গহখিনি পানীলৈ পেলাই দিলোঁ। মঙ্গহখিনি ইমান ততাতৈয়াকৈ পেলোৱা হৈছিল যে তাৰ লগতে

এপেৰা বিস্কুটো গল। বহুতেই ভোকত লেকাত লাগি আছিল; মঙ্গহ পেলোৱা মানুহ কেইটা ওপৰ-চকুৱা নোহোৱা হলে সেই বিস্কুটে বৰ গুণ দিলেহেতেন। বামত খোৱা-বস্তু পাব বুলি সিহঁতে নাৱত একোকে নেৰাখিলে।

ইতিমধ্যে, আমি পাৰ পাই পানীতে নাওখন এৰি থৈ বামলৈ উঠি গলোঁ। বাম পোৱা মাত্ৰকে কাপ্টান জনে লগত দহজন নে বাৰজন মানুহ লৈ শুকুৱাব পৰা এডোখৰ ঠাইলৈ বেগাবেগিকৈ গুচি গল। ইবোৰেও তেওঁৰ পাছে পাছে লৰ দিলে। তেতিয়া আমাৰ গা ইমান হেলেং পেলেং লাগিছিল যে মাত মাতিবলৈকে মন নগৈছিল। ভোক-পিয়াহৰ কলমলনি আৰু জাৰৰ কঁপনি কেনেকৈ পাতলাব পাৰোঁ তাৰে হে কেৱল ভাবনা হৈছিল। বাটত যাওঁতে-যাওঁতে ভোক-পিয়াহ আৰু জাৰৰ কথা কৈ-কৈয়েই দুখ ভাগৰ পলাই গৈছিলোঁ। এই দৰেই অলপ দূৰৈ গৈয়েই, গাত অলপ বল পোৱাত আমাৰ ভিতৰত কোনে কেনেকৈ সেই পানীৰপৰা দেখা মানুহবোৰৰ আগত আদৰ সাদৰ পাব পাৰোঁ তাৰ কথা কৈয়ে বৰ উত্তৰা-উত্তৰি



লাগিবলৈ ধৰিলে। আপোনাআপুনি ভীমটোকা গপত ওফন্দি ভাবিবলৈ ধৰিলোঁহঁক—আমি যেন একো-একোজন মহাপুৰুষ হে; পাৰৰ মানুহবোৰে আমাক দেখা মাত্ৰকেই যেন সুৰাগুৰি তুলি নিবহি। এনেতে, তাৰে আওকণীয়া দুটামানে জোকোৱা মাৰি কলে বোলে, পাৰৰ মানুহবোৰ ওলন্দাজেই হওক বা অবৈয়া মানুহেই হওক, আমি আৰু সিহঁতক ধৰিবলৈ সৰহ বাট নাই। দুজনমানে আকৌ সেই কথাত আঁৰ ধৰি ক'লে, বোলে, "সেই বোৰ পৰ্ব্বতীয়া ডলুৱা মানুহ, মাছ মাৰিবলৈ আহিছিল চাগৈ, বাটতে আমাৰ মানুহকিটাক লগ পাই ধৰি লৈ গল। থৰে-থৰে বিচাৰিলে সিহঁতক সৌ—জোপোহা কাঁইটনি ডৰাতে পাবগৈ লাগে দেখোন।" এইবোৰকে কৈ-মেলি আমি জোপা-কিটাৰ ফালে খোজ ললোঁ আৰু যাওঁতে ভাবি গলোঁ—সিহঁতে আমাক দেখিলেই বৰ আন্তিকেৰে সোধাপোচা কৰিব। কিন্তু, কি আচৰিত, "গছত কঁঠাল, ওঁঠত তেল, নৌ-খাওঁতেই শেলবেল"। আমি যিবোৰ কথাৰে আকাশত চাং পাতিছিলোঁ, সকলো মিছা হল। আমাৰ অনুমানৰ গুৰিতে কেণা

লাগিল। জোপা কেইটাৰ ওচৰ পাই চাওঁগৈ দেখোন জোপাৰ তলত মানুহ-তুনুহৰ সঁচেই নাই; নাই যি নাই, বনৰীয়া জন্তু থকাৰো চিন নাই, আন কি, তালৈ যোৱা সুৰুকীয়া বাট এটাও নাই। সেয়ে হে নেলাগে, তাত যে কেতিয়াবা চৰাই-চিৰ্কতি পহু-পতঙ্গেই বা বাস কৰিছিল, তাৰো চিনচাব নাই। আমাৰ যিবিলাকে তাত অলপ খাই বৈ পেটৰ খজুৱতি মাৰিম বুলি ভাবিছিল, সিবিলাকৰো ঠাইৰ অৱস্থা দেখি মুখ শুকাই গল। হয় হে তুজনমানে ৰিঙিয়াই চালে, কোনেও নেমাতিলে। একোৰে উমঘাম নেপাই কি-কৰোঁ-কি-নকৰোঁকৈ অগাইধনি হাবিৰ মাজেই বাট বুলিবলৈ ধৰিলোঁ। খোজটোৱে পতি বনৰীয়া জন্তুৰ ভয়, নিৰাশাৰ বোজা আৰু হাত-ভৰিছিগি-যোৱা গাৰ ভাগৰে আমাক তিতা লগালে। লাহে লাহে, আমাৰ হাত-ভৰি ইমান অৱশ হবলৈ ধৰিলে যে সেইদৰে আৰু যাবলগীয়া হোৱা হলে আমাৰ আশা-ভাবসাৰ মুদাই মৰিলেহেতেন। ভাগ্যে, এনেতে যেনিবা, গুৰিয়ালজনলৈ মনত পৰিল। তেওঁৰ নো কি দশা হল ভাবিবলৈ ধৰিলোঁ। ভালেমান পৰ বিচাৰি বিচাৰি তেওঁক লগ পালোঁগৈ।



দেখিলোঁ—তেওঁ ওৰঘোৰ টোপনিত পৰি লালকাল দি আছে। তেওঁকে দেখি আমিও তেওঁৰে অনুৱৰ্ত্তী হলোঁ—অৰ্থাৎ আমিও দীঘল দিলোঁ।

শুই উঠি, পাৰত দেখা সেই অসভ্য আবৰী মানুহবোৰৰ কৰা পাতিবলৈ ধৰিলোঁ। সিহঁতৰ মাজত আমাৰ নিচিনা ওলগুাজ মানুহ দেখা দৃশ্যটো কেৱল মৰীচিকা—মনৰ ভ্ৰান্তি মাথোন। সেই ভুলটো পিছত ধৰা পৰিল। দিন হলে, ভয়তে চেপেটা লাগি পৰি থাকোঁ। ৰাতি কাঠ কাটোঁ। এনেকৈ কাঠ কাটি-কাটি তিনটা তিনি চুকীয়া খৰিৰ থাক বা মেজি পাতিলোঁ; প্ৰত্যেকটোতে একোটাকৈ ৰখীয়া থলোঁ। সিহঁতে লণ্ঠনৰপৰা জুই উলিয়াই লৈ মেজিবোৰত জুই লগাই দিলে। সেই জুই দেখি বনৰীয়া মানুহ—বনৰীয়া জন্তু সকলো দূৰতে বিদূৰ হল। আৰু আমি জঠৰ লাগি থকা হাতভৰিবোৰ জুইত সেকি-পুতকি পোনাই-পঁজৰাই ললোঁ।

গাত কাপোৰকানি নথকাত ৰাতি আমাৰ বৰ জাৰ লাগিছিল। সেই জাৰে আমাক কেঁকোৰা কৰিলে। যিজনক আমি ওজা বা গুৰিয়াল পাতি লৈছিলোঁ। তেওঁৰো সেই সময়তে এনে কিবা এটা

জঁক উঠিল যে আমাৰ মাজত তেওঁও কিবা খেলি-মেলিখন লগাই দিলে। তেওঁক যিমানেই সান্ত্বনা দিবলৈ ধৰিলোঁ সিমানেই দেখোন তেওঁৰ ডাবি-হুঁকিৰ কোব চৰিবলৈ হে ধৰিলে। "বাটাভিয়াৰ পৰা আহিবলৈ কি হে পাইছিল ? এই দুৰ্ব্বুধীয়া-বোৰেই ভাল আমাৰ কাল হল ! ইহঁতৰ কথা নুশুনা হলে কেতিয়াও এনেকুৱাকৈ আমাৰ দুৰ্গতি নহল-হেতেন।"—এই বুলি তেওঁ গালিয়ে শপনিয়ে আমাৰ ওপৰত গৰ্জ্জি উঠিল আৰু খঙৰ ভমকত কাৰোবাৰ গালৈ চটি জোতা পাটকে, কাৰো গালৈ বা টুপীটোকে এনেভাৱে দলিয়াব-ফৰ্ম্মুটিয়াবলৈ ধৰিলে যেন তেওঁ চাকৰৰ বংশ ধ্বংসকে কৰিব।

---

## ঘৰতে শাঁখিনী

ৰাতিৰ ৰাতিটো এই দৰেই দুখে-বেজাৰেৰেই গল। পিছদিনা পুৱা থাকিবলৈ ভাল ঠাই এডোখৰ বিচাৰি তালৈ আমাৰ বহা তুলি নিবলৈ মন কৰিলোঁ। আমাৰ ভিতৰত বহুত পৰলৈকে ধোবাংজুৰি শুই থকা কুম্ভকৰ্ণ হেন মানুহো আছিল। তাৰ ভিতৰত



বৈদ্যৰাজ জনো এজন। তেওঁ এদিন টোপনিতে চকামকাকৈ সাৰ পাই, "মোৰ বস্তুবোৰ টাঁহিমুহি নিলে ঔ" বুলি চিঞৰি খলক লগাই দিলে। তেতিয়াই, এই বুলি ভাবুকিও দেখুৱালে বোলে, এই বাবে তেওঁ আমাক বিচাৰকৰ ঘৰলৈ চোঁচোঁৰাই হে এৰিব। মানুহজনৰ বলকনি শুনি আমাৰ সন্ত পুৰুষ ধৰ্ম্মযাজক জনৰ মনত খুন্দুৰনি লাগিল। কোনোবা চাকৰেহে যেন এনেকৈ উৎপাত লগাইছে, এনে ভাবি তেওঁও আকৌ, "মাৰিলে ঔ, মাৰিলে ঔ, ইহঁতক ধৰহঁক ঔ, সোৱা দা টোকোন লৈ জাঙুৰ খাই আহিছে ঔ" বুলি হাৰ্য়ে-বিৰ্য়েখন লগাই দিলে।

নাক ঘোৰঘোৰাই শুব পৰা মানুহৰো যে মনৰ বিকাৰ ঘটিব পাৰে তাক আমাৰ টোপনি-গধুৰা বৈদ্যৰাজ জনে বুজিবই নোৱাৰিছিল। চিঞৰ বাখৰখন শুনি ধৰ্ম্মযাজক জনে আপোনাক চম্ভালি থাকিবলৈ সাজু হৈ ওলাইছিলেই। পিছে আমি তেওঁক বৈদ্যৰাজৰ ভ্ৰমটো দেখুৱাই দিলোঁ। তেতিয়া তেওঁ কলে, "সি বলিয়া হল বুলি যে মইও বলিয়া হলোঁ কেতিয়াও বিশ্বাস কৰিব নোৱাৰোঁ। কাৰণ, মই স্বচক্ষে দেখিছোঁ—মোৰ ছমোনা ধনৰ ভিতৰত

তিনি মোনা ধন ৰাতিটোতে কোনোবাই হাত-মাৰিলে।” পোন প্ৰথমতে, আমি তেওঁকো ইজনৰ দৰেই ভাবিছিলোঁ, কিন্তু পাছলৈ আমাৰ ধাৰণা লুটি খালে। তেহেলে, তেওঁৰ ধন হেৰোৱাটো সঁচাই হওক বা মিছাই হওক, তেওঁ কিন্তু তাৰ বিচাৰ হব লাগে বুলি কোৱা কথাষাৰত হে খামোচ মাৰি ধৰি আছিল। আমি পিছে, লৰালৰিকৈ সেই ঠাইৰ পৰা উঠি যাব লগীয়া হোৱাত আৰু সেই ধৰ্ম্মযাজকক চাব-চিতিবলৈ কোনো নথকাত সেই অৱস্থাতে তেওঁক তাতে এৰি থৈ গলোঁহঁক। সেই হেতুকেই, তেওঁৰ কথালৈ আমি সমূলিকে মন-কাণ নিদিলোঁ।

তাৰ পিছত, আমাৰ বিলাই-বিপত্তি খণ্ডাবলৈ ক'ৰবাত জালোৱাই বা আন কোনোবা মানুহ পাওঁৰেই বা, এই বুলি পানী যুৰঁলিৰ কাষ চাপিলোঁ। পোনেই খঁৰামুৰীয়া কাছ এজনী দেখিলোঁ। তাৰ পিছতে, মাটিত শেৰ্পে টা খাই পৰি থকা মহৰ শ এটা পালেঁা। তাৰ মূৰটো পোকে লেউ-লেউ ; তাৰ ওপৰত আকৌ বৰ-মাখিয়ে ভোন ভোনাই আছে আৰু দাঁতিত “লিগেন” বোলা এবিধ জন্তু বগাই ফুৰিছে। সিহঁতৰ গাৰ দুৰ্গন্ধত আমি



গেলা শটোৰ ওচৰকে চাপিব নোৱাৰিলোঁ। কিন্তু, তাত থকা যিমানেই পলম হবলৈ ধৰিলে, সিমানেই আমাৰ ঘিণ-ঘাণ কমি আহিবলৈ ধৰিলে। ইফালে, ভোকৰ খচখচনিও চাৰ হৈ আহিল। তৎ নেপাই, নাক কোঁচাই নিয়া দুৰ্গন্ধলৈও কটাহি নকৰি সকলোৱে মহটোৰ হাড়-কামীহাড় পৰ্য্যন্ত চোবাই পেলালোঁহঁক।

সেই ঠাইৰপৰা এক ক্ৰোশমান ( দু মাইল ) আঁতৰত এখন নৈ পালোঁ গৈ। নৈখনৰ সিটো পাৰত আঠোটা হাবিয়াল মানুহ দেখিলোঁ। সিহঁতক প্ৰথমতে বঙালী মানুহ বুলিয়েই ভাবিছিলোঁ। নামি পেলাই নৈখন পাৰ হওঁ বুলিছিলোঁ, পিছে নামি চাওঁ দেখোন পানী দ। কিন্তু এঘণ্টামান বেলি বৈ থকাৰ মূৰত আমাৰ মনত খেলালে যেন ইফালে-সিফালে থকা ঘাটৰ পানী বামো হব পাৰে। সচাঁসঁচিকৈয়ে বামেই হয়। উজনিৰ ঘাটে নামি পাৰ হৈ গুচি গলোঁহঁক। পাৰ পাই, শুভ দিনৰ আগন্তুক হৈছে যেন ভাবি মনৰ অপাৰ আনন্দ অনুভৱ কৰিলোঁ। বামত ভৰি দিয়া মাত্ৰেই সেই জঙ্খলী মানুহ কেইটা আমাৰ ভৰিত কাওবাওকৈ

দীঘল দি পৰিল আৰু ঠৰ লাগি শূন্যলৈ চাই মুখৰ ভিতৰতে কিবা এসোপা ভোটভোটালেহি। সিহঁতৰ গাত যে একো জগৰ নাই আৰু আমি যে সিহঁতক একো উপদ্ৰৱ কৰিব নেলাগে তাকে বোধ কৰোঁ সিহঁতে আমাক মনে-মনে খাটিছিলহি। জুমটোৰ লেখত এই কেইটা আছিল—মতা চাৰিটা, মাইকী দুজনী আৰু দুটা লৰাইনে ছোৱালীয়েই দুজনী। পোনতে সেই জঙ্গলী মানুহ আঠোটাক দুখে বেজাৰে জৰ্জ্জৰিত কৰি পেলোৱা যেন লাগিছিল, কিন্তু পাছত, ওচৰতে বন্ধা নাও এখন দেখি বুজিলোঁ সিহঁত যেন কাৰোবাৰ বন্দী আছিল, গিৰিহঁতৰ কঠুৱা ব্যৱহাৰৰপৰা অলপতে হাত সাৰি আহিছে।

সেইবোৰ মানুহৰপৰা আমাৰ একো উপকাৰ নহয় যেন দেখি সিহঁতক তাতে এৰি নৈ পাৰ হৈ সেই কাছ জনী বিচাৰি গলোঁ। কাছ পাই, তাইক চলঙ্গে সৈতে খৰিকাত দি, মঙ্গহখিনি ডেৰকুৰি ভাগ কৰি, ডেৰকুৰি মানুহে আকলুৱাই খোৱাৰ দৰে (ভাগত ফেৰি ফেৰিকৈ পৰিছিল যদিও) খালোঁহঁক। কিন্তু, তাৰে আমাৰ পেটৰ চাৰি চুকৰ এচুকো নভৰিল। আগেয়ে জাহাজৰপৰা অবাবতে খোৱা



বস্তুবোৰ পেলাই দিয়া বাবেহে আমাৰ এনে দশা হৈছে বুলি ইটোৱে সিটোৱে-কোৱাকুই কৰিবলৈ ধৰিলে আৰু তাৰ বাবে সকলোৱে অনুতাপ পৰিতাপ কৰি নিমাত হৈ ঈশ্বৰক আৰাধনা কৰিবলৈ লাগিল। আৰাধনাৰ অন্ত হলত জিৰাবলৈ গলোঁ।

পিছদিনা ৰাতিপুৱা যাত্ৰা কৰাৰ আগতে অধ্যক্ষই জাহাজৰ পৰা অনা ছপোৰামান গধুৰ পনীৰ এডোখৰ কাটি-কাটি আমাক গাইপতি বিলাই দিলে। তাৰ পিছত, বৈদ্যৰাজৰ আদেশমতে একো বাটি আদ-লুণীয়া পানীও দিলে। তাকে খালত, আমাৰ মনটো ভাল লাগিল।

পাঁচ নে ছঘণ্টাৰ পিছত, এনেকুৱা এডোখৰ ঠাইত ওলালোঁগৈ, যি ডোখৰ দেখোঁতে আগীয়াঠুটি যেন লাগিছিল। কিন্তু স্বৰূপতে সি আঠীয়াঠুটি নহয়, বালিটুপ হে—পাৰৰপৰা পাঁচ মাইল নিলগত গোট বান্ধি আছে। পদে-পদে, এনেকৈ আশাৰ বিপৰীত অৱস্থাত পৰা বাবে আমাৰ মন বিষাদে ছাটি পেলাবলৈ ধৰিলে। সেই হেন টকলা মৰুভূমিত খাবলৈ নেপাই মৰিম বুলি মৰণকে ধিয়াই আছিলোঁ। চকুৰ আগত কেৱল পাতেৰেই

জোপোহা হৈ থকা গুটিনলগা (মতা) কিছুমান সেউজীয়া আৰু কিছুমান শুকান গছ হে দেখিবলৈ পাইছিলোঁ। ইয়াতকৈ আৰু তিতালগোৱা দৃশ্য কি হব পাৰে? তথাপি তাকে চাই মন তাপৰি থাকিব লগীয়া হল।

অৱশেষত, আটাইবোৰে মছাপিটা কৰি পোনৰ ৰাতিটো খপা ঠাইলৈকে উভতি যাবলৈ ঠিৰাং কৰিলোঁহঁক। এই কথামতে, আমি গৈ আছোঁ, এনেতে সেই "লিগেন"লৈ মনত পৰি পূৰ্ব্বে কাছখোৱা ঠাই ডোখৰত ৰলোঁগৈ। ভাবিযোৱা মতেই "লিগেন"বোৰ দেখা পালোঁগৈ আৰু দুটামানক দা-কটাৰ দি সেইবোৰ মাৰিবলৈ পঠিয়ালোঁ—আমিও জুমিজামি চাই সিহঁতৰ পাছে পাছে গলোঁ। অলপ বেলিৰ মূৰতে, মানুহ দুটাই "লিগেন" এটা মাৰি আমাৰ গন্তব্য ঠাইলৈ লৈ আহিল। তাতে আমাৰ অধ্যক্ষজন আকৌ হেৰাল। হয় হে তেওঁক ৰিঙিয়াই-ৰিঙিয়াই বিচাৰিলোঁহঁক, কতো লগ নেপালোঁ, অইন ছাৰি মাত এষাৰো নুশুনিলোঁ।

সেই বালিটুপত থকা দিন কেইটা সুস্থিৰে



নিয়াবৰ নিমিত্তে এডোখৰ সুচল ঠাই বিচাৰিবলৈ ধৰিলোঁ। সাগৰৰ ঢৌৱে ঢুকি নোপোৱা অথচ কাষে-কাষে গৈ থকা কোনো জাহাজ বা নাৱে আমাক দেখিলে তুলি লৈ যাব পৰা হাবিৰ আঁতৰত ধুৰা পাতি সেই আমনি লগা ঠাইৰপৰা কেনেকৈ যাব পাৰোঁ আৰু কেনেকৈ এখন জাহাজ বা নাও পাওঁ তাৰ কথাকে ভাবিগুণি থাকিলোঁ।

শুকান খৰি কিছুমান গোটাই, জুই লগাই গোটে-গোটে "লিগেনটো" পুৰি পেলালোঁ। পুৰিলত যেতিয়া ছালখন কোমল হল, তেতিয়া ছাল বখলিয়াই মঙ্গহখিনি আমাৰ ভিতৰত যিমান মানুহ আছিল সিমানলৈকে সমান ভাগ কৰি পেলালোঁ। গাইপতি পোৱা ভাগটো জুতিবুদ্ধি লগাই খালোঁহঁক। কিন্তু যিবোৰৰ হুঁতাহ লাগি আছিল সিহঁতে আৰু অইনবোৰেও পুনৰ জুইত সেকি, আঁতাই-পিটাই লওঁতে জানোচা সেই এধানমান মঙ্গহকণ শুকাই যায় এই আশঙ্কা কৰি যেনেদৰে ভাগত পাইছিল, তেনেদৰেই উদৰস্থ কৰিলে। ভাগত এধানমানকৈ নপৰিবলৈ জন্তুটো নো কিমানটো?—নামনাচ মেকুৰী এটাৰ সমান।

তাৰ মঙ্গহখিনিৰ ভেকেটা-ভেকেট গোন্ধ ওলাইছিল যদিও, আমি ক্ষুধাগ্ৰস্তই পাই তপালি-তপালি খালোঁহঁক। সেই দৰেই লোণা পানীখিনিও হেঁপাহ পলুৱাই খালোঁ। আধাঘণ্টামান সময় উকলি যোৱাৰ পিছত আমি বাইবেল ( আমাৰ হাতত দুখন আছিল ) পুথি মেলি ললোঁ। ঘোষা ধৰিলে নামলগোৱাই। এই প্ৰকাৰে তুতিপ্ৰাৰ্থনা কৰি পাল পাতি পাতি আমি আটাইবোৰে জুইকুৱাৰ চাৰিউকাষে শুবলৈ ললোঁহঁক।

---

## দ্বিতীয় অধ্যায়

### *সাপ খাব লগীয়া অথন্তৰ*

পিছ দিনা পুৱা শুই উঠিয়েই কৰুণাময়ে এই বিপদৰপৰা উত্ৰাণ কৰক বুলি তুতি-মিনতি কৰি আমি সকলোটি দিহাদিহি ওলাই গলোঁহঁক। আমাৰ ধন্বন্তৰি গৰাকীয়ে দুখোজমান গৈয়েই এজোপা গছৰ পাত তিতানে মিঠা চোবাই চালে। তেওঁৰ পৰীক্ষাত গছজোপাৰ পাতবোৰ খাবলৈ ভাল বুলি বিবেচিত হোৱাত তেওঁৰে পদাঙ্ক অনুসৰণ কৰি আমিও জয়জয়তে পাতবোৰ চোবাবলৈ ধৰিলোঁ। আমাৰ মুখত যেতিয়া ভাল লাগিবলৈ ধৰিলে, মোকোৰা-মোকোৰে মুখত সুমাবলৈহে লাগিলোঁ। বাস্তবিকতে, সেইবোৰ খাই আমাৰ মুখত এনে ভাল লাগিছিল যে তাৰ পাছলৈ আৰু ৰুটি খাবলৈ এৰিয়েই পেলালোঁহঁক।

তাৰ পিটনিবোৰত চৰিফুৰা গাহৰি-পহু আৰু

বনৰীয়া মহবোৰে দয়া কৰি আমাক ধৰা দিয়া হলে (কাৰণ, আমাৰ হাতত হিলৈ নাছিল) সিহঁতকে আমাৰ খাদ্য কৰি আমাৰ মুখত ভাল লগা সেই পাতবোৰ অইনলৈ এৰি থৈ আহিব পাৰিলোঁ-হেতেন। কিন্তু, আমাক দেখা মাত্ৰকে সেই জন্তুবোৰ ফিৰিঙ্গটি ভগা দি ভাগিল। ভয়তে এদিন পাৰে-পাৰে ফুৰি থাকোঁতেই গোম সাপ এজোৰ দেখি চক খাই উঠিছিলোঁ। সিহঁতৰ গুৰিৰ পৰা উফৰি পৰাৰ পিছতেই ভাবিলোঁ—ইহঁতক মাৰিব পাৰিলে আমাৰ দেখোন ভালকৈয়ে এসাজ হয়। এই বুলি হাতেপতি একোডাল মাৰি লৈ আমি আটাইবোৰ শাৰী-শাৰী হৈ সাপজোৰ ঘেৰি পেলালোঁ আৰু ততালিকে সিহঁতক "পৰাজয়ো" কৰিলোঁ। তাৰ পিছত, সাপৰ মূৰ আৰু নেগুৰ চুডাল কাটি দলিয়াই পেলালোঁ আৰু গাটোহঁত চেলাই-বখলিয়াই গাইপতি সমানে ভগাই লৈ খাই পেলালোঁ। সাপৰ মঙ্গহ যদিও, সি আমাক একো অপকাৰ নকৰিলে।

এসাজি খাই ইসাজিলৈ মহা চিন্তাত পৰি আমি দুটামানে একোটা জুম বান্ধি আহাৰ বিচাৰি দিশে-দিশে ওলাই গলোহঁক কিন্তু কেউফালৰ অন্বেষণ বৃথা হল। গতিকে, বাধ্য হৈ আকৌ পাতত ধৰিব লগীয়া হল। কিন্তু, পাতত হলে সাৰপদাৰ্থ বুলিবলৈ একো নাছিল। মোৰ বন্ধু আৰু মই দুয়ো সাগৰৰ-ঢৌৱে কোবাই পাৰলৈ কিবা পেলাই দিছে বুলি পানী ডঁৰিয়লিৰ কাষে-কাষে পাৰৰ পিনে চাই গলোঁ। কিন্তু, সেইফালেও আমালৈ টেকেলি কাতি। এদিন আঁত শুকোৱা ভোকত তৎ নেপাই আটাই-বোৰে ধৰাধৰিকৈ চকুপানী টুকিছোঁ, এনেতে আমাৰে এজনে পাতেছোতে কেই ফুলামান উৰহী লৈ অহা দেখি মনটো অলপ শাঁত লাগিল। এই উৰহী খাই আমি ইমান ভালে পালোঁ যে তাৰ আগেয়ে যেন তেনে সোৱাদ বস্তু আমি খোৱাই নাছিলোঁ। অধিক কি, উৰহী খাই ধঁপাত হঁপিবলৈ এৰি দি মনৰ হেঁপাহেৰে উৰহী পাতকে 'পাইপত ভৰাই' হুঁপিবলৈ ধৰিলোঁ আৰু হৰিক চিন্তি ইটে-সিটে জিৰাব লাগে বুলি অলপ কোৱাকুই কৰিলোঁ। কিন্তু, এই আহাৰৰপৰা পোৱা সন্তোষটো এঘণ্টাতকৈ সৰহ পৰ স্থায়ী নহল। কাৰণ, ইয়াক খায়েই আমি যে মৰিব লাগিব এই কথাটো আমাৰ মনত বৰকৈ লাগিল। উশাহ-ফুটনি হৈ আমি মৰোঁ-মৰোঁ যেন

হলোঁ। তিনি ঘণ্টামান হে টানি-টানি উশাহ পিছত লোৱাৰ দেখোন ভাললৈ আহিল। আগৰ দৰেই উশাহ-নিশাহ লব পৰা হলোঁ আৰু লৰিব চৰিবও পাৰিলোঁ। কিন্তু তেতিয়াৰপৰা সেই পাতবোৰ খোৱাৰ কাৰণেই নে কি, কব নোৱাৰোঁ, আমাৰ গাত সমূলিকে বলশক্তি নোহোৱা হল; অইন কি জুই ধৰিবলৈ খেৰকুটা এডাল গোটাই আনিবলৈও শক্তি নোহোৱা হল। এই ঘটনাৰ পাছত, জাকে-জাকে সেই বিধ সৰিসৃপকে পাইছিলোঁ যদিও আগৰ কথা সুঁৱৰি আমি চকু দিবলৈ ইচ্ছা নগল। বৰং, তাৰ সলনি ঘাহকে চোবাই থকা ভাল বুলি তাৰ কথা আৰু ভাবিবলৈকে নহল। মোৰ পক্ষে ঘাঁহটো ৰুচিকৰ নহৈছিল। ভোকত চেপেটা লাগি থকা বাবেই আমি দিনে দিনে দুৰ্ব্বল হৈ আহিলোঁহঁক। তাৰপৰা সতকাই ওলাই যোৱাৰো আশা নেদেখিলোঁ। সাতে সোতৰে থিৰ কৰিলোঁগৈ যে সকলোটি গোট খাই ভূৰ এখন সাজোঁ আৰু সেই ভূৰতে উঠি উটি যাওঁহঁক। বামৰ ধাৰে-ধাৰে অসংখ্য, কাঠ পৰি আছিল। তাৰ বাকলিৰ আঁহ একুৱাই তাৰে কাঠ দুডোখৰমান জুঁটি ভূৰ



এখন সাজিলোঁ। কিন্তু ভূৰখনত পাঁচোটাতকৈ বেছি মানুহ নধৰে। এতিয়া আটাইবোৰ সেই পাঁচোটাৰ লগতে জাপ যাবলৈ যায়। সি যি হওক, তাতে এই বন্দৱস্ত হল যে যেয়ে আগেয়ে ভূৰত উঠিব সেয়ে সিপাৰৰ পৰা খোৱা বস্তু বিচাৰি আনি বাকীবোৰক খুৱাবহি লাগিব। তেনে কৰাৰপৰা সিহঁতৰ এইটোৰেই সুবিধা হল যে ঘূৰি আহি বাকীবোৰক পঠায়হি মানেই প্ৰথমতে সিহঁতৰ নিজৰ নিজৰ পেটটোহঁত তুষ্ট হৈ আহিব।

এতিয়া ভূৰত আগেয়ে কোন উঠিব তাৰ মীমাংসা কৰাৰ ভাৰ পৰিল আমাৰ অধ্যক্ষজনৰ গাত। তেওঁ যাকে বাছি দিবলৈ ভাল পালে তাকে পঠিয়াই কলে বোলে সিহঁত যেন ঘূৰি আমাৰ ওচৰলৈকে আহে আৰু সম্প্ৰতি বালি-টুমনিটোৰ কাষে-কাষে ভূৰ বাইয়েই যাওক। যদিহে বাটত কেনেবাকৈ জোৱাৰে পায়, তালৈও বৰ ভয় কৰিব নালাগে। কাৰণ, সেই জোৱাৰে বৰ বেছি দূৰলৈ নিয়ে যদি ৬।৭ মাইলমান দূৰৈলৈহে নিব পাৰে। নিলেও, সিমানত সিহঁতে ঠটা মাটিহে পাবগৈ। এতেকে, ভয় কৰিব লগীয়া একো কাৰণ নাই। এইবোৰ উপদেশৰ

বাহিৰেও সিহঁতক ভূৰ চলাবৰ নিমিত্তে এজোৰ 'কম্পাছ' দিলে আৰু ল:ঘানে যাতে থাকিব লগীয়া নহয় তাৰ নিমিত্তে কিছুমান গছ পাত দিলে। এইবোৰ খোৰা আৰু অন্যান্য সমল লৈ, "পৰমিশ্বৰে" ভালেকুশলে ৰাখিলে আমাক আকৌ ঘূৰাই নিবহি বুলি শপতশাঁতি খাই সেই টুমনিত উপস্থিত হোৱাৰ তেৰ দিনৰ দিনা সিহঁতে আমাৰ পৰা আশীৰ্ব্বাদ লৈ ভূৰ এৰি দিলে। জোৱাৰ ভেটা আহিলে ভূৰখন বান্ধিবলৈ লঙ্গৰ বা ফই একোটো নাছিল। তথাপি বুকুত সাহ বান্ধি আমাৰ আশীৰ্ব্বাদৰ ওপৰতে নিৰ্ভৰ কৰি সিহঁত ওলাই গল।

সিহঁত যোৱাৰ পিছতেই আমিও হাবিত সোমালোঁগৈ। সোমাই তাত ক'তো খাব লগীয়া বস্তু একোকে নেপালোঁ। আকৌ গছৰ পাতকে খাব লগীয়া হল। কিন্তু, সিও ইমান তিতা যে সেই তিতা নমৰাকৈ তাক মুখত দিবৰ সাধ্য নহল। শেষত লঘোনেই থাকিব লগীয়া হলগৈ। আগেয়ে সাপৰ মঙ্গহ খাইও একো অপকাৰ নোহোৱা দেখি ভোকে তিতাকেহা লগালত ভাবিলোঁ—মানুহৰ মঙ্গহ খালেও আমাক একো অপকাৰ নকৰিব হবলা?



এইবুলি, আমি মৰিল বুলি ভবা আমাৰ নাম-লগাওঁতা (প্ৰাৰ্থনাৰ নাম লগাই দিওঁতা) জনৰ মঙ্গহকে খাবলৈ মন কৰিলোঁ, কিন্তু তেওঁৰ শটো বিচাৰিয়েই উলিয়াব পৰা নহল।

---

## মানুহৰ মঙ্গহ খাবলগীয়া অৱস্থা

পাততকৈ অপল গধুৰ বস্তু খোৱাৰ ইচ্ছাটো ইমান প্ৰৱল হৈ উঠিছিল যে আমাৰ লগত থকা লৰা এটাকে মাৰি পেলাওঁ বুলি ভাবিছিলোঁ। পিছত বিধিৰ বিধান ওলোটা হল। গতিকে,—সেই প্ৰস্তাব কামত খটুৱাবলৈ নহল। সঁচতে মচ খাই গল। মানুহৰ মঙ্গহ খাই ন-তা পাবলৈ হোৱা হলে, আমাৰ ভিতৰত এটাইবোৰেই মঙ্গহ খাবলৈ হেতাওপৰা লগালেহেতেন আৰু কটাকটি-মৰামৰি কৰি নিজেই নিজৰ ধ্বংসৰ বাট মুকলি কৰি ললেহেতেন। সেই প্ৰস্তাবমতে কাম নহল যদিও, তেতিয়াৰপৰা আমাৰ ভিতৰৰ কোনেও কাকো বিশ্বাস নকৰা হল। পদে-পদে ইটোৱে-সিটোক মাৰে যেন দেখিবলৈ ধৰিলে। অইন কি,

অলপ জিৰাওঁতেও জিৰোৱাটোৱে ভাবে তাৰ আৰু এই সময়তে দেহা পেলাবৰৰ কাল পালেহি।

ৰাতিলৈ বুজ পালোঁ বোলে, ৰাতিপুৱাই ভূৰেবে যোৱা মানুহ কেইটাই বালি চাপৰিৰ মূৰত বামেদি যোৱা আমাৰ লগৰীয়া দুটাৰ লগ ধৰিলেগৈ। নাৱত তুলি লবলৈ বামৰ মানুহ কেইটাই ইমান কাবৌ কৰিছিল যে ভূৰত থকা কেইটাই নতুন কাঠ বান্ধি সিহঁতক নুতুলি নোৱাৰিলে।

এনে সময়তে, আমাৰ লগৰীয়া এটাই উধাতু খাই আহি সম্বাদ দিলেহি বোলে সি বিয়াগোম সাপ এটা দেখি আহিছে। অকলে তাক মাৰিবলৈ সি সাহ কৰিব নোৱাৰিলে, কিন্তু আটাইবোৰ লগ লাগি সেই কাম কৰিবলৈ নিচেই উজু হব। কথা শুণা মাত্ৰকে হাতে পতি একো ডাল টোকোন লৈ আমি সাপ মাৰিবলৈ ওলালোঁ। বাটতে আকৌ ‘লিগেন’ এটা গছৰপৰা থপৰ কৰে পৰা পাই তাকো মাৰি পাতেৰে সৈতে খামহঁক বুলি বাটৰ দাঁতিতে জোপা এটাৰ আঁৰত লুকুৱাই থৈ গলোঁ। সাপ ওলোৱা ঠাই পাই চাওঁগৈ দেখোন—সাপ নাই। মিছাকৈয়ে মাথোন দুখখন খোৱা হল। বিচাৰি চ’লাথ কৰাতো



পোৱা নগল। এই দুখৰ পোটক তোলোঁ বুলি আমাৰ গিৰ্জ্জা ঘৰৰ সেই নাম-লগোৱা বা থানঘৰীয়া-জনৰ মৰা-শটো বিচাৰি উলিয়ালোঁ। তাক বিচাৰোঁতেও সাপ বিচৰাৰ দৰেই বৰ আগ্ৰহেৰে বিচাৰিছিলোঁ। কিন্তু তাতো আমাৰ যত্ন বিফলে গ’ল। কেউপিনে হতাশ হৈ শেহত লিগেন্‌টোকে তাকৰতুকৰকৈ ভগাই পাত এসোপাৰে সৈতে খাই ৰাতিটো শুই থাকিলোঁ। ইয়াৰ পিছত, আৰু আমাৰ আহাৰ নাই। ভোকে-পিয়াহে টেঙ্গামূৰীয়া দিছে, এনেতে ক’ৰবাৰপৰা আমাৰ বাঢ়ৈজনে তেওঁৰ টুপীটোতে (দেখোন) ভৰাই এগাল কুমজেলুকা লৈ আহিছে। এই অকণ-অকণ পোক-বোৰৰ না-দাৰ, না-চোকোৰা, একোৱেই নাই। সেইদেখি, তাক কুমজেলুকাকে বুলি থলোঁ। পোকৰ নাও আৰু আঁতিগুৰি বিচাৰি অবাবত সময় খৰচ নকৰি সেই পোকবোৰ য’ৰপৰা আনিছিল তাৰপৰা তেওঁ এৰি থৈ অহা বাকী পোকবোৰ আনিবলৈ ওলালেঁ। সেইবোৰ লৈ আহি মাটিত পেলাই দিলত, তাৰপৰা নীলা বোল ওলাবলৈ ধৰিলে। বোল দেখি, বহুতৰ মনত বিষাক্ত যেন

বোধ হ'ল। কিন্তু সৰহ ভাগেই এনে ভাৱে তৰ্ক কৰিবলৈ ধৰিলে বোলে—"বহুত জন্তু দেখাত পোনতে বিষাক্ত যেন লাগে হয়, আচলতে, পিছে, তেনে নহয়। সাপবোৰলৈকে নো নেচায় কেলৈ? সাপ বুলিলে তাৰ বিষৰ ভয়ত মানুহ কোঁচ-মোচ খাই যায়, তেনে সাপকো আমি খাই জীণ নিয়ালোঁ, অপকাৰে দেখোন ছুবই নোৱাৰিলে! আৰু এটা কথা, পোকবোৰৰ গাত যদি বিষেই আছে, তাকো আমি জুইত সেকি বা খৰিকা-দি নাইবা, সিজাই-পকাই গুচাই পেলাব পাৰোঁ দেখোন।

সৰহভাগৰ কথামতেই আমি বৰ ডাঙৰকৈ জুই একুৰা ধৰি, তাৰ আঙ্গঠাবোৰত মঙ্গহখিনি পেলাই দিলোঁ। পুৰিলত, উলিয়াই আনি খাই চালোঁ, কোমল—তেনেই তুলাতুল। দবনিকৈ জীয়াভূতে খোৱাদি কুন্দি-খুন্দি খালোঁ আৰু লুণীয়া পানী ছুটোকামানেৰে ভোজন সমাপ্ত কৰি শুবলৈ গলোঁ। শোৱাৰ এঘণ্টা কি ছুঘণ্টাৰ পাছত বাঢ়ৈজনৰ গাটো অলপ বেয়া লাগিবলৈ ধৰিলে, ভালেমান পৰ গা-মুৰি দি চালে, তথাপি ভাল নেপালে। তাৰ পিছত, তেওঁৰ মূৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে। মানুহ-



জনৰ এই অৱস্থা দেখি আমাৰো সেই দশাই হ'ব বুলি আশঙ্কা হ'ল আৰু আটাইবোৰ গোট খাই বিহ মৰা দৰব কি কি আছে বা হ'ব পাৰে তাৰ বিষয়ে ভবা-গুণা কৰিবলৈ ধৰিলোঁ। কিন্তু, ভবা চিন্তাৰ একো ফল নহল। যি হয় হ'ব বুলি, সেই ফাললৈ পিঠি দি নৰিয়া জনৰ প্ৰতিপাল কৰিবলৈ ধৰিলোঁ।

ঠিক আধাঘণ্টামানৰ পিছতে বাঢ়ৈ জনৰ দৰে আমাৰো গাটোহঁত বাঁইজাই লাগিবলৈ ধৰিলে। আৰু পেটটোহঁতও পকাবলৈ ধৰিলে—খামোচটোহঁতো ছুঘণ্টামান আছিল। তাৰ পিচত উশাহো ঘন হৈ আহিল। ভাবিলোঁ—এইবাৰ আৰু আমাৰ নিস্তাৰ নাই। ভাগ্যে, আমাৰ পেটৰ কামোৰণি শাম কাটিবলৈ ধৰিলে আৰু গাবোৰো অলপ পাতল পালোঁহঁক, কিন্তু বলশক্তি হলে নেপালোঁ। পিছলৈ, ভোকে আকৌ আগৰ দৰে পীড়িবলৈ ধৰাত মুখলৈ মোকোৰামোকোৰে গছৰ পাত সুমুৱাবলৈ ধৰিলোঁ। পাতবোৰ খোৱাৰ পিছতে, পেটে আঙ্গোৰ-পাঙ্গোৰ কৰিবলৈ ধৰিলে। এই বুলি জনা হলে, আমি কেতিয়াও তাক বাছি নললোঁহেতেন।

সি যিহওক পাতবোৰ চোবাই এঁটাই ঈশ্বৰক চিন্তি সেই দিনালৈ জিবণি ললোঁ।

দিন গৈ আছেপতি, আমাৰ দুখ-দুৰ্গতিও বাঢ়ি গৈছে, বলশক্তিও কমি গৈছে। অৱশেষত, সকলোৱে নিস্তাৰৰ উপায় আলচ কৰি ইয়াকে ঠিক কৰিলোঁগৈহঁক যে আমি এনে কিবা এটা কৌশল উলিয়াব লাগিব যিৰদ্বাৰাই আমি সকলোটি সিপাৰ হব পাৰোঁ। তাকে কৰিব নোৱাৰিলে আমাৰ বিনাশ অৱশ্যম্ভাৰী। আমাৰ লগৰীয়া কেইজন ঘূৰি নহাত এই উপায় অতি সোনকালে কৰিব লগীয়া হ'ল। আমাৰ যিবিলাকে সিহঁতৰ উভতি-অহালৈ বৈ আছিল সিবিলাকেও ঠাৱৰালে যে সিহঁতক ক'ৰবাত ধুমুহা-বতাহে পালে; নতুবা সোঁতে সিহঁতক ইমান আঁতৰলৈ লৈ গল গৈ চাগৈ যে খোৱা-বস্তু টুকাই থাকিলত খাবলৈ নেপায়েই মৰি থাকিল।

এই আনুমানিক সিদ্ধান্তটোতে সকলোৱে সম্মতি প্ৰকাশ কৰিলত, ততালিকে এখন নাও সাজিবলৈ ঠিক কৰা হল। কিন্তু নাও নো সাজোঁ কেনেকৈ? আমাৰ গাত যে বলশক্তি বুলিবলৈ



ধনিষ্টা মানো নাই! সেই গুণে, ঘপৰাই সেই কাম হাতত নলৈ তেতিয়া সেই কাম কৰিবলৈ আগ নেবাঢ়িলোঁ।

সকলোৱে মতামত দিয়াৰ পাছত, অধ্যক্ষজনে একুৰা জুই দেখুৱাই ক'লে বোলে, ৰাতিৰ জুইত বিশ্বাস নাই (ৰাতিৰ পৰ্ব্বত দিনৰ জুই, তাক নেখেদি থাকিবঁা শুই)। ৮।১০ মাইলমান আঁতৰত দেখা গৈছে যদিও, সেই জুই নিশ্চয় বামতেই জলিছে। ইয়াকে ঠিৰাং কৰি, আমিও বহুত শুকান কাঠ গোটাই আনি সিকুৰা জুইৰ কাষত থকা মানুহে দেখক বুলি দমদমীয়াকৈ জুই একুৰা জলাই দিলোঁ। একেৰাহে চাৰিদিনকৈ জুই জলাই থকাতো ভবাকথা সিদ্ধি নহল আৰু ইপিনে ভাগৰ লাগি আমাৰ আশা-উৎসাহো হ্ৰাস হৈ আহিল। অধ্যক্ষজনৰ গাৰিটো শকত হোৱাত আৰু সহজেই কোনো কামত ভাগৰ নলগাত আমাকো তেওঁৰ দৰেই ভাবি, আমাৰ দুখলৈ আওকাণ কৰি তেওঁ আমাক দুনাই-দুনাই কাঠ আনি গোটাবলৈ কলে। আমাৰ মুখ শুকাই যোৱা দেখি, তেনেকুৱা ঘটনাত তেনে নেৰানেপেৰাকৈ লাগি থাকিলে হে আমাৰ উদ্ধাৰ হ'ব বুলি কৈ

আমাক উটঙাবলৈ ধৰিলে। আমিও, উপায় নেপাই মৰিও মৰসাহ দি কাঠ আনি জুইত দিবলৈ ধৰিলোঁ। কিন্তু শেষত, ইমান ভাগৰিলোঁপৈ যে আমি আৰু উদ্ধাৰৰ আশা পৰিত্যাগ কৰিলোঁ।

তেতিয়াৰপৰা আমাৰ মাজত হুমুনিয়াহ কঢ়া আৰম্ভ হল। আমাক মূৰফুৰণিয়ে ধৰিলে—বহুতেই আনৰ গাত ভিৰ দিহে উঠিবকে পাৰিছিল। মোৰ বন্ধুজনৰো এনে দুৰ্দ্দশা হলগৈ যে তেওঁ লৰাচৰা দূৰৈৰ কথা, মূৰকে দাঙিব নোৱৰা হল। তেওঁক মই বৰ ভাল পাইছিলোঁ, সেই দেখি তেওঁৰ যাতনাত মইও মৰ্ম্মান্তিক দুখ পালোঁ। তেওঁৰ ওচৰতে বহি, তেওঁ অলপ সকাহ পালেই ভাল হব-ভাল হব বুলি প্ৰবোধ দি থাকোঁ। মোৰ শান্ত্বনাই তেওঁক বহুত ভাললৈ আনিলে বুলি পাছত এদিনাখণ তেওঁ মোক কৈছিল।

---

## ভেকুলী ভক্ষণ

এইদৰে কথাবতৰা পাতি থকাৰ পিছত, এদিন দুঘণ্টামান আমাৰ দুৰ্গতিৰ বিষয়ে লেথেৰিনিছিগা কথা পাতি আছোঁ এনেতে তেওঁ ঘপ্ কৰে উঠি



মোক কলে বোলে, তেওঁ য'ত আশা কৰিছে ত'লৈ তেওঁ যাবই যাব আৰু শুদা হাতে কেতিয়াও ঘূৰি নাহে। তেওঁৰ কথা মিছা নহ'ল। তেওঁ গৈয়েই বৰ-ভেকোলা এজনী পাই লৈ আহিল আৰু তাকে আমাক কাক্ৰীয়ে দিয়া টেকেলিটোত সিজাই পেলালে। ভালকৈ সিজিলত, মঙ্গহখিনি চিকুণাই মোক খাবলৈ মাতিলে। আগেয়ে উৰহী খাই আমুৰাই থকাত বৰ-ভেকোলাৰ মঙ্গহ খাবলৈ মন নগৈছিল। তথাপি, বন্ধুৰ স্নেহত পৰি ভাগ লব লগীয়া হ'ল আৰু পাত এসোপাৰে খালোঁও। তাক খাই তাৰপৰা অপকাৰ হ'ব পাৰে বুলি এৰাতি বৰ ভয়ে-ভয়ে খপিলোঁও। কিন্তু সাপৰ মঙহৰ দৰে ইও একো অপকাৰ নকৰিলে। তাৰ পিছত, ভেকোলা পাম বুলি আশাও কৰিছিলোঁ।

পিছ দিনা পুৱা হঠাতে বাঢ়ৈৰ মগজুত সোমাল, আমি বোলে নামঘৰীয়াৰ মৰাশটো বিচাৰি যাব লাগে। এই বুলি কৈয়েই তেওঁ শটো বিচাৰি গোটেইখন পিতাপিত কৰিলে। বহুত পৰৰ মূৰত জোপা এটাৰ তলতে নামঘৰীয়াই পিন্ধা জোতাজোৰৰ ছালচটা পালেগৈ। তাকে পাই তেওঁ টুপীটোৰে

সৈতে মাৰ মাৰি, আমাক দাঙি দেখুৱাই আটাহ পাৰিবলৈ ধৰিলে, "লৰাহঁত! ভয় নাই। শটো আৰু পাওঁ-পাওঁ হৈছে। মই গম পাইছোঁ।" এই মাত শুনা মাত্ৰকেই আমি কেউটাই কুকুৰ নেচীয়া বাঘৰ দৰে ঢাপলি মেলিলোঁ, আৰু শ বিচাৰি গাটেইখন চ'লাথ কৰিলোঁ। কিন্তু দুই তিনি ঘণ্টামান সময় বিচৰাতো ক'তো তাৰ চিন-চক্ৰকে উলিয়াব নোৱাৰিলোঁ। অৱশেষত, দুখে-বেজাৰে উভতি আহিলোঁ।

আমাৰ আমনি আৰু দুৰ্দ্দশা ইমান বাঢ়িলগৈ যে শেহত আমাৰ ভিতৰতে খন্তেকতে দুৰ্ব্বাদল কাজিয়া লাগি মৰামৰি হোৱাৰ আশঙ্কা হ'ল। কিন্তু, দৈৱৰ চক্ৰত পৰি ঘটনাটো আৰু, সিমানলৈ নগ'ল। এদিন এনেকুৱা এখন কাজিয়া লাগিবলৈ ধৰোঁতেই বৈদ্যৰাজজন আহি ক'লেহি বোলে তেওঁ হেনো আগতকৈও ভাল গছৰ পাত এসোপা পাই আহিছে, সেইবোৰ নুৰাবান্ধি জুইত সেকি পাতত দিলে খাবলৈ বৰ ভাল লাগিব। তেওঁক আমি সেই পাত দেখুৱাই দিবলৈ কোৱাত তেওঁ ক'লে, "তোমালোকক দেখুৱাই দিব লাগিলে পাতৰ সঁচ আৰু কিবা থবাঁ



জানো? আমিও তেওঁৰ কথাত সিমান খটবান্ধ্ নকৰি ইয়াকে ঠিক কৰিলোঁ—তেওঁ বাৰু আমাক অমৰ্য্যাত কৰিছে, কৰক; আমি মনে-মনে নিজে-নিজেই চাই ফুৰোহঁকচোন। এই বুলি আমি গছৰ পাত বিচাৰি ওলালোঁ। কিন্তু ধন্বন্তৰিৰ টেঙৰালি ধৰা পেলাব নোৱাৰিলোঁ. অৰ্থাৎ আমি গছৰ পাত বিচাৰি নেপালোঁ।

---

## *আকৌ সাপ ভক্ষণ*

ইয়াৰ পিছত, সকলো শাম কাটিলত আমি যেনিয়ে পায় তেনিয়ে গুচি গলোঁহঁক। আমাৰ ভিতৰৰে চকুৱাল এজনে পিত্‌পিত্‌কৈ বিচাৰি দুটা সাপ পালগৈ; তাকে খালোঁহঁক। সাপ দুটাৰ নাড়ীভুঁৰুবোৰ নীলা আৰু দেখিবলৈ ইমান ঘিণলগা আছিল যে তাক খোৱাৰ কথা ভাবিলেই মূৰ আচন্দ্ৰাই কৰে। তথাপি, সি যিমানেই কি আঁকটা নাইবা বিকছিনা লগা নহওক, আমাৰ ভোকে কিন্তু নেমানিলে। এনেতে, আমাৰ লগৰে এজনে জুইত সেকি তাৰে এসোপা খায়েই পেলালে। সেই বুলি

“উঃ কটা, আমি হে ইয়াৰ ভাগ নেপালোঁ !” বুলি হুমুনিয়াহ কাঢ়িবলৈ ধৰিলে।

এওঁবিলাকৰ এজনে আমাৰ “সৌভাগ্যৰ” কথাটো বৰকৈ ভাবিবলৈ ধৰিলে। তেওঁ “লীগেনৰ” ছাল এডোখৰ সিজাই থাকোঁতেই সিজোৱা বস্তু জুইতে এৰি আমাৰ “ৰাগু” (আহাৰ) বিচাৰি গল। তেওঁ অলপ দূৰৈ গৈয়েই লগৰীয়া এজনৰ গাত সেই কামৰ ভাৰ দি, উলটি আহি, আমি অনাৰ পিছত তাত কিবা পৰি আছেনে নাই, নিজেই আকৌ চাবলৈ গ’ল। কিন্তু, শেনটো যোৱা দি গৈ ফেঁচাটো অহা দি উভতি আহিল। কাৰণ, আমি অনাৰ পিছত যিবা একণ অৱশিষ্ট আছিল তাকো আমাৰ পিছত অহা মানুহবোৰে লৈ গল। বৰকৈ মুখ মেলোতে কোৱাৰি ফটাৰ দৰে নিৰাশাই এনেকৈ আৰু এজনক বিবুধিত পেলাইছিল। এই জনৰেই তেওঁ বন্ধু। সেই বন্ধুৰ হাতত তেওঁ যি ফেৰা লীগেন-মঙ্গহ দি থৈ গৈছিল সেই মঙ্গহফেৰা তেওঁ নহা দেখি বন্ধুৱে মঙ্গহ জুইত পুৰি খাই পেলালে। তেওঁ আহি বন্ধুক ক’লৈ গ’ল বুলি সুধিলত, বন্ধুৱে মাত লগালে, “জুই আঙ্গনিয়ে পেটত থলে।” তেতিয়া আৰু বন্ধু-চন্ধু নাই। খং উঠি, দপদপাই দিলে বহুৰাই বন্ধুৰ পিঠিত থিয়কিল। চাবলৈ গ’লে, কথাৰ পাক একোৰ্টিয়েই নাই।

---



## লেধাই শামুক ভক্ষণ

আগেয়ে খোৱা পাতবোৰৰ লগত কিবা এটা নোলোৱাকৈ খালে সেইবোৰ জীণ নেযায়। সেই গুণে, আমি আকৌ হাবিৰ মাজত তাৰ লগত খাবলৈ ক’ৰবাত কিবা পাওঁনে বিচাৰি গলোঁ। মই যেনি অকলে গৈছিলোঁ সেই পিনেই পিটনি এডোখৰত ওলালোঁগৈ। মোৰ পিনে বৃহস্পতি পোনেই আছিলনে কি কব নোৱাৰোঁ, সেই পিটনিত গালে-গালে লেধাই শামুক দেখিলোঁ। তাৰে এগাল বুটলি লৈ টুপী, চোলাজেপ আৰু আস্তিনত ভৰাই ললোঁ। লগৰীয়াজনে মোৰ চোলাৰ গাত এনেকৈ খোৱা বস্তু ওলমি যোৱা দেখি সুধিলে, “সেইবোৰ নো ক’ত কি পালা হে ?” মই সেই তাতে পালোঁ বুলি কলোঁ। কোৱা মাত্ৰেই, এটাইবোৰ তালৈ লৰ ধৰিলে। মই

আৰু বন্ধুৱে ইপোনে সেই শামুকবোৰ জুইত দি হেঁপাহ পলুৱাই খাই সেই সাজৰ ভোক গুচাই পেলালোঁ। এইবোৰ আমাৰ হাতত আনোতে অইন খাবলৈ মনকে নগৈছিল। কিন্তু কি হব? তাৰে কথমপি দুসাজ হে গল।

পিছ দিনা, ৰাতিপুৱা আমি দুয়ো আকৌ এগাল আনিবলৈ গলোঁ। শামুক বিচাৰি ফুৰোঁতেই বেলি পৰা যেন দেখি আৰু বতৰটোও গোমাই অনা বাবে তুৰন্তে উলটি আহিলোঁ। সেইদেখি, জেপত ধৰে মানেহে আনিব পাৰিলোঁ। লগৰীয়াবোৰৰ ওচৰ পাওঁতেই অধ্যক্ষজনে আমিনো সেই খোলা বোৰেৰে কি কৰিমগৈ বুলি সুধিলে। তেওঁৰ মুখৰপৰা কথাষাৰ শুনি আচৰিত হৈ ভাবিলোঁ— অধ্যক্ষৰ মগজুৰ কিবা বিজুতি হল নে কি? আমাৰ মতিগতি নুবুজা বাবেই নে কি কব নোৱাৰোঁ, তেওঁ দেখোন আমাক "আহ, লৰাহঁত আহ, তহঁতলৈ বঢ়িয়া বস্তু এটি থৈছোঁ" বুলি মাতি লৈ গৈ এটা মাছ দেখুৱালে আৰু সেইটোকে আমাক খাবলৈ দি কলে, "মাছটো ক'ৰপৰা আনিছোঁ, তহঁতে নুসুধিবি।" মই ক'লোঁ, "ক'ৰপৰা আনিছে



আমাক কেলেই লাগিছে, আমি খাবলৈ পালেই হল।" মাছ পাই ভাবিলোঁ—হক্ তেও, আজি ইয়াৰে এসাজ ভালকৈ খাব পাৰিম। এই বুলি আমি ৰুটী কৰি খাবলৈ গছৰ পাত বিচাৰিলোঁ আৰু ডাঙৰ পাত কেইখিলা মানেৰে মাছকণ টোপোলা বান্ধি লৈ আহিলোঁ। তাকে মচমচীয়াকৈ খৰিকাত দি শুদাই-শুদায়ে খালোঁ। ভোক হলে, আঞ্জা-পিটিকা নোহোৱাকৈয়ে যে খাব পাৰি এই মাছ খাই হে আগলৈকে বুজিব পৰা হলোঁ। সেই মাছ ক'ত ক'ত আছে ধৰোঁগৈ বুলি লাহেকৈ অধ্যক্ষজনক সেই মাছ কেনেকৈ ধৰিব পাৰি (ক'ত ধৰিছিল বুলিলে হে জগৰ) বুলি সুধিলোঁ। তেওঁ ক'লে, "সাগৰৰ পাৰত ডেৰা গাত দি থলে, পানীৰ জোৱাৰ উঠিবৰ সময়ত মাছে তাতে খলি পোতেহি। জোৱাৰ গলে মুঠিয়ে-মুঠিয়ে ধৰি লৈ আহোঁ।" কথাষাৰ শুনি আমাৰ ৰঙতে পাৰ নাইকিয়া হল। ভাবিলোঁ,—এইটো বুদ্ধিমতে যদি এদিনমানো কৃতকাৰ্য্য হওঁ, আমাক আৰু পায় কোনে? আৰু আগলৈ অতীতত পাৰ হোৱাৰ দৰে বিপদ আঁতৰিব বুলি মনক প্ৰবোধ

দি থাকিলোঁ। আমি আৰু নকৰিবলৈ বাকী নথলোঁ। পাৰত কুৰিটামান গাত খানিলোঁ। কিন্তু কুৰিটাৰ ভিতৰত মাছ পৰিল মুঠেই এটা। ডেওনা ছেৰাই আশা নিৰাশাত পৰা বাবে আকৌ মহা চিন্তাত পৰিলোঁহঁক। তেওঁবিলাকৰ ওচৰলৈ যাবলৈকো বেয়া লাগিল।

যিকণ বস্তু পাইছিলোঁ সিয়েই আন বস্তু বিচাৰিবলৈ গাত অলপ বল দিলে। দুয়ো কেবা ঠাইতো ঘূৰিপকি ফুৰোত বৰ ভেকোলা এজনীৰ লগত আমাৰ সাক্ষাৎ হলগৈ। ভেকোলা দেখি আমাৰ মহা আনন্দ মিলিল। ভোকৰ মহৎ গুণ; ই তিতাক মিঠা কৰিব পাৰে, নেখাও বোলা বস্তু-টোকো খাবলৈ টপ্-টপ্ জিভাৰ পানী পেলোৱায়। ভেকোলা দেখা মাত্ৰকে ধৰি আনি পোনেই খোলাত হে দিলোঁহি। সিজিলত ৰং মনেৰে ভক্ষণ কৰি পেলালোঁ।

ইয়াৰ মঙ্গহ বৰ কোমল আছিল। আৰু খাইও বৰ ভাল লাগিছিল। কিন্তু, মঙ্গহৰ পৰিমাণ ইমান তাকৰ আছিল যে তাৰে আমাৰ হেঁপাহ পলাওক ছাৰি পেটটোৰ চাৰি চুকৰ এচুকো



নভৰিল; গতিকেই পেটৰ পোৰণি বাঢ়িল হে। খাই যাওঁতেই জীৰ্ণ গৈ পানী হল। ১৫ মিনিট মানৰ পাছত, আকৌ ভোক-আলষণী পালেহি। উপায় নেপাই, শুকান গছৰ ডালডুল কেতবোৰ ভাঙ্গি আনি অইন ঠাইলৈ গুচি যাওঁ বুলি এখন ভূৰ সাজিলোঁ। আমাৰ অভিপ্ৰায় শুনি, অধ্যক্ষ-জনে প্ৰথমতে আমাক হাক দি চাইছিল, পাছত কিন্তু মান্তি হলগৈ। ইতিপূৰ্ব্বে আমাৰ লগৰীয়া দুজনমানে এই দৰে যাত্ৰা কৰি যে চৰ্থৰীয়াত পৰিছিল তাৰ কথা অধ্যক্ষই আমাক সোঁৱৰাই দিলে। আমাতকৈ সৰহ আহিলা-পাতি থকাত ও সিহঁত বিপদত পৰিছিল। সেই দেখি, অলপীয়া যতন-লৈ-যোৱা আমি যে বিপদত নপৰিম তাৰ বা কি কাৰণ আছে? ইপিনে আকৌ, আমি এইদৰে যাওঁতে বাটত অহা যোৱা কৰা জালোৱাইৰ নাও ও লগ পাব পাৰোঁ আৰু সেই নাৱেই আমাক লৈ যাবও পাৰে। এই অনুক্ৰমে বহুত ভাবি-চিন্তি আমি যোৱাটোকে থিৰ কৰিলোঁগৈ। অধ্যক্ষজনেও আমাক ইচ্ছামতে কাম কৰিবলৈ এৰি দিলে।

তেওঁৰ অনুমতি পোৱা মাত্ৰকে গছ দুডালমান

কাটি তাৰ আঁহৰপৰা জৰী উলিয়াই সেই গছৰ ডালবোৰ বান্ধি পেলালোঁ। বান্ধি-ছাটি লোৱাৰ তিনি চাৰি ঘণ্টামানৰ মূৰত আমাৰ গাত আৰু থৰযুগুতি নোহোৱা হল। ভূৰত উঠি যাওঁ ছাবি থিয় হবলৈকে গাত শক্তি নোহোৱা হল। ইবোৰেও আমাক দেখি ফাকটি জুৰি বল নাইকিয়া বুলি কৈ সতং জুৰিবলৈ ধৰিলে। দুটা মানে খোলা-খুলিকৈ কৈয়েই দিলে বোলে, সিহঁতে আৰু লোকৰ লগত দুখ খাই নমৰে। সিহঁতৰপৰা সহায় নেপাই জলভৰত হোৱাতকৈ নিজে কৰিব নোৱৰা বাবে হে আমাৰ মনত ধিক্কাৰ লাগিছিল। যিমানেই আমাৰ বল কমি আহিবলৈ ধৰিলে সিমান উৎসাহেৰে আমি কাঠ কাটিবলৈ ধৰিলোঁ। লগৰীয়াহতঁৰ দুজন বলী ডেকাই আমাক লাগি নিদিয়া হলে ইমানকৈ দেহা মাৰি কাঠ কাটিও আমাৰ ভূৰ উলিয়াব নোৱাৰিলোঁহেতেন। সিহঁতৰ বল পাই কোনোমতে ভূৰখন উলিয়ালোঁ। কিন্তু পানীত মেলিব খোজোতেই বৰ ঢৌ আহিল। আমাৰ আৰু ভূৰ মেলা নহল।

## 'বছল্' বিচৰা

গছৰ পাতেৰে একোটা চুৰত নুৰিয়াই হুঁপি-হুঁপি ঢৌ মাৰ যাওক বুলি সৰু জুই একুৰাৰ কাষতে বহি আছোঁ, এনেতে মোৰ মনত পৰিল—আমাৰ মানুহবোৰে দেখোন 'লিগেনে' 'বছল' খায় বুলি কয়; বিচাৰিলে ইয়াতো দেখোন এটা বা দুটা 'বছল' পাব পাৰোঁ। এই বুলি তৎক্ষণাৎ তাৰপৰা উঠি গৈ গছ এজোপাৰ আঁৰতে লুকাই থাকিলোঁগৈ। তাতে বহুত বেলি থাকি একো নেপাই ভাবিলোঁ—লীগেনৰ যিটো বস্তু খাদ্য সেইটো বস্তু আমালৈ কেতিয়াও বেয়া হব নোৱাৰে। ইয়াকে ঠিৰাং কৰি 'বছলৰ' গাৰি ডোখৰৰপৰা নেগেলা মঙ্গহ এখুটুৰা কাটি লগৰীয়া কিজনৰ ওচৰলৈ লৈ আহিলোঁ।

সিহঁতে মোৰ হাতত খোৱা বস্তু দেখি সেয়া নো ক'ত পালোঁ, কিহৰ মঙ্গহ, তেনেকুৱা মঙ্গহ আৰু আছেনে নাই বুলি বাৰে-বুৰিকথা সুধিবলৈ ধৰিলে। 'বছলৰ' মঙ্গহ বুলি ক'লত সিহঁতৰ চেলাউৰিবোৰ মুদ খালে অৰ্থাৎ অবাক হল, বোলে, আমি বিপদত পৰিছোঁ। সঁচা, সেই বুলি বছলৰ মঙ্গহ কেতিয়াও খাব

নোৱাৰোঁ পায়, আৰু খাব লগীয়াও হোৱা নাই।"

কিন্তু, তেওঁবিলাকে এই আঁকটা গোন্ধ ওলোৱা ঠাই ডোখৰক যিমান ঘিণাইছিল, স্বচক্ষে মঙ্গহ দেখিবলৈ পালত, সেই ঘিণ ক'ৰবালৈ গল। মই কোৱামতেই গৈ সিহঁতে যিমান পাৰে সিমান লৈ আহিল। এই ছেগতে, মই অনা মঙ্গহ ডোখৰ জুইত পুৰি হাৰৰ পৰা মঙ্গহকণ একুৰাওঁ বুলি খৰিকা এডালেৰে লৰাই চাওঁ, দেখোন, লালটিৰ নিচিনা লেতকেতীয়া এঠা এসোপা মাথোন—মঙ্গহৰ সঁচেই নাই।

এইদৰে ঠেকি শিকি তেওঁবিলাকৰ ওচৰলৈ লৰালৰিকৈ গৈ ক'লোঁগৈ—তাৰ তেল থকা মঙ্গহখিনি কাটিব নেলাগে— হাড় হে কাটিব লাগে। এই বুলি কৈয়েই, দুৰ্গন্ধটো মৰক বুলি কুৰি সেৰমান মঙ্গহ শুকান পাত এসোপাত বান্ধি লৈ আহিলোঁ। তাৰে অলপমান 'খৰিকাত দি সকলোৱে সমানে ভগাই ললোঁ। কিন্তু সি ইমান ভেকেতাভেকেত গোন্ধাইছিল যে নাকত লাগিলতেই বহুতৰ বাঁতি অহা যেন লাগিবলৈ ধৰিলে। তথাপি তাক নোখোৱাকৈ এৰিব পৰা নহল। খোৱাৰ পিছত হে জানিব পৰা হল যে গোন্ধ চাই মঙ্গহ সিমান গেলা নহয়।



আমি গোট খাই সকলোটিয়েই ইয়াক ভোজন কৰিবলৈ নোপোৱাত, অধ্যক্ষজনলৈ বেলেগে অলপমান চান্ কাঢ়ি থলোঁ আৰু সকলো গোটখোৱা ঠাইলৈকে মঙ্গহখিনি লৈ গলোঁহঁক। অধ্যক্ষজনৰ ভাগটো দি সেয়ানো কি তেওঁক কব খোজোতেই তেৱেঁই উপযাচি মাত লগালে, "তহঁতে দুখ খাব নেলাগে আৰু। গোন্ধেই আঁটিছে। তহঁতৰ ভেঁটুৱা বস্তু লৈ যা, আনকে দেগৈ।" তেওঁৰ কথাষাৰ অন্ত হলতে মই মাত লগালোঁ, "আপুনি যিমান বেয়া বুলি ভাবিছে, সিমান নহয়।" কিন্তু, তেওঁ উত্তৰ কাটিলে বোলে মোৰ গাটোৱেই কেচেমাকেচেম গোন্ধাইছে; মই তেওঁৰ ওচৰলৈ গৈ তেওঁৰ উশাহ-নিশাহত বিঘাত নলগাওঁগৈ যেন। অলপ পৰ বৈ থাকোঁতে থাকোঁতেই দেখিলোঁ। বিকচিনাত তেওঁৰ ওকালি আহিলেই। তাৰ পিছতে, তেওঁ সেই ধূৰা এৰি গুচি গল।

ইবোৰে আমাৰপৰা খুজি নি অলপ-অলপ খালেগৈ। প্ৰথম খুটুৱা খায়েই যিবোৰৰ ভোক বাঢ়িল, সিহঁতে আৰু-খুজিবলৈ ধৰিলে। যিবোৰে ইয়াৰ নিমিত্তে হামৰাও কাঢ়ি ফুৰিছিল, সিহঁতেও

প্ৰাপ্তমাত্ৰেণ ডোখৰে-ডোখৰে গিলিলে। আৰু খাই নতা পাই বাকীবোৰৰ ভাগৰখিনিও কাঢ়ি আনিবলৈ জোঁটাপুটি লগালেগৈ। সেই জোঁটাপুটিয়েই পিছত ডাঙৰ কাজিয়া হৈ উঠিলগৈ। সিহঁতক শান্ত্বনা কৰিবলৈ আমি লুকাই থোৱা ভাগকে উলিয়াই দিলোঁ। কিন্তু, দি পেলাই সিহঁতৰ জুইকুৰা দুগুণে জলালোঁ হে। ৰাতিৰ এন্ধাৰ যদিও, সিহঁতে মঙ্গহ থকা ঠাই ডোখৰতে পেটভৰাই খাবলৈকে যাবলৈ ওলাল। "এন্ধাৰ ৰাতি, পাৰত ডাঙ্গৰ ডাঙ্গৰ ঘৰিয়াল পেট পেলাই পৰি থাকে" এইবুলি ক'লত যেনিবা সিহতে পাছ হোঁহোঁকা মাৰিলে। ভোকৰ খজুৱতিত শুব নোৱাৰি সিহঁতে ইমান কোঢ়াল লগাবলৈ ধৰিলে যে আমি লুকুৱাই থোৱা বাদবাকী মঙ্গহকণ দি হে তৎ পালোঁ। তেতিয়া হে গোটেইখন শাঁত হৈছে। খাইবৈ কিছুমান শুলেগৈ। কিছুমানৰ আকৌ ক্ষুধা বাঢ়িল হে। তাৰে এটাই চিঞৰিবলৈ ধৰিলে, "নিশাটো নেযায়-নুপুৱায় যেন লাগিছে। টোপনি অহাৰো আশা নাই। ভোকেও তৎচেষ্টা এৰুৱাইছে।" এই জন পুৰুষে ছপোৱামান গেলা মঙ্গহ পেটত ভৰায়েই থৈছে। সাগৰৰ পাৰত পাই



অনা ডাঙ্গৰ মাছটোৰো এফাল বহালে। মাছটোও আকৌ উলামূলা বিধৰ নাছিল, ৰাঘৰকে বুলিব পাৰি। সেইটো দেখিয়েই তাৰে দুদিনলৈ জুৰিব বুলি সি দাঁত লগাই দিলে। কিন্তু, যেতিয়া মুখৰ ভিতৰত সুমুৱাবলৈ ধৰিলে, এফালৰপৰা বখলিয়াই হে নিলে। তাৰ খঁকটো কমটো নহয় বুলি ক'লত সি তাৰ চাৰি গুণ খাব পাৰে বুলি ডিঙাই মাৰিলে। এই খোৱা কথাষাৰেই আমাক ত্যক্ত লগাই আছিল। সেই গুণে, পিছদিনা ৰাতিপুৱাই শুই উঠি খঁকুৱাবোৰ 'বছলৰ' মঙ্গহ বিচাৰি গল আৰু আমি ভুৰ সাজিবলৈ ওলালোঁ। গছপাত খাই আমি গাত যিমান বল পাইছিলোঁ, এই গেলা মঙ্গহ খাই তাতকৈ বেছি বল পোৱা যেন লাগিল। সেই দেখি, এঘণ্টা কাম কৰি অলপমান মঙ্গহ খাই আকৌ গাত বল বান্ধি ললোঁ আৰু বান্ধনি-বেলি মাৰ যোৱাৰ আগতে ভুৰ খন উলিয়াই পেলালোঁ। এখোজ দুখোজকৈ আমি লগৰীয়াহঁতৰ গুৰিলৈ আহিলোঁ। তাত চাওঁহি দেখোন, কেইজনমানে মঙ্গহৰ খুটুৰা কৰি বা— দিছে, কেইজনমানে জুইত লুটিয়াই-বগৰাই দিছে।' দুজনমানে আকৌ খৰিকাত দি দবনি পিটি খাবলৈকে

লাগিল—তাতকৈ যেন সুমিষ্ট বস্তু আৰু পৃথিবীতে নাই।

অধ্যক্ষই আমাৰ ভূৰ হল বুলি জানিলত, পাল নহলে আমাৰ পাৰ পোৱা টান হব আৰু লঙ্গৰ নহলে চাকনৈয়াত বা পকনীয়াত পৰিব বুলি আগন্তুক বিপদবোৰ আঙ্গুলীয়াই দেখুৱালে। আমি কলোঁ—এই দ্বীপটোৱেই অমঙ্গলীয়া। বছলৰ' চান্ কাঢ়ি থোৱা সাঁচতীয়া অৱশিষ্টকণ নথকা হলে আমি কাহানিবাই লেলাত ভুঞ্জি মৰিব লাগিলহেতেন। আমাৰ ভূৰত পাল বা লঙ্গৰ নাছিল যদিও, ঢৌ-বতাহত ৰ'ব পাৰিম বুলি ভাবিছিলোঁ আৰু পাৰ পোৱা হলে কোনোবা বঙালী মানুহো পাব পাৰিলোঁহেতেন; তদুপৰি, সেই বঙালীয়েই আমাক সোধ-পোছও কৰিলেহেতেন।

ক্ষন্তেক মানৰ মূৰত, তেওঁ আমাৰ কুশল কামনা কৰি আশীৰ্ব্বাদ দিলে আৰু এজন ওলণ্ডাজী কথা কব পৰা ডেকা আমাৰ লগত লবলৈ ক'লে। বঙলা দেশত আৰু আৰাকানত ওলণ্ডাজ ভাষাৰ চলন্তি আছে বুলি শুনি আমাৰ মনত আশাৰ সঞ্চাৰ হল আৰু কেতিয়াকৈ তাৰপৰা আঁতৰিব



পাৰোঁ তাকে হে ভাবিবলৈ ধৰিলোঁ। এনে সময়তে, এজনে মাত লগালে বোলে, তেওঁ চাৰি ডোখৰ কেঁকোৰা কাঠ পালে, গহৰ আঁহেৰে বান্ধি মটমটীয়া লঙ্গৰ কৰি দিব পাৰে। সেয়ে যদি হয়, আমাৰ কাম সুন্দৰকৈ সমাধা হব। মই "পৰা হব" বুলি কলোঁ। তাক লগোৱা মাত্ৰকে ভূৰখন ক'ৰবাত বুৰে বা ?—এই বুলি সন্দেহো হল। "তুমি জানাই নহয়, এই দ্বীপত শিল পাবলৈ নাই।" তেওঁ কলে, বোলে, "নহয়, আমি চোলাৰ আস্তিনৰ ভিতৰত বালি ভৰাই লঙ্গৰত বান্ধি দিম। তাৰ পিছত, আপুনি চাব বাৰু, ই লোৰৰ কেঁকোৰাৰ ( লঙ্গৰৰ ) নিচিনা হয়নে নহয়।" কথাটো সন্তৰ যেন দেখি, আমি কেইজনমানে গছ কাটিবলৈ গলোঁ, কেইজনমানে কেঁকোৰা কাঠ বিচাৰিবলৈ লাগিলোঁ। গছৰ ডালডুল আৰু গোটা কাঠ আনি দিলত তাৰে সুন্দৰ লঙ্গৰ নিৰ্ম্মাণ কৰি পেলালোঁহঁক।

এতিয়া আমাক আশীহাতমান দীঘল ফই এডাল লগা হল। ফই ডাল নো ক'ত পাম, কেনেকৈ কৰিম বুলি ভাবি-গুণি থাকোঁতেই দুজন লগৰীয়া নাৱৰীয়াই কিছুমান কুকুৰ-সূতাৰ নিচিনা

লতা লৈ আহিল। ইয়াকে বাটি সিহঁতে এডাল শকত জৰী কৰিলে।

পিছদিনা আগ বেলাতে, এওঁবিলাকৰপৰা বিদায় লৈ, ক'তো অপায়-অমঙ্গল নহলে ঘূৰি আহিম বুলি কৈ ভূৰ এৰি দিলোঁ। তেওঁবিলাকেও আমাক সাগৰৰ পাৰত আগবঢ়াই থৈ গলহি। "আহিলোঁ দেই," "থাকিবাহঁক আৰু" বুলি তেওঁ-বিলাকৰ পৰা মেলানি মাগিলো আৰু আমি আঠোটা ভূৰত উঠি মাজুলী বা দ্বীপৰ মূৰ পালোঁগৈ।

## আকৌ মানুহৰ মঙ্গহখোৱাৰ লালসা

তাতে একুৰা ডাঙৰ জুই ধৰি কিবাকিবি অলপমান খাই ললোঁ। তাৰ পিছত, লঙ্গৰ তুলি ভূৰ মেলি দিলোঁ। ক্ৰমান্বয়ে পাৰৰপৰা ভালেমান আঁতৰ হৈ গলোঁগৈ, দ্বীপটোও ৰিণি-ৰিণি হে দেখা হল। বতৰ ভাল আছিল দেখি, পানীবতাহ জুখিবলৈ সীহৰ টোপোলাৰ (Plummet) পৰিৱৰ্ত্তে ফইৰ আগত বালিৰ টোপোলাকে বান্ধি দিলোঁ। আমাক ঢৌৱে কোবালত ভূৰ ৰখাই দিলোঁ। এনেতে, আকৌ ভোক লাগিল। আমাৰ যি খোৱা-সমল আছিল আটায়ে সমানে ভগাই খাবলৈ আৰু সোনকালে আমাৰ যাত্ৰা চমু নেচাপেই বা—এই বুলি অলপ সাঁচি থবলৈ মন কৰিলোঁ।



খোৱা বস্তু উলিয়াই ল'লত সকলোৰে তৎ নাইকিয়া হল—গোটেই হুঁটাই-টাই—যেয়ে যেনেকৈ পালে, সোপাসোপে মুখত ভৰাই খাই পেলালে। কোনোবাই নেখাবি বুলি হাতত ধৰিছিল যদিও মিছা হল। পিছত, অকল পাতকে খাব লগীয়া হোৱাত, ফইবোৰ ছিগি ভূৰখন আকৌ উভতি দ্বীপটোলৈকে যক, এই বুলি পাৰেমানে পৰমেশ্বৰক তুতি-প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

সিহঁতৰ তুতি-মিনতিয়ে গুণ ধৰিলে। অলপ পৰৰ পিছতে বৰ ধুমুহা বলি ভূৰৰ ফইবোৰ ভটৰ-ভটৰ ছিঙি পেলালে, পাতছোত যি আছিল তাকো উৰুৱাই নি য'ৰপৰা আহিছিলোঁ, সেইখিনি পোৱালেগৈ। সেইখিনি পায়েই পিছদিনা ৰাতিপুৱা ঠায়ে-ঠায়ে গুচি গলোঁহঁক।

দুজন ডেকা লগৰীয়াৰ হাতত ভূৰখন গতাই দি

আমি সাগৰৰ পাৰে-পাৰে গলোঁহঁক। পোনে-পোনে এৰি থৈ যোৱা জুইকুৰাৰ ওচৰ পালোঁগৈ, চাওঁ দেখোন—জুইৰ কাষতে এজনী কলী কাফ্ৰী-মাইকী বহি আছে। আমি পোৱা মাত্ৰেই তাই আমাৰ ভৰিত ধৰি দীঘল দি পৰিল। তাইৰ গোটেইটো গাতে মাৰকিলৰ দমলাদমল সাঁচ, আৰু ঠায়ে-ঠায়ে চেলেচেলনি খোৱা ঘা। তাইৰ আকাৰ-ইঙ্গিতৰপৰা বুজিব পাৰিলোঁ যে তাইৰ আপোন মানুহেহে তাইক নগুৰশাস্তি কৰিলে। খাবলৈ নেপাই বেচেৰীৰ গা-টি হাড়ে-ছালে লাগি গোটেই শ্ৰী শ হৈ আছে। ভাবিলোঁ—তাইৰে আমাৰে একে দশা। আমি জুই-গুৰিত বহি গা সেকি লৈ, তাইকো তাতে বহিবলৈ ঠাৰে-চিঞৰে কলোঁ। এঘণ্টা মানৰ মূৰত ভোকে আমাক ইমানকৈ তিতামূৰীয়া লগালেগৈ যে আমি আৰু বহি থাকিব নোৱৰা হলোঁ। এনেয়ে দুতৰত পৰি বুদ্ধি হেৰাইছে, তাতে আকৌ লগৰীয়া এটাই লুকুৱাই থোৱা মঙ্গহ এডোখৰ উলিয়াই আমাক এখুটুৰাও নিদিয়াকৈ আমাকে দেখুৱাই-দেখুৱাই খাইছে! আমাৰ অসহ্য হল। এনে আপোনপেটীয়া স্বভাৱ



দেখি, দুখ লাগি গছৰ পাত বিচাৰি গলোঁ। কিন্তু, হৰেক ৰকমে জুতি লৈও কোনেও পাত খাব নোৱাৰিলোঁ। সেই "বছলৰ" মঙ্গহেই আমাৰ ভাল লাগিল। তেতিয়াৰপৰা সেয়ে যেনিবা আমাৰ সঁচা মঙ্গহ আৰু পাত যেনিবা কটুৰ মঙ্গহ হল।

ইয়াৰ পিছত, ভোকে আমাৰ ওপৰত ইমান উদ্ভণ্ডালি কৰিবলৈ ধৰিলে যে আমি এটাইবোৰ খাবলৈ নেপাই হতবুদ্ধি হলোঁহঁক। ইটোৱে সিটোৰ মুখলৈ এনেভাৱে চাই ঠৰ লাগিলোঁহঁক যেন আমাৰ ভিতৰতে কামোৰাকামুৰি কৰি আমাৰ মঙ্গহ আমিয়েই খামহঁক। দুটামানে উঃ-উঃ—আঃ-আঃ কৰি ঢলংপলংকৈ খোজ কাঢ়ি ফুৰিছিল; দুটামানে আকৌ 'মৰিলোঁ, মৰিলোঁ' বুলি কেঁকাই ফুৰিছিল। সিহঁত এইদৰে তধা লাগি থাকোঁতেই থৰকাছুটি হেৰুউৱা আন এটাই মাত লগাই দিলে বোলে সি দৈৱবাণী শুনিছে। কি-শুনিছে কোৱাৰ আগেয়েই সি বোলে তাৰ বস্তুবোৰৰ বিষয়ে হে ক'ব আৰু কোৱা কথাটোৰ অৰ্থ ওলোটাকৈ বুজিব লাগিব। অন্তত ক'লেগৈ, "দয়াময়ৰ কি অতৰ্ক মহিমা! ফৰিং-টোলৈও টোপ এটা দিছে। আমাৰ দুৰ্গতি দেখি

আমাক নো আৰু তেওঁ একোটোকে নিদিব নে ? —দিব। পিছে, আমি পাপত ইমান পঙ্কিল হৈ আছোঁহঁক যে তেওঁ দিয়া বস্তু এতিয়াও চকুৰে চাব পৰা নাই।" এই দেওলগা মানুহটোৰ কথাবোৰ ছনগুৰি নোহোৱা বুলি ভাবি পোনতে একো নকৈ মনে-মনেই আছিলোঁ। কিন্তু, পাছলৈ সেইবোৰকে কৈ-কৈ আমাৰ কাণ ঘোলা কৰিলেগৈ। আমিও আৰু তাৰ গাত দেও লম্ভিছে বুলি ন'কৈ তাক পগলা বুলিহে ক'ব লগাত পৰিলগৈ। সিও খপি-খপি সুধিবলৈ ধৰিলে, "বাৰু মই যেনিবা বলিয়াই, তোমালোকেও যে হাড় নাইকিয়া জিৱাৰে কিবা-কিবা নবলকা তাৰ নো প্ৰমাণ কি ? পেটৰ পোৰণিত মই যেনেকৈ ৰক্ষা পোৱা নাই, তোমা-লোকেও তাৰ নাম-নাচ তেনেকৈ নেপাই থকা নাই। তেনেস্থলত, মোৰ মূৰৰ ঘিঁউ বেয়া, তোমালোকৰ ভাল বুলি কেনেকৈ কোৱাঁ ? সৰহ নকৰেঁই, নেদেখিছা সেই মানুহজনী। আমাৰ কপালেহে তাইক ইয়ালৈ বলাই-ঘটাই লৈ আহিছে। জনাছৰ তিমি, ডেকা টেবীৰ মাছ এটাই মাত লগালে, 'জনাছ আৰু টেবীৰেসৈতে আমাৰ কি সম্পৰ্ক ?



এনেকুৱা ছঁয়াকটা কথাই আমাৰ কি উদ্দেশ্য সাধন কৰিব ? আমাৰ ভোক লাগিছে—ভোক কেনেকৈ গুচিব, তাৰ হে উপায় এটা উলিয়াব লাগে।" ইটোৱে ক'লে, "এই মানুহজনীয়ে জুইৰ তাও লবলৈ আহিছে বুলি ভাবিছ নে কি ? অৱশ্যে, জুই উমোৱা তাইৰ অভিপ্ৰায় হব পাৰে, কিন্তু দয়াময়ে আমাৰ উপকাৰ হওক বুলি হে তাইক আনি আমাৰ আগত পেলাই দিছেহি।"

চাৰ্লছ ডবেল বুলি এজনে মাত লগালে, "সঁচাকৈয়ে কব লাগিলে, অকস্মাতে পোৱা এই উপহাৰটি আমাৰ আগত ভেট হোৱাৰ কথা যিমানেই ভাবোঁ সিমানেই দৈৱই মিলাই দিছে বুলি মোৰ কম বিশ্বাস নোহোৱাকৈ নেথাকে। কাৰণ, ই আপোনখুচিতে ইয়ালৈ অহা নাই।" আকৌ থিয় হৈ কবলৈ ধৰিলে, "ময়েই বাৰু, জয়ে-জয়ে ভাগ্য পৰীক্ষা কৰি চাওঁচোন। সংসাৰত যতবোৰ গেলা-পচা বস্তু আছে সকলো খালোঁ, এতিয়া মানুহৰ মঙ্গহকে খাই চাওঁচোন—ই নো কি কৰে বাৰু ? হওঁতে, মানুহৰ মঙ্গহ খাবলৈ সন্দেহ কৰিবৰো কাৰণ নাই। কিয় নো, ইয়াক ঈশ্বৰেহে পঠিয়াই দিছে।

ঈশ্বৰৰ আজ্ঞা লঙ্ঘন কৰা উচিত নহয়।” কথাবোৰ তেওঁ সঁচাসচিকৈ কোৱা যেন দেখি মই তেওঁক বহিবলৈ ক'লোঁ আৰু তেওঁক পাৰোঁমানে বুজালোঁ যে তেওঁক ঈশ্বৰতকৈ দেও-ভূতে হে এই দৰে বলাই-ঘটাই লৈ ফুৰাই মানুহৰ মঙ্গহ খাবলৈ লোভ লগাই দিছে। মানুহ খালে যে কি হ'ব সেইটো তেওঁ ভাবিবই পৰা নাই। মানুহ জনী আৰু আমি একে জাতিৰে জীৱ। এনে স্বজাতিক খাবলৈ যি দৈৱবাণীয়ে উটঙ্গাব পাৰে তেনে দৈৱবাণীতকৈ অমঙ্গলীয়া আৰু কি হ'ব পাৰে ? এনে কথা ক'তো শুনা নাই। সেই গুণে, এই চেৰেলী মানুহজনীৰ মঙ্গহ খাই একো হেঁপাহ নপলায়। যদিও পলায় তথাপি ক্ষান্ত হোৱাচোন বাৰু। নহলে, তোমালোকে আকৌ তেনে মঙ্গহকে বিচাৰিবা। সেয়ে হলে, মানুহৰ মন, কোনে বুজে—আমাৰ নিজা গাটোহঁতকে সকুৱাবলৈ টান পৰিবগৈ পাৰে। দুঘণ্টা ৰলেই সেই “বছোল” বা “বছল” থকা ঠাই ডোখৰ পাবগৈ পাৰোঁ। তাৰ মঙ্গহ খায়ো ভোক গুচাব পাৰোঁ দেখোন। নেপালে, অৱশ্যে, মানুহ-জনীৰ গাটোকে ধৰা-নধৰা এটা ঠিক কৰিব লাগিব।”



মোৰ কথাত অলপ লাজ পাই আৰু মানুহজনী মাৰি খোৱাটো পশুতুল্য যেন ভাবি মানুহৰ মঙ্গহ খোৱা কথাটো ভাবিবলৈ এৰি দি মানুহ কিজন শুই থাকিলগৈ। ৰাতিপুৱা উঠিয়েই ‘বছোল’ নেদেখুৱা বাবে সিহঁতে মোক খেচ্ খেচ্ কৰে ধৰিলেহি। মোৰ গা ভাল নাছিল। আৰু ‘বছোল’ থকা ঠাই ডোখৰো আমাৰ তাবপৰা তিনি মাইল মান দূৰৈত আছিল। গতিকে, মই যাব নোৱাৰিলোঁ। কলোঁ, “মই নগলেও তহঁতেই যাচোন বাৰু।” মোৰ কথা নেমানি সিহঁতে মোক বলেৰে টানি লৈ গল। পাছ পৰি থকা লগৰে নিৰ্ব্বলী চাৰিটাই ছিগা লঙ্গৰ চাৰি ডাল পূৰাবলৈ ফই বাটিবলৈ ধৰিলে।

পোৱা মাইলমান আমি গৈছোঁ, এনেতে, চাৰ্লছ ডবেলে উলটি আহি, সেই মানুহ চাৰিটাক ক'লেহি বোলে, “তহঁতে মানুহজনী চাই থাকিবি। ‘বছোলৰ’ মঙ্গহে নাটিলে তাইকে খাব লাগিব।” আমি লৰালৰিকৈ গৈ ভালেমান ‘বছোল’ পালোঁগৈ। কিন্তু, তাৰ গাৰপৰা গেলা বাছ ওলাই এনে দুৰ্গন্ধময় হৈছিল যে আমি নাকত সোপা দিহে সিহঁতৰ গাৰ মঙ্গহ দুখু টুৰামান

কাটি আনিব পাৰিলোঁহঁক। যি কেইকণ আনিলোঁ, তাকে ন-তোৰাকৈয়ে জুইত সেকি খাই পেলোৱা হল।

আমি খাই থাকোঁতেই অধ্যক্ষজনৰ মানুহ দুটা আহি আমাৰ আগত থিয় হলহি। সিহঁতৰ চেহেৰা দেখিয়েই কেলেই আহিছিল বুজিব পাৰিলোঁ। আমি এৰি থৈ অহা সেই 'বছোলৰ' মঙ্গহখিনি সিহঁতে পাছত গৈ লৈ আহিল বুলি আমাৰ বৰ সন্দেহ হল। এঘণ্টামানৰ মূৰত চাওঁগৈ দেখোন— তাত মঙ্গহৰ সঁচেই নাই, সোপাকে সিহঁতে চুঁচি-বাছি লৈ গল, আমালৈ মাথোন জেংজেঙীয়া গুৰ বোৰ হে থলে। আমাৰ ওচৰত সিহঁত বহুত পৰলৈকে বৈ থকা দেখি মাৰিবৰ মন গৈছিল। কিন্তু, ৰব নেলাগে বুলি আগত হাক নিদিয়া বাবে মাৰিবলৈ নহল। তথাপি, মৰা উচিত বুলি কৈ, আমি আটাই কেউটাই চকুপানী টুকিবলৈ ধৰিলোঁ। চাৰ্লছ ডবেলে খৰখেদা লগালেহি বোলে, "ছেগ দেখোন পাৰ হৈ গলেই। বৰষুণ গলে আৰু জাপিটো কেলৈ? সিহঁতৰ হাততে যিকণ আছে, তাকেই বিচাৰি যাওঁচোন বাৰু। অইন নহলেও,



ছাল চটাকে তেওঁ পাম হে। কৈ-মেলি বা ডকাহকা দি তাকেই আনোগৈ বাৰু।"

এই বুলি, তেওঁ সিহঁতৰ ওচৰলৈ গল আৰু বৰ সৰুটো হৈ কুতুৰি-কুতুৰি খুজিলেগৈ, "তোমা-লোকক নলগাখিনি মঙ্গহ আমাকে দিয়াঁচোন।" সিহঁতে পুতৌ কৰক ছাৰি পেংলাই কৰি খেজেলিয়ালে হে, বোলে, "এই কেইজনলৈ চোৱাঁ —কথা কওঁতে ঠায়েই নাই; এনে নম্ৰটো হৈ দেখুৱাইছে? এখেতসকলক গেলা মঙ্গহ নেলাগে, ছাল খন হে লাগে! আই ঐ দেহি। ইমান দুখ কৰি আপোনাসৰলৈ হে মাৰিলোঁ, নহয় নে? যক যক, য'ৰ মানুহ তলৈ ভালে-ভালে গুচি যক। আমালৈকে চামনে পৰলৈ চাম! (আত্মতুষ্টিয়েই জগত তুষ্টি)। আমি নুবুৰে মানে বাম, নিতিতোঁ মানে চাম। মৰোঁ যদি ইয়াতেই মৰিম। তথাপি আমাৰ মঙ্গহ কাকো দিব নোৱাৰোঁ।

সিহঁতৰ এইবোৰ পেংঢালি কথা শুনি আমাৰ খং গৈ মূৰৰ চুলিৰ আগ পালেগৈ। চাৰ্লছ ডবেলে খকৰা মুকুটি মাৰিবলৈ হাত দাঙি উঠিছিলেই। মই হে হবলা, সহিলে সম্পদ পায়, নসহিলে আপদ

যায় বুলি বহুত বুজাই-বৰাই শান্ত কৰিলোঁ। তাৰ পিছত কলোঁ, "আমি একো লৰালি বা লৰা-ধেমালি কৰা নাই; চেলবেলীয়া কথাও কোৱা নাই। আমাৰ সকলোটিৰে একে বিপদ। এটাক এৰি ইটোৱে কেতিয়াও বিপদৰ হাত সাৰিব নোৱাৰে। এই কাৰণে, আমাৰ কথাষাৰ তোমালোকে ভাবি চোৱা উচিত।" আমাৰ অনুৰোধ সিহঁতে টিলিকি মাৰি উৰাই দিলে। চাৰ্লছ্ ডবেল গৰ্জ্জি উঠিল, বোলে "ৰবৰ দৰ্কাৰ নাই। যাৰে বল তাৰে চল। সকলোৱে ধৰাহঁক। সিহঁতেও ধৰক।" এই বুলি কবলৈ হে পালে, আমি এটাইবোৰে হুই মাৰি নিজৰ-নিজৰ দা-কটাৰী উলিয়াই লৈ সিহঁতৰ হাতৰপৰা মঙ্গহৰ ছালখিনি টানি আজুৰি কাটি লৈ আহিলোঁ।

সিহঁতৰ মানুহ তাকৰ হোৱা বাবে, ইটোৱে-সিটোৱে মুখলৈ চোৱা-চুই কৰি "আমাৰ নিমিত্তে সিহঁতে দুখ খোৱা নাই নহয়," এই বুলি হাতে-পতি দা-কুঠাৰ লৈ আমাৰ ফালে খেদি আহিল। আমিও আত্মৰক্ষা কৰিবলৈ সাজু হলোঁ। কুঠাৰ অনাটোৱে তাৰ ওচৰলৈ যেয়ে যাব তাকে ঘৈয়াই ছোৱা-ছোৱা



কৰিব বুলি হুঙ্কাৰি আহিছিল। তাক টানি কলোঁ —মাইকী হোৱা হলেও উচিত কথা শুনালোঁ হেতেন—তোৰ দৰে ৰিপুৰ বশ হৈ মাইকীয়েও কেতিয়াও হিতাহিত জ্ঞান নেহেৰুৱালেহেতেন। সি ওলোটাই কলে, "তইঁতৰ আকৌ কি উচিত কথা শুনিব লাগে, হোঁ? আমাক মাৰিবলৈকে আহিছ। তাত আকৌ নিজৰ গাটো ৰক্ষা কৰিবলৈ ওলালত কি জগৰটো লাগিল অ'! আমি আত্মৰক্ষা নকৰিম নে কি?" ফেৰিয়াফেৰিৰ মূৰত, দুয়ো দলৰ ভিতৰত মিট-মাট হলগৈ। তাতে ঠিক হল যে সিহঁতে পোৱাখিনি সিহঁতলৈ থাকিব আৰু আমি লোৱা-খিনি আমালৈ থাকিব।

### *কাপোৰৰ আটক*

কটাৰী নলগোৱাকৈয়ে মঙ্গহ একোফেৰি একুৱাই আনি (গেলি উৰঁলি গৈছিল যদিও) কেবা বাৰো পানীত ধুই-পখালি খাব পৰা কৰিলোঁ। তাৰ পিছত, আৰু এডাল লঙ্গৰ-কৰোঁ বুলি অধ্যক্ষ-জনৰ তাৰপৰা কুঠাৰ এখন আনিবলৈ মানুহ দুটা

পঠালোঁ। তেওঁ তৎক্ষণাৎ কুঠাৰ এখন দি দিলে। লঙ্গৰ কৰি আমি চাৰিজন তেওঁৰ শলাগ লববলৈ ওলালোঁ। আদবাট গৈছোঁ এনেতে, কুঠাৰঅনা মানুহটোৱে মাত লগালেহি, বোলে, সি আৰু তাৰ লগৰীয়াটো গৈ থাকোঁতে বাটৰ দাঁতিতে অধ্যক্ষজনৰ চোলাকাপোৰবোৰ ফাটি-ছিটি জীৰিলি হৈ পৰি থকা দেখি আহিছে। সিহঁত আধা উলঙ্গট হৈ থকা গুণে—তাৰে দুটামান বুটলি লব খুজিছিল। পিছে, আমাক সেই কথা নোকোৱাকৈ লোৱা ভাল নহয় বুলি নললে। সিহঁতৰ কাপোৰ নাইকিয়া দেখি পোন প্ৰথমেই সহিবলৈ টান পাইছিলোঁ। কিন্তু, আমাৰ অৱস্থাও এনেকুৱা হৈছিল যে সিহঁতৰ দুখ পতিয়াবলৈ মনকে দিব নোৱৰা হৈছিলোঁ। দিনত ডকা দিব নোৱৰা গুণে ৰাতিলৈ বাট চালোঁ! ৰাতি হলত সিহঁতৰ ওচৰলৈ গলোঁ। চাওঁগৈ দেখোন—মানুহকিটাৰ টোপনি; ধোবাংজুৰি পৰি আছে। আমাৰ কপাল ভাল। কাপোৰ নাইকিয়া কিজনে দুডোখৰমান কাপোৰ দাঙি আনি আমাক দি কলেহি বোলে, "কাপোৰ পৰি থকা ঠাইতে 'বছলৰ' মঙ্গহ কেতখিনি পৰি আছে। আনিব পাৰিলে ভাল



হয়" আমি লেখত তাকৰ আছিলোঁ। যদিও, মৰসাহ দি তাৰপৰা অলপমান মঙ্গহ লৈ আহিলোঁ। অলপ আঁতৰ হোৱাৰ পিছত গমি চালোঁ—মোৰ পক্ষে এইটো ভাল কাম নহল হবলা। এইবুলি, কাপোৰ-খিনি তাতে থবলৈ ওলাইছোঁ, এনেতে চাৰ্লছ ডবেলে সঁকিয়াই দিলেহি বোলে, "আমি উভতি সেইখিনি পাওঁতেই সিহঁতে সাৰপায় বা? নিশাখন আমাক দেখি আমাত প্ৰত্যয় নেযাবও পাৰে।" ভোকত চেপেটা লাগি থকা বাবে তেওঁৰ কথা শুনিবলৈ বাধ্য হলোঁ। মঙ্গহ লৈ, লগৰীয়াবোৰ থকা নৈৰ পাৰ পালোঁগৈ। নৈখন ইমান বলিয়া হৈ বাঢ়ি আহিছিল যে আমি নামি যাব নোৱাৰি পিঠিত মঙ্গহৰ বোজা লৈ সাঁতুৰিয়েই পাৰ হৈ গলোঁ। আমাৰ ঘূৰি অহালৈ বাট চাই চাই তিনিজন একো নোখোৱাকৈয়ে থাকিল।

এনেকৈ লঘোনে থকাৰ পিছত, আমাৰ ভোক-জ্বৰ উঠিলগৈ। এটাই আকৌ সিহঁতক দেখুৱাই আগতে মঙ্গহ উলিয়াই অকলে অকলে খালে; তথাপি, ভোকত তৎ নেপাই কলমলাই থকা কিটাক অকণকে নিদিলে। আমি গৈ পালত, সেই

তিনিটাই আমাক প্ৰৱঞ্চনা কৰাৰ কথা ক'লে আৰু ক'লে বোলে আমিও তেনেকৈ 'তাক তুতুৰাই খাব লাগিব। অৱশ্যে আমি তেনেকুৱা কাঠচিতীয়া হ'ব নোৱাৰিলোঁ।

সকলোৱে সমানে আমাৰ খোৱা বস্তু খিনি ভগাই লৈ ঠিক কৰিলোঁ।—ৰাতি হ'লে পাল পাতি-পাতি আমি শত্ৰুৰ আলেখ-লেখ চাই থাকিম। আমাতকৈ শত্ৰুৰ মানুহ সৰহ। ক'ৰবাত সিহঁত আহিলে, আমি এটাইবোৰে ইটোৱে সিটোক নমবোঁ মানে সহায় কৰিব লাগিব। তাৰ পিছত আমি এৰি থৈ অহা মানুহজনী কলৈ গ'ল বুলি বিচাৰ লগালোঁ। সিহঁতৰ মুখৰপৰা শুনিলোঁ বোলে আমি এৰি অহাৰ পিছতে তাই কেনিবাদি সুৰুকা মাৰি পলাল। তাৰ পিছত আৰু তাইৰ একো উৱাদিহকে পোৱা ন'গল। আমাৰ এনেকুৱা অৱস্থা হৈছিল যে সেই সময়ত তাইক পোৱা হ'লে তাইৰ গাৰ মঙ্গহকে খালোঁহেতেন।

---

## কাফ্ৰী-আক্ৰমণৰ আশঙ্কা

ৰাতি হ'লত, আমি কেউপিনে পৰ দিবলৈ ধৰিলোঁ। সাতোওটাৰ টোপনি গ'ল। দুঘণ্টামান শোৱাৰ পাছত কাফ্ৰী মানুহ এটাই হাতত টোকোন এডাল লৈ তাৰ ফালে হাতত সাৱে ভৰিত সাৱে অহা যেন গম পালে। অলপ বেলি টলকা মাৰি থকাৰ পিছত, সি বঠাপাত লৈ তাৰ মূৰতে মাৰ মাৰি দিলে। সি এছাৰ খাই পৰি গল। মৰামৰি হোৱা শুনি আমি সাৰ পালোঁ। কাফ্ৰীবোৰক খেদিবলৈ আমি দুই মাৰি ওলালোঁহঁক। এটা মাৰিলোঁও। সেইটো মৰা দেখি, বাকীবোৰ পলাই পত্ৰং দিলে আৰু আমিও সিহঁতক পাছে-পাছে খেদি নিলোঁ। কিমান মানুহ আছিল কব নোৱাৰিলোঁ। কিন্তু, পলাই যাওঁতে কৰা চিঞৰ বাখৰৰপৰা সিহঁতৰ মানুহ কুৰিটামান আছিল বুলি অনুমান কৰিব পাৰিছিলোঁ। যথাৰ্থতে, সাতোটা কি আঠোটামান হে হ'ব। সিহঁতক খেদা লগোৱাৰপৰা একো লাভ নাই যেন দেখি, সেই মাৰ খোৱাটো মৰিল নে আছে চাবলৈ আহিলোঁ। সেইখিনি পাই চাওঁ দেখোন

কাফ্ৰীটোৱে তাৰ টোকোন এৰি বগুৰা বাই-বাই কেনেবাকৈ পলালেই।

সিহঁত অহাযোৰা কৰা ফাঁকিফুকাবোৰ দেখি সকলোৱে কোৰাকুই কৰিবলৈ ধৰিলোঁ। শেষত গুলাই পৰিলগৈ যে সেই জুই পুঁৱাবলৈ অহা মানুহ জনী সিহঁতৰে চোৰাংচোৰা। আমি আতঁৰি যাওঁতে চাৰিটা মানুহ যে আমাৰ বহাত থৈ গৈছিলোঁ, সিহঁতক হেলাৰঙে বলে পাৰিব বুলি ভাবি তাই লগৰ কাফ্ৰীহঁতক মাতি আনিলেগৈ। সিহঁত আহি আমাৰ ইয়াত চাৰিটাৰ ঠাইত আঠোটা একেলগে আৰু এটা পৰ-দি থকা মানুহ পালেহি।

পোহৰ হোৱা মাত্ৰকে, আগৰ ডালৰ দৰে এডাল শকত জৰী বাটিলোঁ। ভুৰখন মেলিবৰ সময়ত চাওঁ দেখোন ভুৰত ছটাতকৈ বেছি মানুহ নধৰে। বাধ্য হৈ দুটাক নমাব লগীয়া হ'ল। আমাৰ ভিতৰৰে নিচেই সৰু দুটাক বামৰপৰা সোনকালে ঘূৰি আহিমগৈ বুলি আশ্বাস দি নমাই থলোঁ। সাগৰ থিৰ হয় মানে জুই একুৰা ধৰি আমাৰ গা বোৰ সেকি পুতকি টঙাই লৈ এঘণ্টামান জিৰাইছোঁ, এনেতে বৰ হাইমৰা শুনিলোঁ। শুনি, আমাৰ বুকু কঁপি গ'ল।



ভয়ত পেপুৱা লাগিছিলোঁ যদিও, উলটি চাই দেখোঁ, দেখোন সেই নমুৱাই থৈ অহা মানুহ দুটা উভতি আহিছে। সিহঁতে কঁপি কঁপি ক'লেহি বোলে তাত থকাটো আৰু উচিত নহয়। কাৰণ, সেই ৰাতি সিহঁতৰ মহা প্ৰলয় হ'ল। তাত সিহঁতৰ লগৰ-সঙ্গৰ কোনো নাই! ভাগ্যেৰে সেই পিনে অহা এখন নাৱে সিহঁতক লৈ আহিল। ননা হলে, সিহঁতৰ পিনে সসাঙ্গেই। পিছে, সিহঁতৰ কথাত প্ৰত্যয় নগৈ আৰু দুদিনমান অপেক্ষা কৰিবলৈ স্থিৰ কৰিলোঁ।

## চৰ্খৰীয়াত পেলোৱা ভুৰ-দুৰ্ঘটনা

মাজনিশা ঢৌ থামিলত, আমি লঙ্গৰ পেলাই ভুৰৰ ভগাছিগাবোৰ জোৰা দিবলৈ গছ বিচাৰি গলোঁ। এনেতে, পৰ্ব্বতাকাৰ ঢৌ আহি ভুৰখন কোব মাৰি গছৰ আগমান পোৱালেগৈ। ভুৰত থকা কোনো মৰিল, কোনো উটি গল, কোনো তললৈ গল, কোনো গছৰ ডালত ধৰি কথমপি ৰক্ষা পালে। সাৰিলোঁ মাথোন মই।

এই দুৰ্ঘটনাই আমাক পদাপাল দেখুৱালে। আমি আৰু জীৱনৰ আশা এৰিয়েই দিছিলোঁ। মইও যে জীম তাকো ভাবিব নোৱাৰিছিলোঁ। কিন্তু, হঠাতে চাৰ্লছ ডবেলে পানীৰপৰা ওলাই মাত লগাই দিলে আৰু মোক ভূৰৰ ওপৰতে দেখি হাঁহি পেলালে। সাৰশেষত আটাইবোৰ আকৌ দেখাদেখি হলোঁহঁক। মৰিল বুলি ভবা কেইটাও নমৰিল। পানীত পৰি কোঙা হোৱা বাবে জুই একুৰা ধৰি গাটোহঁত সেকিলে।

এই দুৰ্যোগতে আমাৰ লঙ্গৰ আৰু ফই ডালৰ এডোখৰ ছিগি যোৱাত দুগুণ হানি পূৰাব লগীয়া হল। পানীৰ গতি দেখি ভূৰখন মেলিয়েই দিম নে বান্ধিয়েই থম, একো ঠিক কৰিব নোৱাৰি দুইনাও দুইভৰিত পৰিলোঁ। শেহন্তত, দুটাই হবলা বাকী থকা ফই ডালতে ধৰি ধৰি সুঁতিটো পাৰ হ'ল আৰু সেই ফইৰেই ভূৰ খনো টানি নি বাম উঠিলগৈ।

লাহে-লাহে ৰাতি ওচৰ চাপি আহিল। জাৰে ভোকেও ইপিনে আমাক তৰণি নোহোৱা কৰিবলৈ ধৰিলে। আগদিনা জুইপুঁউৱা ঠাইৰপৰা আঢ়ৈ-



মাইলমান আহিয়েই আটাইবোৰে জুই নেপায় বুলি আৰু-আগবাঢ়ি নেযায়-নথয়খন কৰিবলৈ ধৰিলে। এইদৰে যাওঁ-নেযাওঁ কৰি থাকোঁতেই সাহিয়াল আৰু ধেমেলীয়া চাৰ্লছ ডবেলে দুটা গজলীয়া ডেকা লৰা লগত লৈ আমাক লগাবস্তু বিচাৰি গ'ল। তেওঁ গ'লত, আমি আটাইবোৰে সেই দুখ-বেজাৰৰ কথাকে কৈ-কৈ সময় নিয়াবলৈ ধৰিলোঁ। তেতিয়া আমাৰ সকলোৰে মুখত ইয়াকে হে ওলাইছিল বোলে আমাৰ স্বকৃত অপৰাধৰ বাবে ঈশ্বৰে সমুচিত দণ্ড বিহিবলৈকে আমাক এই নাজল-নাথল অৱস্থাত পেলাইছে; আবৰী আৰু সহায়-সাৰথি নোপোৱা ঠাইত পেলাই কৰুণাময়ে ভাল ৰং চাইছে!

ইতি সময়তে, আমাৰ লগৰীয়া কিটা উভতি আহিল। আমাৰ অৱস্থা ইমান কাহিল হৈ আহিছিল যে সিহঁত নোপোৱাহি হলে, আমাৰ ফালে পতঙেই হলহেতেন। সিহঁতে লৈ অহা জুই কুৰাতে আমাৰ ঠেৰেঙা লাগি থকা হাত ভৰিবোৰ তাপ দিলত আমাৰ গালে চেতন আহিল। এই দুৰ্ভগীয়া মানুহ কেইটাই কৈছিল বোলে, জোপোহা কাঁইটনিৰ মাজেদি আহোঁতে-আহোঁতে সিহঁতক

পৰুৱাই পালে ; সেই দেখি, বাট হেৰুৱাই আগেয়ে এৰি থৈ অহা জুইকুৰাৰ ওচৰত ওলালগৈ। সেই জুইৰপৰা জুই আনি ওলটোতে আকৌ পানীৰে চপচপীয়া হৈ থকা খাল এটাত পৰিলহি। তাতে হাতৰ জুই হাততে নুমাই থাকিল। আকৌ জুই আনিব লগীয়া হ'ল। জুই থকা ঠাইলৈ যাবলৈ ভাল বাট বিচাৰি ঘূৰ্ম্মুটিয়াই ফুৰোঁতে বহুত বেলি হ'ল। কোনোটোক হুলজোঙে বিন্ধিলে, কোনোটোৰ ভৰি-তলুৱা ফালিলে, কোনোটোৰ বা আকৌ তলুৱাত কাঁইট সোমাই তাতে গোট মাৰিলে, কোনোটোক আকৌ আঁচুৰিলে। এনেয়ে সিহঁতৰ গাত বলৰ লেশ মাত্ৰ নাই, তাতে আকৌ ভয়টোও ডাঙৰ। এই দুয়োটা সঙ্কটে সিহঁতক জুলুকি-জুলুকিকৈ শিকালে। পুতৌ লাগি, তাহাঁতক অলপ জিৰাবলৈ কলোঁ।।

পিছদিনা ৰাতিপুৱা অধ্যক্ষজনৰ ওচৰলৈ দুটা মানুহ পঠিয়ালোঁ।—তেওঁ থকা ঠাইৰ ইফালে-সিফালে সেইবোৰ বস্তু আছেনে নাই চাবলৈ। ইয়াৰ ভিতৰতে, আমি ভূৰৰ লঙ্গৰ সাজিলোঁ আৰু ফই দুডালমানো বাটিলোঁ। সাঁজ লাগিবৰ সময়ত



মানুহ দুটা আহি ক'লেহি বোলে তাত গেলা মাছ এচকল, "বছলৰ মঙ্গহ এখুটুৰা আৰু টেকেলি এটাত চাৰি ফুটা নহকুৰ বাহিৰে আৰু একোকে পোৱা নহল। পোৱাবস্তুকিটাকে হে সিহঁতে লৈ আহিছে।

### *গেলা মঙ্গহৰ জুতি*

এইবোৰ উপহাৰৰ চিন পাই বুজিলোঁ— তেওঁ-বিলাকে আমালৈ পাহৰা নাই। এনে সময়তে, মুখিয়াল দুজনে মাত লগালে, বোলে, "আমি উভতি আহোঁতে এটা মৈদাম পাইছিলোঁ। সেই মৈদামটো খানি চালত, তাতে এটা শ ওলাল। শটো পোকেৰে লেউ-লেউ। পোকবোৰ দেখি ভাবিলোঁ আমাতকৈ ইহঁতৰ অৱস্থাই ভাল। আমি ভোকত হাঁ-ভাত, হাঁ-ভাতকৈ মৰিছোঁ, আৰু ইহঁতে দবনি-পিটি পেট ভৰাই খাই আছে। এতেকে, ইহঁতক ভোগ্য বস্তুৰপৰা বঞ্চিত কৰিব লাগিব। ভাল উপায় নেপালে, আপদত অৱশ্যে অযুগুত কৰিলেও আমাক দোষে চুব নোৱাৰে। এই বুলি কৈয়েই আমি লোভ সামৰিব নোৱাৰি শৰটোৰ গাত

হাত দি এচপৰা মঙ্গহ কাটি আনি খায়েই পেলালোঁ।” এই কাম এজনে হে কৰিছিল। ইজনে কথাটো বেয়া যেন দেখি শটো দাঙি আকৌ আগৰ ঠাইত শুৰাই থলে। নোখোৱা জনে ভাবিলে তাত থাকিলে ভোকে আৰু জঞ্জলিত হে দিব। এই বুলি তেওঁ মনৰ আশা মনতে মাৰ নিয়াই লৰালৰিকৈ তাৰপৰা গুচি আহিল। ওপৰত উনুকিয়াই অহা মাছ আৰু পাতৰ লগত অনা টেকেলিটো জুইৰ ওপৰত দি ভোজন সমাপ্ত কৰিলোঁ।

তাৰ পিছত, আমি সেই দ্বীপত আৰু-দিনদিয়েক থকাই ভাল নে তাক এৰাই ভাল, ভাবিবলৈ ধৰিলোঁ। তাত থাকিব খোজাৰ কাৰণ এই কেইটা ঃ—সাগৰত তেতিয়াও ঢৌ ধমধমাই আছে, লঙ্গৰ ছুডালো ভগা; এডাল ভাগিলে আৰু এডাল সাজি লবলৈও সাধ্য নাই। তদুপৰি, আমাৰ লগৰীয়া কেইজন পালেহি তেওঁবিলাকে আমাক চাব আৰু তাৰপৰা উদ্ধাৰ কৰিবলৈ সকলো ছেগকে ধৰিব। তাৰপৰা উঠি যোৱা ভাল বুলি কোৱা কেইজনে ক’লে, বোলে, “নহয়, তেওঁবিলাক ঘূৰি আহি আমাক সহায় কৰা



অসম্ভৱ; সেই দেখি, যি আছে তাকে খাইবৈ আমি তুৰন্তে ইয়াৰ পৰা গুচি যোৱা হে উচিত। তাকে নকৰিলে আমাক বিপদে আকৌ হেঁচা মাৰি ধৰিৰহি।” বহুত তৰ্কবিতৰ্কৰ মূৰত আমি যোৱা উচিতনে অনুচিত এই কথাৰ মীমাংসা কৰিবলৈ এজন বয়সস্থ লোকক মধ্যস্থ পতা হ’ল। তেওঁ ক’লে বোলে সেই ঠাইত থকাটো একোপধ্যেই বাঞ্ছনীয় নহয়। তেওঁৰ কথাকে মানি পাছবেলা ভূৰখন বাটিবুটি পিছদিনা ৰাতিপুৱা ‘বছলৰ’ মঙ্গহ আৰু ছালেৰে পাৰণা কৰি ভূৰ মেলি দিলোঁ।

পাল তৰি ভূৰখন এৰি দিলত, ধীৰ বতাহে লৈ গৈ আধা ঘণ্টা মানৰ মূৰতে ঢৌৰ হাত সৰুৱালে। বতাহে শাম কাটিলত পাল গুচাই বঠা মাৰিবলৈ ধৰিলোঁ। ডঁৰিয়লি ছুটামান পাৰ হৈ গলত, ভোকে গম দিলে; ভূৰ বান্ধিবৰ মন কৰি লঙ্গৰ পেলাই দিলোঁ। তাৰ পিছত, বতাহে একো অপকাৰ নকৰিব যেন দেখি পাল তৰি আকৌ ভূৰ এৰি দিলোঁ। ভূৰখন গৈ সেই দ্বীপ নেদেখা হলগৈ। পাছ দিনা পুৱা, আমাৰ অধ্যক্ষই কোৱা সেই দ্বীপ বা চাপৰি ছুটা দেখিলোঁ তাৰ পিছত, ক্ৰমাৎ গৈ-গৈ সাতঘণ্টা-

মানৱ মূৰত সমথল পোৱা যেন লাগিল। তাৰ ওচৰ পাওঁতে-নৌপাওঁতেই এনে এটা ধুমুহা আহিল যে আমি লৰালৰিকৈ ভুৰ বান্ধিবলৈ বাধ্য হলোঁ। সেই সময়ত আমাৰ এজনে পাৰ পোৱা দেখি খোৱা বস্তু বঢ়াই দিবলৈ প্ৰস্তাৱ কৰিলে। এজনে আকৌ আসোঁৱাহ উলিয়াই ক'লে, বোলে, এহেঁচা বতাহৰ হে কাম—সেয়ে যদি, কেনেবাকৈ আহিবলৈ হয়, আমাৰ দেখোন ভিকাচনেই ভাগে একা! এতেকে, এতিয়া যি অলপ পোৱা হয় তাতেই সন্তুষ্ট থকা ভাল।

---

# তৃতীয় অধ্যায়

## *সন্দ্বীপ পোৱাপুইত*

আমাৰ হাতত দিকচোৱা যতন নথকা বাবে, বেলি-তৰা চায়েই আমাৰ থকা ঠাইৰ দিক্ অনুমান কৰিছিলোঁ। পিছদিনা ৰাতিপুৱা ঢৌ-বতাহ মাৰ গলত আমি পাৰৰ কোষ পালোঁগৈ। কিন্তু পাৰলৈ নামিব নোৱাৰিলোঁ। সাপৰ নেগুৰ-ছিগা যেন সোঁত বলি থকাত তাতেই লঙ্গৰ পেলালোঁ আৰু বৰ ভয়ে-ভয়ে তাতেই আৰু এৰাতি থাকিব লগীয়া হ'ল। ৰাতি পুৱালত, পাৰলৈ নামি সেই খন নো আমি বিচৰা দেশ হয়নে নহয়, যদি নহয়, আকৌ আহিব লাগিব—এই বুলি পানী-যুঁৱলিতে ভুৰ খন বান্ধি থৈ গলোঁ। ভুৰ খনৰপৰা অলপ দূৰৈ গৈয়েই এটা তিনি মূৰীয়া বাট পালোঁগৈ। মূৰটো দুফালে ফেৰেঙ্গনি মেলি গৈছে। এটা গৈছে পাৰে-পাৰে; ইটো গৈছে সন্দ্বীপ নৈৰ দাঁতিয়ে-দাঁতিয়ে। দুয়োটা বাট মুখামুখি। এটা বাটকো

চিনি নোপোৱা দেখি আমাৰ বাটকেঁৰা লাগিল। পাছে, নৈৰ কানে কানে যোৱাটোকেই ঠিক কৰিলোঁ। সেই বাটটোৰেদি এছোৱা যোৱাৰ পিচত আমাক ভোক-পিয়াহ আৰু ভাগৰে জৰ্জ্জৰিত কৰি পেলালেহি! খোজ কাঢ়িবলৈকে শকতি নোহোৱা হ'ল। বাটে-বাটে জিৰাই-শঁতাই লাহে-ধীৰে তেও গলোঁ। কিন্তু, এই দৰে তিনি ঘণ্টা সময় বাটকুৰি বাই যাওঁতেও ক'তো জনপ্ৰাণী এটা লগ নেপালোঁ। —গোটেইখন নিজান। অলপমান দূৰৈ গৈয়েই, কেই জোপামান লঠামূৰা গছ দেখিলোঁ—সেই গছবোৰৰ ডাল পাতবোৰ যেন অলপতেহে কোনোবাই কাটি লৈ গৈছে। তাৰপৰা কিছুদূৰ আগ বাঢ়ি গৈ দেখিলোঁ—নৈৰ যুৰঁলিতে নাও এখনত মানুহ কেইটামান উঠি আছে। সিহঁতে আমাক দেখা মাত্ৰকে আমাৰ ফাললৈ আগ বাঢ়ি আহিল। মানুহকিটা দেখি ভালেই লাগিছিল। পিছে, অনাভুৱাকৈ অহাত হে আমাক কিবা কৰে বুলি সন্দেহ লাগিবলৈ ধৰিলে।

সিহঁতৰ মানুহ ছটা; হাতেপতি একোখন মেচী-দা। দেখি আমাৰ ভয় লাগিল। ওচৰ চাপিলত



ফেৰ পাতি ধৰা দূৰৈৰ কথা, 'বছলৰ' ছাল ডুখুটুৰামান দেখুৱায়েই সিহঁতক থমক খুৱাই ৰখালোঁ। সেই ছাল কেইখু টুৰাৰ এনেকুৱা আকটা গোন্ধ ওলাইছিল যে সিহঁতৰ নাকত কিন্তু ধৰিলেগৈ; সহিব নোৱাৰি ছখোজ কি সাতখোজ পাছলৈ হুঁহঁকি যাবলৈ বাধ্য হল। সিমানতো, নাকটোহঁত টেপা মাৰি সিহঁতে আমাক দা জোকাৰি দেখুৱাইছিল। মানুহ কিটাৰ ভাৱভঙ্গী দেখি বুজিলোঁ যে সিহঁতে আমাক বিশ্বাস কৰা নাই। তথাপি, আমি খাবলৈ লোৱা পাতবোৰ দেখুৱাই সেইবোৰেই যে আমাৰো আহাৰ তাকে আকাৰে-ইঙ্গিতে সিহঁতক বুজাই দিলোঁ। পিছত, মানুহ কেইটাই আমাৰ কথা বুজ পাই আমালৈ সিহঁতৰ দয়া লাগি ওপৰলৈ চকুমণি থিৰ কৰি দয়াময়ক ভাবসা কৰিলে। আমাৰ সোঁপকীয়া কথাত ভাল পোৱা যেন দেখি, সিহঁতক ওচৰৰ গাওঁখনলৈ যাবলৈ লগ ধৰিলোঁ। পইচা পালে যাব বুলি ঠাৰে-চিঞাৰে উত্তৰো দিলে। তেনে অৱস্থাতো পইচা খোজা দেখি ভাবিলোঁ— আমাক স্ৰজোতা ঈশ্বৰো এক; দয়া-মৰম নাইকিয়া এই আপোনপেটীয়া মানুহবোৰক স্ৰজাজনো এক।

আবৰী কেইটাই আমাক ঢৌছিৰা জিগিনী কাপোৰেৰে লাঙ্গুটি মাৰি কথমপি হাড়তখোৱা জকা কিটা লৈ থকা দেখিছেই, আৰু আমি যে নাজন-নাথল হৈ উটি-বুৰি ফুৰিছোঁ তাকো সিহঁতে বুজিছে, বুজি-সুজি আতৌপুতৌও কৰিছে, তথাপি আকৌ আমাক ধনলৈ দবাইছে! আমাৰ হাতত বিত নহলে আমি যে পাৰত গৈ দুৰ্দ্দশাত পৰিমগৈ তাত কোনো সন্দেহেই নাই। তেও বুলি, সিহঁতক অলপ ধন দিয়াটোকে সুবুধিৰ কাম যেন ভাবি আমাৰ ভিতৰৰ সবাতকৈ জ্যেষ্ঠ জনকে পঠিয়াই দিলোঁ—সিহঁতৰ লগত কথা বতৰা হবলৈ। তেওঁ হবলা ৰূপ এটকা দিলে। এটকাত কিন্তু সিহঁত মান্তি নহল; বঙালহঁতে দহটকা লাগে বুলি ক'লে। নগদ দহটকা পালেহে হেনো সিহঁতে কাম এৰি যাব পাৰে। বৰকৈ পেৰি ধৰাত এটকা দুটকাকৈ লেখি লেখি তিনটকা ৰূপ দিলোঁ। তথাচ সিহঁতৰ মনত নাটনি! বহুত বেলি খট্‌বান্ধ কৰি আমাৰ বুঢ়া জনে তলি উদং বুলি জেপটো জাৰি-জোকাৰি দেখুৱালে। আমাৰ যি আছিল সকলো দিয়া হল বুলি। এই চলেৰেই সিহঁতক বুজোৱা হ'ল। চল



কৰি আমি জিকিলোঁ। হয়, পাছে, তাৰপৰা আমাৰ ভাল এটা হৈ নুঠিলগৈ।

মানুহকেইটাৰ ভূৰতে উঠি সিহঁতকে কিবা দুটামান খাবলৈ দে বুলি খুজিলোঁ; মাত-কথাৰে নহয়, আকাৰে ইঙ্গিতে হে। "পইচা নেপালে একোকে নিদিওঁ" বুলি সিহঁতেও অঙ্গী-ভঙ্গীৰে বুজালে। আমি হবলা আকৌ ৰূপ এটকা সিহঁতৰ ফালে দলি মাৰি পেলাই দিলোঁ। তাৰ সলনি, সিহঁতে আমাক কাপোৰ এডোখৰ, চাউল একাঁজলি আৰু হাতৰ আঙুলিমান দীঘল পিছাং (এবিধ মাছৰ ছিৰা) দিলে। সেই বস্তু কেইটাকে লবলৈ আমাৰ মাজত কঢ়া-আজোৰা লাগিল। এটাইবোৰে একে লগে হেঁপা মেলি হাতখনহঁত আগ বঢ়াই দিলোঁ। বিলনীয়াই এমুঠি চাউল নো কেনেকৈ বিলাব, ভাবি বিমোৰ হৈ চাউল মুঠিকে আঠ ভাগ কৰিলে। পিছাং ফুলাৰো আঠোটা খুটুৰা কৰিলে। কৰি আমাক গাইপতি এভাগ এভাগ কৈ দিলে। সি মুখত লুৰফুৰাবলৈ হে হল যদিও, আকালত পচলা খাই থকাৰ দৰে তাতে কোৱাৰি চেলেকি থাকিব লগীয়া হ'ল। সেই ভূৰত থাকোঁ মানে নমৰোঁ

বুলিও বিশ্বাস হ'ল। বঙালকিটাই আমাৰ হাতত ধন থকাৰ গম পাই, অলপমান গৈয়েই ভূৰ বাবলৈ এৰি দি আখটি জুৰিলে বোলে, আমি যদি আৰু আগুৱাই যাব খোজোঁ সিহঁতক ধন দিব লাগিব। টানত পৰি আমিও ৰাম বুলিব লগীয়া হ'ল। ধন দিবলৈ মান্তি হলোঁ। দিয়াৰ পিছতেই, সিহঁত বাৰ বেঁওমান গল; আকৌ পইচা লাগে বুলি ঠোহঠোহাবলৈ ধৰিলে। আকৌ এটকা দিলোঁ। এই দৰেই দৰক ধৰি-ধৰি যত বাৰেই সিহঁত ৰৈছিল, তত বাৰেই পইচা দি সিহঁতৰ টোহটোহনি ভাঙি গৈছিলোঁ।

এনেতে আৰু দুখন নাও আহি এই খনৰ লগ লাগিলহি। নাৱৰীয়াকিটাৰ আঙ্গি-ভঙ্গিৰপৰা বুজিব পাৰিলোঁ যে সিহঁতে আমাৰ কথাকে কৈছে। আমাৰ ভূৰত থকা মানুহকিটাৰ লগত এইদৰেই কথাবতৰা পাতি গ'ল। ৰাম উঠিলত সিহঁতে আমাকনো কি কৰিব আলচিবলৈ ধৰিলে। আমাৰ ধন আছে বুলি জানি সিহঁতে বাৰে-বাৰে যেনেকৈ হে আমালৈ চকু ঘোপাকৈ চাবলৈ ধৰিছিল, দেখি, আমাৰ থৰযুগুতিয়েই হেৰাইছিল। তথাপি,



এঘন্টামান ভূৰত থকাৰ পিছত আমাৰ দুজনে সিহঁতক পানী ক'ত আছে দেখুৱাই দিবলৈ ক'লে। অঁকৰা আবৰী কেইটাই পানী দেখুৱাওক ছাৰি, বাউসীত ধৰি দুইটাকে ঠেলি-হেঁচি ভূৰত হে থৈ গলহি। এতিয়া হে বুজিলোঁ—সিহঁতৰ অভিপ্ৰায় আমাৰ মূৰ-নিয়া। এইবাৰ আৰু নিস্তাৰ নাই—নিশ্চয়েই মৰিলোঁ। এই বুলি আমি আটাইবোৰে মৰণকে ধিয়াই ঈশ্বৰক চিন্তি থাকিবলৈ ধৰিলোঁ। ভোকত পেটৰ নাড়ী শুকাই ঘোৰাত সেই গুণনি-চিতনি অৱস্থে দুই-তিনি ঘণ্টামান পাতলি আছিল। সঁচাসচিকৈয়ে সেই সময়টো আমাৰ নিমিত্তে দুই তিনি যুগ যেন লাগিছিল। পিছত দেখোন তিনিউখন ভূৰ গুচি গ'ল। আমাৰ অধ্যক্ষজনে ৰূপ এটকা দি সিহঁতৰপৰা পানী একলহ লৈ আহিল। সেই পানী খাই আমাৰ পেটটোহঁত শাঁত কৰিলোঁ। বহুত দিনৰ মূৰত লুণীয়া পানী খাই বৰ ভাল লাগিল।

এনে সময়তে, আবৰী কেইটামানে ক'লেহি বোলে, সিখন গাৱঁত আমাৰ নিচিনা কুৰিটামান মানুহ আছে। খবৰটো পাই, আমাৰ বৰ ৰং

লাগিল। সিহঁতক তৎক্ষণাৎ ৰূপ তিনটকা দি দিলোঁ। টকা পাই আমাক সেই গাৱঁলৈ লৈ গ'ল। গাওঁ সোমাই তাৰে দুটাই আমাক নি সেই গাৱঁৰ গাওঁবুঢ়াৰ আগত ভেঁটালেগৈ। আমি যে সিহঁতক বাট দেখুউৱা বাবে ৰূপ তিন টকা দিছিলোঁ, তাকে মানুহকিটাই গাওঁবুঢ়াজনৰ আগত থৈ তিনি বেলি "চালাম বেটা" বুলি সেৱা কৰিলে। গাওঁবুঢ়াজনে আমাৰ লগত হলিগলিকৈ কথা-বতৰা পতা নাছিল। কব নোৱাৰোঁ, কিয় যে তেওঁ অলপ পিছতে আমাক সেই 'ৰূপ' তিন টকা ওলোটাই দিছিলহি। তেওঁৰ মানুহে কাম-কৰি-ঘটা ধন বুলি আনিবলৈ নহল। তাৰ পিছত, তেওঁ আমাৰ লগত দুটামান লগুৱা দি আমাৰ নিচিনা মানুহ কিজন দেখুৱাই দিবলৈ ক'লে। আমাক পাই, তেওঁবিলাকে ( আমাৰ লগৰ কিজনে ) বৰ ভাল পালে। পূৰ্ব্বে, সেই দ্বীপতে ( মাজুলী চাপৰি ) এৰাএৰি হোৱাৰ পাছত, আমাতকৈ পাঁচ দিনৰ আগেয়েই তেওঁবিলাক সেইখিনি পালেহি। যি পাঁচ জনে নিজৰ নাও লৈ মাছমৰীয়া এটাক বাট-কটীয়াকৈ লৈ আহিছিল, সিবোলাকো ই কেই-



জনতকৈ কেইদিনমানৰ আগতে সেই খিনি পালেগৈ।

দেখা মাত্ৰকেই আমাক আগবঢ়াই নিবলৈ তেওঁবিলাকৰ মাজত হেঁটা-ওপৰা লাগিল। আমাৰ নিমিত্তে লগৰীয়া কিজনে ইমানবোৰ মঙ্গহৰ টোপোলা আনিছিল যে আমি পিছাং আৰু মৌ খাই নথকা হ'লে, পেটতে সেইবোৰ গুলুম বান্ধি থাকিলহেতেন। মঙ্গহ পাই হেঁপাহ পলুৱাই খালোঁহঁক।

ইয়াত থকাৰ দুদিনমানৰ পিছত, গাওঁবুঢ়াজনে আগতে অহা কেইজনক আমাৰ লগৰীয়াবিলাকক জাহাজ হেৰুৱাৰ বাৰ্ত্তা দিবলৈ পঠালে। আৰু লগত এজন দোৱনীয়া দি কোৱালে বোলে তেওঁ-বিলাকে লগত যথেষ্ট খোৱা-সমল লৈ থক, নহলে বৰ চৌঠেঙ্গীয়াত পৰিবগৈ লাগিব। কাৰণ, পানী বটীয়া বাট ১২৫ মাইল যাব লাগিব। তাৰ পিছত বামে যাব লাগিব পাঁচ দিন। বামে যাব লগীয়া বাট ডোখৰ টটাৰি আৰু মানুহ-দুনুহ গছ-গছনি নোহোৱা ফলংলং মৰুভূমিৰ দৰে। তদুপৰি, যলৈ যাব লাগে, তাত খোৱা-বস্তু-বেহানিও পাবলৈ আটক। এই বাৰ্ত্তা শুনি, মঙ্গহ খাই নতা পোৱা,

অথচ, হেঁপাহ নপলোৱা দুৰ্ভগীয়া কিজনৰ পেটে-পেটে ভয় লাগিবলৈ ধৰিলে। সেই দেখি, যাবলৈ হোঁহোঁকা-পিছলা কৰিছিল। কিন্তু, যাব লগীয়া যে হলেই! আমি পাছত অহা কেইজন চাৰি পাঁচ দিন জিৰালোঁ। তেনেতে আমাৰ মনত পৰিল—আমাৰ লগৰীয়া কিজনক এইদৰে দ্বীপটো এৰিবলৈ কিহে পাইছিল? পিছত জানিব পাৰিলোঁ আমাক এৰি থৈ অহাৰ পাছত তেওঁবিলাকে নিজৰ ঘৰলৈ গৈ বেলি হোৱা বাবে জিৰণি লৈছিলগৈ। তাৰ পিছ দিনা ৰাতিপুৱা তেওঁবিলাকৰ খোৱা বস্তুখিনি কোনোবাই চুৰকৈ লৈ গল। শেহত, ঈশ্বৰকে ভাবি-চিন্তি সাদ-সোৱাদ নথকা যিহকে পালে তাকে খাই পেট পূৰালে।

গধূলিলৈ তেওঁবিলাকৰ দুজনে দুখ-দুৰ্গতিৰ কথা কৈ থাকোঁতে থাকোঁতেই দ্বীপৰ আগ-টুপ পালেগৈ। তাতে মাছোৱাই দুটামান দেখিলে। সিহঁতক দেখিয়েই তেওঁবিলাকে গছৰ ঠাল এটা ভাঙ্গি, ঠালটোৰ আগত কাপোৰ এডোখৰ মেৰাই, সেই ঠালটো জোকাৰি তাত মানুহ থকাৰ জান দিলে। জাননী দেখি, জালোৱা কেইটা কাষ চাপি



আহিল। সিহঁতে পৰ্টুগীজ ভাষাৰে আমাক কোন বুলি সুধি এঘণ্টামান কথাও পাতিলে। আমিও সিহঁতৰ ভাষাৰেই উত্তৰ দিলোঁ। বৰ ৰং পাই সিহঁত পাৰলৈ উঠি আহিল। মানুহকিটাৰ হাতত যাঠি-জোং দা-কটাৰী ধনু-কাঁড় যথেষ্ট আছিল। আমাৰ কিটাৰ হাতত অস্ত্ৰ শস্ত্ৰ কম থকাত সিহঁতক জোকাই লবলৈ ভয় লাগিল। আমাৰ মানুহৰ হাতত থকা দা-কটাৰীবোৰ খোজাত সিহঁতৰ আগতে আটাইবোৰ মাটিত পেলাই দিলে। মাছোৱা কেইটাই সেইবোৰ বুটলি এঠাইত দ'ম বান্ধি আমাৰ ওচৰলৈ চাপি আহিল, আৰু আমাৰ নো মানুহ কিমান আছে, সুধিলেহি। সৰহ বুলি ক'লে, জানোচা সিহঁতে ভয় খায়, এই বুলি আমি সাতোটা-মান হব বুলি কৈ থলোঁ। বাট দেখুউৱা কিটাই হাবি সোমায়েই বৰকৈ ৰিঙিয়াই যাবলৈ ধৰিলে। সিহঁতে কিবা জন্তু মাৰিছে বুলি ইবোৰে হাতে পাতি একোডাল টোকোন লৈ হাজিৰ হ'লহি। টোকোন নিয়াবোৰ মানুহ আবৰী। ভাবুকি দিয়া যেন ভাবি, সিহঁতে আমালৈ কাঁড় মাৰি পঠিয়ালে। কিন্তু কাঁড়ে কাকো অপকাৰ কৰিব

নোৱাৰিলে। সিহঁতৰ মুখ বিকটনিখন দেখি আমাৰ মানুহবোৰে বৰ হাঁহিছিল। আবৰীহঁতৰ কাঁড় ঢুকালত আমাৰবোৰক শুদা হাতে সিহঁতৰ ওচৰলৈ যাবলৈ ক'লে। এই কথাত, তেওঁ-বিলাক মান্তি হৈ আবৰীহঁতক ঠাৰচিঞাৰেৰে খাবলৈ কিবা আছেনে বুলি সুধিলে। এটাই ওলণ্ডাজ ভাষাৰে ক'লে বোলে সোধা মানুহকিজনক কিবা লাগিলে দিব পাৰে; কিন্তু দিয়াৰ আগেয়ে তেওঁ-বিলাকে ধৰি নিয়া মানুহ কিটা আৰু হাতৰ দা-কটাৰীবোৰ পৰিশোধ কৰিব লাগিব।

আমালৈ ভয় কৰি, আবৰীহঁতে আমাক দুটামান হুঁটা চাউল দিলেহি। সেই চাউলকেটাকে আমি ইমান আগ্ৰহেৰে খাবলৈ ধৰিলোঁহঁক যে আমাৰ খাৰন দেখি সিহঁতৰ চকু টেলেকাটেলেক হ'ল। তাৰ পিছত, তাৰপৰা যাবলৈ আমি টালিটোপোলা বান্ধি সিহঁতক সেইবোৰ লৈ যাবলৈ ক'লোঁ। মানুহকিটাই কড়িওৱা-বেচ নেপালে নেযাওঁ বুলি ঠোহ ধৰিলে। আমাৰ আটাইবোৰে গাইপতি চাইটকাকৈ ৰূপ দিলে। পিছ দিনাখণ জালোৱা কেইটা নাও বাটিবলৈ লাগিল। নাৱত হেনো আমাকো সিহঁতকো জোৰাকৈ খোৱা বস্তু লৈছিল। তাৰ উপৰিও, সিহঁতে বাটত মাছ-কাছ পালে লম বুলি কৈছিল। মাছৰ নাম শুনি আমাৰ মানুহবোৰে সিহঁতক এখৰাহি চাউল খুজিলে। আধলি এটা দিলত, চাউল খৰাহি পালে। আবৰীহঁত মাছ মাৰিবলৈ গ'লত, আমাৰবিলাকে চাউল সিজাবলৈ ধৰিলে। চাউল সিজে মানে সিহঁতে কুটাবছা-যতনেসৈতে মাছ দুটামান আনি পোৱালেহি। ৰাতি শুবৰ সময়ত আমাৰ মুখিয়াল জনে আবৰীহঁতক চাই সাৱধানে থাকিবলৈ কৈ গ'ল।

ইয়াৰ দুদিনৰ পাছত, সিহঁতে আমাক নাৱত ভৰাই বিজুলী সঞ্চাৰে লৈ গৈ সিহঁতৰ গাওঁ পোৱালেগৈ। পোৱায়েই পোনছাটেই সিহঁতৰ শাসনকৰ্ত্তাজনৰ ওচৰলৈ লৈ গল। শাসনকৰ্ত্তাজনে আমাক পাৰেমানে আদৰ-আশ্বাস কৰিলে আৰু সেই দ্বীপৰপৰা নাৱত অহা মানুহকিজনলৈ খোৱাবস্তু অলপমানেসৈতে দুখনমান চেলেঙ্গী নাও পঠিয়াই দিলে। এই হুকুম দিয়েই বৰ ঢাৰি ( বাঁহৰ কাঠীৰ আসন ) এটাত বহিবলৈ কলে আৰু সেই জালোৱা-কেটাক মতোৱাই অনাই বাট দেখুৱাবাবে আমাৰ

মানুহৰপৰা লোৱা ৰূপ কেইটকা ওলোটাই দিবলৈ আদেশ কৰিলে। কিন্তু, সিহঁতৰ প্ৰাপ্যফেৰা ঘূৰাই লোৱাটো অন্যায় বুলি আমাৰ কিজনে তুৰ্ঘোৰ আপত্তি কৰিলে।

তেওঁবিলাক বহা মাত্ৰকে এটা লেহেতীয়া (নপুংসক) আহি জনালেহি বোলে ৰজাৰ (শাসন-কৰ্ত্তা) অন্তেঃষপুৰত থকা তিৰুতাবিলাকে তালৈ যোৱা ওলণ্ডাজ মানুহ দুজনক চাব খুজিছে। তাত বহি থকা ঘৰটো বহল আৰু তাৰ মাজে-মাজে, খোটালী। সেই খোটালীবোৰৰ মাজতে চ'ৰা। চ'ৰাইদি সুমুৱাই নপুংসকটোৱে ওলণ্ডাজ দুজনক ভিতৰলৈ লৈ গ'ল। ভিতৰত তিৰুতাবিলাক থূপথূপকৈ বহি মেল মাৰি আছিল। অভ্যাগত দুজন সেইখিনি পোৱাত অন্তেসপুৰ-নিবাসীবিলাকৰ কোনোৱে নাকত, কোনোৱে গালত হাত ফুৰাবলৈ লাগিল; কোনোৱে বা চোলাৰ গুদাম সোলোকাই বুকুকে চালে; কোনোৱে বা আকৌ আকুল দৃষ্টিৰে আচহুৱা দুজনক দাৰুভূত মুৰাৰিৰূপে জঠৰকৈয়ে থলে। তেওঁবিলাক কিন্তু সৰহ পৰ তাত থাকিবলৈ নেপালে। নপুংসকৰ তৎনিদিয়া খেচখেচনিত



সোনকালে ওলাই আহিব লগীয়া হল। তাৰপৰা ঘূৰি আহিলত, তেওঁবিলাকক অতিথি ঘৰলৈ লৈ যোৱা হল। পিছদিনা শাসনকৰ্ত্তাজন নিজে আহি আমাৰ হাতত থকা টকাবোৰ সলাই সেই দেশত চলা কড়ি কৰি দিলে। সেই দিনা হাটবাৰ। কড়ি নোহোৱাকৈ হাটত বস্তু কিনিবলৈ গলে ঠগ্ খোৱাৰ ভয় থাকে। সেই দেখি, শাসন-কৰ্ত্তাজনে নিজেই আমাৰ টকাগাল ভঙাই দিলে।

সেই দিনা পাছ-বেলা ৰং-বেমালিতে গল। বিয়লি আমাৰ হিচাপৰখা কাকতীজনে দুৱাৰেদি বাহিৰলৈ জুমি চাওঁতে কোনোবাই তেওঁলৈ শিলগুটি এটা দলি মাৰিছিল। দলি লাগি তেওঁ বৰ দুখ পালে। এনে দুষ্টালিৰ কথা জনোৱাত ৰজাই তৎক্ষণাৎ মানুহ পঠিয়াই সেই দুষ্ট মানুহটোক ধৰাই অনোৱালে। সি তেওঁৰে লগুৱা। ৰজাই তাৰ নাক ফুটাই, ফুটাত ঢোল এটা আঁৰি, ঢোলটো পিঠিত পেলাই সি যাৰ গাত দলি মাৰিছিল তাৰ ঘৰলৈ তাক লৈ গৈ, ডবাডৰকৈ কোবালে আৰু ঘৰৰপৰা খেদি উলিয়াই পঠিয়ালে। আমি অহাৰ

পিছত এৰি থৈ অহা ই পাঁচজনৰ এইটোৱেই মহা সঙ্কটৰ ঘটনা।

## আকৌ নৰমাংস ভোজনৰ আগন্তুক।

ইয়াৰ পাছতে, আমাৰ দৰে নাৱত অহা সাতজনৰ বিপদ। পাঁচ দিন লঙ্গৰ নোহোৱাকৈ ঘূৰি-পকি ওপঙ্গি ফুৰি ঢোত খুন্দা খাই বালিৰ চটত নাও লাগিলগৈ। চটটো বৰ ডাঙৰ। হাতত থকা সকলো খোৱা বস্তু অন্ত পৰিলত, কাঠফুলা কেইজোপামানৰ বাহিৰে তাত আৰু একো বস্তু বিচাৰি নেপালে। যিহক, তাকেই লৈ আহিল। পানী ঘূৰলিত বন্ধযোৱা শেলুৱাই খায়েই দুদিন থাকিল। এইবোৰ অভক্ষ্য বস্তুৱে তেওঁবিলাকক শুজিছিল যদিও, তাৰ বাহিৰে একো বিচাৰি নেপাই, তাকে খায়েই তপালি আছিল। তিন দিনৰ পাছত এই হেন দুৰ্গন্ধী অথচ আটকীয়া বস্তুৰো পৰালি পৰিলত তেওঁবিলাকৰ আহাৰ নাইকিয়া হল আৰু ক্ৰমে গাবোৰ ৰাঁই-জাঁই লাগিবলৈ ধৰিলে ; অইন কি, থিয় হবলৈকে গাত বল নাইকিয়া হল। মৰাটো খাতাং বুলি এজনে বাকী লগৰীয়া চাৰি জনক আতাইতাই বেলিকা মাত



লগালে, "তোমালোকে কি ভাবিছা ? আমি ভোকৰ হেঁ-কা ভালকৈয়ে পালোঁ। দুজনমান মৰি, দুজনমান জীয়াই থাকিলে জানো বেয়া ? ওচৰচুবুৰীয়াক মৰম-আৰু পুতৌ কৰিব লাগে সঁচা, আৰু কোনেও কাকো যে মাৰিব নেপায় সিও সঁচা। তথাপি আপোনাৰ দেহাটোতকৈ সংসাৰত আৰু আন কোনোবা আপোন আছে জানো ? পৰমেশ্বৰে দিয়া এই শৰীৰটি ৰক্ষা কৰিবলৈ অথন্তৰত অযুগুত কৰিলেও কিবা দায়ে ছুব নে ? জীৱ-জগতেই ইয়াৰ সাক্ষী। বৰ মাছে সৰু মাছ ধৰি-ধৰি খায়। শত্ৰু অহা গম পালে পোকপৰুৱাবোৰ আপোনাআপুনি লৰি পলায়। এতিয়া আমাৰ মৰণ ওচৰ চাপিলহি। জোৰ পুৰি হাত পালেহি! ইমানতো, আমাৰ কালৰ বৈৰীক নেখেদি কেনেকৈ থাকোঁ ? এতেকে আমাৰ ভিতৰৰে নিছলাকিটাক মাৰি আমাৰ ভোজ্য কৰা উচিত হ'ব। মহা সঙ্কটত পৰি হে এনে গৰ্হিত কাম কৰিবলৈ সূচাব লগীয়া হৈছেঁ। কোনোবাই, কয় যদি, মোৰ কথা মিছা বুলি কওক বাৰু ?"

যিজনলৈ টোঁৱাই তেওঁ সেই কথা কিষাৰ কৈছিল, তেওঁ লাহেকৈ মাত লগালে, "তুমি আকাশত

তৰ্কৰ যিখন মকৰা-জাল পাতিছা সেই জাল যে শোট-মোচ ধুমুচ হব, ধুৰুপ। আইনমতে নৰহত্যা মহাপাপ। আপদত পৰি যিমানেই কি খীণাই-শুকাই অত্ৰাহি নহওক, বিপদ বুলি, মানুহ মাৰিলেও তাৰ নিস্তাৰ নাই। সেই বাবে, "তুমি নৰ আৰু নাৰায়ণ দুযোৰে ওচৰত মহাপাপী।"

## ভোকে কি জানে ভেৰা-কৰ্কৰা

এই সাধু পুৰুষজনৰ কথাই কাৰো মন ঘোৰাব নোৱাৰিলে। এওঁৰ নাম এড্ৰিয়ান ৰুৱাছ। এওঁৰ কথাৰ অন্ত পৰিলতে কেউফালে গৰ্গৰণি লাগিল, বোলে, ভোকে কি ডেৰা-কৰ্কৰা জানে? আপদত অযুগুত কৰিলে কিহৰ জগৰথন লাগিব হেঁ?" এইবোৰ কথাৰ কটাকটি লাগি থাকোঁতেই তিনি জনে নিছলা-কিটাক মাৰিবলৈ প্ৰতিজ্ঞাকে কৰিছিল। এড্ৰিয়ান ৰুৱাছে গতিগোত্ৰ বেয়া যেন দেখি তেওঁবিলাকৰ মাজত থকা কাঁইঠীয়া মানুহ দুটাক সৰুৱাবলৈ চেষ্টা কৰিলে। মাৰি পেলাব বুলি শুনি সিহঁত দুটাই বেজাৰতে ফেকুৰি-ফেকুৰি কান্দিবলৈ ধৰিলে? কান্দোন শুনি ৰুৱাছে গাত এটা খানিলে আৰু তাতে



সিহঁতক ৰাতিটোৰ নিমিত্তে সোমাই থাকিবলৈ বুদ্ধি দিলে। সেই দৰে লুকুৱাই নোথোৱা হলে সেই ৰাতিয়েই সেই চেৰেলা মানুহ দুটাৰ ফালে পতং হলহেতেন। সিহঁতক মাৰিবলৈ নেপাই লগৰ আন তিনটাৰ ভিতৰৰ শকতটোৰ ওপৰত নৰপিশাচহঁতৰ চকু পৰিল। আলচটোৰ কথা ওলাই পৰিলত, সি গা-চাই ফুৰিবলৈ ধৰিলে। আৰু তাক মাৰিব খোজা কথাটো যেন সি গমেই পোৱা নাই, এনে ভাও ধৰি কৈ ফুৰিবলৈ ধৰিলে, "আজি-কালিকৈ থাকোঁতে-থাকোঁতে এনে এখন জাহাজ বা নাও ওলাবহি যে তাতে উঠি আমি পুলুকা মাৰি গুচি যাবগৈ পাৰিমহঁক। মই কৰমণ্ডলত চিপাহী হৈ থাকোঁতে শিকা ভাষাৰে তোমালোককো উদ্ধাৰ কৰিব পাৰিম।" এই তলেপুতল ফন্দীটোৱে যেনিবা গুণ ধৰিলে দেই। তাক নেমাৰি ৰাখিলে, আগলৈ তাৰপৰা উপকাৰ হোৱাৰ আশা দেখি, সিহঁতে তাক বধকৰা-ভাব এৰি পেলালে। ইপিনে, সেই হৃষ্টপুষ্ট মানুহটোৰ বুদ্ধিটো ফোপচুঙা যেন জানিও এড্ৰিয়ান ৰুৱাছে আক তাক কৈ ফুৰিবলৈ ধৰিলে বোলে "তাৰ নিচিনা বুধিয়ক মানুহ এটা লগত থাকিলে

বিদেশত বিপদৰ শঙ্কাই নাই। অত্ৰাহি হৈ থকা এজনে নিৰাশ মনেৰে মাত লগালে, "আমাৰ উপায়-বুদ্ধিৰ ফল এয়েই হলগৈ নে কি? কোনো আৰু নমৰিবই নে কি? কেনেকৈ নো নমৰে ইহঁতে বাৰু কওকচোন? মই হলে, শুবলৈ যোৱাৰ আগতে মাছ বা মঙ্গহ কিবা এটা খাবই লাগিব।" এই কথাকে তিনটাই হয়-হয় কৰিলে। এড্ৰিয়ান ৰুৱাছে এই বুলি বুজনি দিলে বোলে, বিপদত মানুহে ধৈৰ্য্য ধৰিব লাগে। পাছত কি আছে, আগতে ভাবি চাই হে কাম কৰিব লাগে। নেচাই ডেলে গালৈকে ঘাটি।" ৰুৱাছৰ কথা ওফোৰাই বিচেষ্টা হৈ থকা এটাই মাত লগালে, "বহুত চালোঁ। আৰু চাব নোৱাৰি। বামুণেই মৰক বা লগুণেই ছিগক, যিটো কৰিম বুলিছোঁ কৰিমেই। দুটা মানুহৰ চেৰেলা গাৰ মঙ্গহ থিনিয়েই আমাৰ মহা ভাৰ হৈছে। সিহঁতক মাৰি নেপেলালে, আমাৰ হে অন্যায় হব। এড্ৰিয়ান ৰুৱাছে কথাৰে তাৰ খং-বিষ নমাব নোৱাৰি বাছনি-পৰীক্ষা কৰিবলৈ ঠিক কৰিলে। তেওঁ নিজকে নিজে প্ৰবোধ দিলে—এইটো পন্থাকে ললে তেও,



যি মৰিব লগীয়া আছে সিয়েই মৰিব। তেতিয়া আৰু কাকো কোনেও দূষিব নোৱাৰে। ৰুৱাছৰ এই প্ৰস্তাব কিন্তু নৰজিল। আকৌ এটা উপায় উলিয়া হল। এই উপায়মতে সেই বধ্য মানুহ দুটাক আমাৰ লগৰী থকা গাৰঁত খোৱা বস্তু বিচাৰি ইয়াত থকা মানুহবোৰলৈ সেই বস্তু পঠিয়াবলৈ কবলগা হল। এইটো উপায়েই সৰ্ব্বোৎকৃষ্ট বুলি, সকলোৱে মান্তি হৈ হাত চাপৰি মাৰিলে। আৰু তৎক্ষণাৎ যাৰ হাতত যি পাই-পইচা আছিল সকলো সিহঁতৰ হাতত দি দিলে!

---

# তৃতীয় অধ্যায়

## *বঙ্গৰ নৱাবৰ ওচৰত উপস্থিতি*

বধ কৰিব খোজা মানুহ দুটা গৈ গৈ বঙাল দেশৰ এখন গাৱঁত সোমালগৈ। সিহঁতে তাৰ মানুহৰ বিংবিঙ্গোৰা মাত কথাৰ একো মোৰ ধৰিব নোৱৰাত লগৰীয়া কিজনৰ থকাঠাই ডোখৰৰ উৱাদিহকে উলিয়াব নোৱাৰিলে। তথাপি, তাৰ মানুহবোৰে সিহঁতক দুদিন ৰাখি খুৱাই-ধুৱাই নাৱত তুলি দি, ২৫০ ক্ৰোশ বাট লৈ গৈ প্ৰতাপী মোগলৰ আগত ভেঁটাই দিলেগৈ।

ইপিনে, সিহঁত আহিব-আহিব বুলি বাট চাই থকা লগৰীয়া পাঁচোটাৰ দিনৰাতি নুপুউৱা হল। এনেতে, হঠাতে জালোৱাই দুটামান ওলালহি। সিহঁতকে আঙ্গটি-ভাঙ্গটিকৈ সোধাত এটাই "পাই" "পাই" বুলি ক'লে। "পাই" "পাই"ৰ একো অৰ্থ নাই। ভালেমান পৰ ঠাৰে



চিঞাৰে বুজোৱাৰ মূৰত অস্ত্ৰ-শস্ত্ৰবোৰ পেলাই দি মাছোৱাই এটা ওচৰলৈ আহিল আৰু সিহঁতক তাৰ নাৱত উঠিবলৈ কলে। নাৱত উঠিয়েই সিহঁতে দেখিলে, চঁচালিৰ তলতে এটা মৰা মাছ পেলাই থোৱা আছে। মাছটো চকুত পৰিল কি, কেউটাৰ মাজতে কঢ়া-আজোৰা লাগিল কি! টনা-আজোৰা কৰি থাকোঁতে-থাকোঁতেই এটাৰ জেপৰপৰা ধনৰ মোনাটো থপৰ কৰে পানীত পৰি গল। জালোৱাই কায়ে মোনাটি পানীৰপৰা বুটলি আনিলে আৰু নাৱৰ গৰ্ভত থকা যাত্ৰী কিজনক লুটি-পুটি, য'ৰপৰা সিহঁতক নাৱত তুলি লৈছিল তাতে আকৌ নমাই থৈ গলহি। এতিয়া সিহঁতৰ সান্দহখোৱা বালিও তল গল—নিৰুপায় হৈ মৰাটোকে ঠিক কৰি বালি চাপৰিতে পৰি থাকিল।

## *বলোৱা পোৱালৈকে বিপদৰ বাহ*

সেই পিনেই আকৌ কেইখন মান নাও যক। নাৱৰীয়াহঁতে সিহতক বালিত পেট পেলাই পৰি থকা দেখি হাত-বাউলি দি নাৱত উঠিবলৈ মাতিলে। নাও কাষ চাপিল আৰু সিহঁতো উঠিল।

উঠা মাত্ৰকে নাৱৰীয়া এটাই ইহঁতক মৌজোল একো ঢোকা খাবলৈ দিলে। মৌৰস পাই ইহঁতৰ ৰং লাগিল। লাগিল হে লাগিল, মনৰ সন্দেহ হলে নেভাগিল। নাৱৰীয়াহঁতে জানোচা সিহঁতক নিনিয়েই, এই বুলি আমাৰ মানুহকিটাই তাৰে অলপ-অলপ জোল চান্ কাঢ়ি ৰাখিলে। পিছে আমাৰ কিজনে মিছাকৈয়েহে ছাঁটোকে বাঘটো দেখিলে। পিছদিনা ৰাতিপুৱা নাৱৰীয়াহঁতে সিহঁতক নি সন্দ্বীপ(১) পোৱালেগৈ। তাতে সিহঁতৰ অধ্যক্ষ-জনো লগৰ মানুহেসৈতে ওলালগৈ। তাৰ শাসনকৰ্ত্তাজনে সকলোটিকে বৰ আদৰ-সাদৰ কৰিলে আৰু পাঁচ দিনৰ মূৰত তেওঁবিলাকৰ কাৰখানালৈ গৈ বিপদৰ কথা জনাবলৈ কলে।

আমি পিছত অহা কিজনে ৰাতিটো জিৰাই যিহকে পালোঁ তাকে খাই সন্তুষ্ট থাকিলোঁ। ইয়াত পাঁচ দিন থকাৰ পিছত, শাসনকৰ্ত্তাজনক বলোৱালৈ ( Balwa ) যাবলৈ অনুমতি খুজিলোঁ। কাৰণ, তালৈকে আমাৰ লগৰীয়া কিজন গৈছিল। আমি সিমান দূৰৈ বাট যাব নোৱাৰিম বুলি ভাবি তেওঁ পোনেই অনুমতি দিম-নিদিমকৈ আছিল। কিন্তু,



আমাৰ বৰ হাউচ দেখি তিনিখন নাও সজাবলৈ আদেশ দিলে। তাৰে এখনত আমি আৰু ই দুখনত বাট দেখুউৱা কটকীজন যাবলৈ স্থিৰ হল।

## *আনাম দ্বীপৰ বলোৱাৰ কাৰেঙত*

পিছদিনা ৰাতি আমি আনাম (২) পালোঁগৈ। আনাম ঠাইডোখৰ বৰ বিঙা আৰু টটাৰী। নাও তিনিখন তাতে এৰি ন-কৈ এখন ভেৰোণীয়াকৈ লৈ বলোৱালৈ গলোঁ (৩)। বলোৱাৰপৰা ডেৰ মাইল মান আঁতৰতে বাটকটীয়াই আমাৰ নাওখন বামলৈ চপাই নিয়ালে। তাৰপৰা বাকীছোৱা বাট খোজ কাঢ়ি গলোঁহঁক। আমাক নমুৱাই থৈয়েই নাওবৈছাকিটা শাসনকৰ্ত্তাজনৰ ওচৰলৈ গলগৈ —আমি পোৱাৰ বাতৰি দিবলৈ। পৰ্টুগীজ ভাষা-কোৱা আবৰীকিটাই আমাক এটা টেকেলি দিছিল। সেই টেকেলিটোতে আমি কিনি অনা চাউলখিনি গাখীৰত সিজাইছোঁ, এনেতে বাট দেখুউৱা মানুহটো লৰি আহি কলেহি বোলে আমি যেনে আছোঁ তেনেই কোৱঁৰৰ ওচৰলৈ

যাব লাগে। পেটে-কঁকালে লাগি থাকিব লগীয়া অৱস্থাতেই আকৌ গা লবাব লগীয়া হোৱাত, এনে সমাচাৰ পাই বৰ বেয়া লাগিল। বৰ আশাৰে গোটাই লোৱা বস্তুখিনি অইনলৈ এৰি যাব্‌লৈ সতকাই মন নোযোৱাত আমাৰ লগতে পায়সৰ-টেকেলিটোও বান্ধি ললোঁ। ইহাত-সিহাতকৈ লৈ গৈ, যেতিয়া কোঞ্চৰৰ সিংহদুৱাৰ পালোঁগৈ, তেতিয়া তাৰপৰা পায়সখিনি উলিয়াই লৈ খালোঁহঁক। আমাক বাহিৰ কপাটৰপৰা ভিতৰ-চৰালৈ লৈ গল। তাতে আমাক পূৰ্ব্বে এৰি থৈ অহা ২০ জন লগৰীয়াকো লগ পালোঁ। আধা ঘণ্টামানৰ পাছত আমাক আকৌ এটা ডাঙৰ খোঁটালীলৈ নিলে। আমাৰ হাতত থকা ধনবিত খিনি দুৱৰীহঁতে লেখিবুজি চালে। অৱশেষত, আমাক আলহীঘৰলৈ নি খাব-ববলৈ ভালকৈ যতনপাতি কৰি দিলে। ৰাজপুত্ৰই ব্ৰেঞ্চি (চুৰুহা) বুলি এবিধ মঙ্গহৰ জোলো দিয়ালে। সেই মঙ্গহৰ জোল হেনো নৱাবসকলে হে পান কৰে। তাক সিজোৱাৰ নিয়ম এই—এপোহামান আৰৈ চাউলৰ লগত লোদোৰ-পোদোৰ হাঁহ আৰু ডেমেহীয়া



কুকুৰা দুটা গোটে-পাতে ২।৩ ঘণ্টামান সিজাব; পাছত, কাপোৰ এখনেৰে সেই সিজোৱা মঙ্গহখিনি ছেকি পেলাব। ছকা জোলখিনিত জাঁয়, লং, ডালচেনি, এলাচি ইত্যাদি বাৰমছলা দিব। তাৰ পিছত, সিজাই-পকাই লৈ চেনি অলপমান মিহলাই খাব। ইয়াকে চুৰুহা বোলে; খালে গালে বল আহে আৰু খাবলৈও বৰ ভাল লাগে। চাৰিদিনমান ইয়াকে খাই আমিও হেৰোৱা বল ঘূৰাই পালোঁ। কিন্তু, ভোক হলে নুগুচিল। মাছৰ আঞ্জা আৰু আথে-গোটকৰাই-সান্দহ-ভজালৈ আমাৰ হেঁপাহ থাকি গল।

ইয়াত থকাৰ পঞ্চম দিনা নবাব-পুত্ৰই ৰাজ্যৰ সকলো প্ৰজাকে ডকাই অনাই কাৰেঙৰ আগত গোট খুৱালে। প্ৰজাবিলাকে নিজা-নিজা মান-মৰ্য্যাদা অনুসৰি নিজৰ-নিজৰ ঠাইত বহি গল। তেনেতে, পাত্ৰ-মন্ত্ৰী-কাড়ী-চমুৱা-দাধৰা-ঢুলীয়া-আদিৰে পৰিবৃত হৈ নবাবৰ লৰাজন ভিতৰৰপৰা ওলাই ইসকলৰ লগতে আসন গ্ৰহণ কৰিলেহি। ৰাতিপুৱাৰপৰা গধূলিলৈকে দিনৰ দিনটো লেথেৰি নিছিগাকৈ মেল বহা দেখি ভাবিছিলোঁ—বৰ গুপুত

মেল বহিছে দেখোন, কথা শকতেই হবলা। কিন্তু, মেলভগা মাত্রকে ইতৰস্থ মানুহে মেলৰ কথা চন্দলিয়াই পেলালে ; মোৰও শুনিবলৈ মন গল। দুজনমানৰপৰা শুনিলোঁ বোলে কথা একো নহয়, কাফ্রী খৃষ্টীয়ানইঁতৰ লগত পাত্রমন্ত্রীসকলে কাৰেঙৰ ভিতৰত কথা পাতিছিল। ইহঁতেই নৱাবৰ পুতেকৰ গা-ছোৱাৰী বা ভিতৰুৱাল চাওডাং। কাফ্রী হলেও দুৰন্ত সাহসী। কাৰেঙৰ সকলোৱে সিহঁতক বৰ ভাল পোৱা গুণে, নবাব-ঘৰীয়া সকলো ভিতৰুৱা কথাৰ সিহঁতে সন্ভেদ পাইছিল।

## ঢাকাৰ নাওশালি পোৱাত

পিছ দিনা কোঞ্ৰে আমালৈ বতৰা পঠিয়াল বোলে আমাৰ নিমিত্তে নাও-নাৱৰা সজোৱা আছে, গলেই যাব পাৰোঁহঁক। যোৱাটোৱেই আমাৰ একান্ত ইচ্ছা দেখি, এঘণ্টাৰ মূৰতে কাছি-পাৰি ওলালোঁহঁক। আমি গৈ একো অপায়-অমঙ্গল নোহোৱাকৈ ঢাকাৰ নাওশালি পালোঁগৈ। তাত আমাক বৰ আদৰ-সম্ভাষা কৰিলে। আমাৰ প্ৰাণান্তিক ক্লেশৰ কথা ভাঙি-ছিঙি কলত নাওশালিৰ



নাওবৈছা আৰু বনুৱাবোৰে আনাম দ্বীপৰ ওচৰতে ৱেছপ বোলা জাহাজখন ভাগি-ছিগি পৰি আছে বুলি ক'লে।

## অঞ্জুলি-যাত্রা

অঞ্জুলিত ওলণ্ডাজবিলাকৰ এটা কাৰ্যণা আছিল। তালৈ যাবলৈ শাসনকৰ্ত্তাজনে ( নৱাবে ) আমাক নাও এখন সজাই দিয়ালে। সেই নাৱত উঠিবলৈ এঘণ্টামান সময় আছে এনেতে, প্ৰতাপী মোগল সেনাপতিজনৰপৰা ( মীৰজুম্লা ) এখন চিঠি আহিল। নৱাবে সেই চিঠি পঢ়ি শুনাই দিলে বোলে আমি এতিয়া সেনাপতিৰ ওচৰলৈ যাব লাগে। যদি হে নেযাওঁ, তেন্তে তেওঁৰ মালিকৰ ৰাজ্যত ওলণ্ডাজ আছে মানে সকলোৰে সম্পত্তি কাঢ়ি নিব আৰু আটাইবোৰকে লুৰ্ব্বুং-লুঠুং কৰি নিকিনা গোলাম কৰিবগৈ। চিঠিমতেই কাম হল। তালৈকে যাবলৈ মান্তি হলোঁ। কাপোৰকানি পিন্ধি ওলাইছোঁ, এনেতে শুনিলোঁ বোলে মোগল-সেনাপতিজনৰ বৰ ক্ষমতা। তেওঁক হেনো নৱাব বোলে। তেওঁৰ নিচিনা সুকপলীয়া মানুহ আৰু

ক'তো নাই—হেলাৰঙে ৰাজ্য জয় কৰিব পাৰে, অজেয় শত্ৰুকো জিনিব পাৰে; বলী-আবৰী ৰজাকো বৰাব পাৰে। এনেবোৰ বং-দিয়া বাতৰি শুনি আমি বাটকটীয়াৰে সৈতে সেই মোগলৰ সৈন্যবাহিনীৰ লগত যোগ দিবলৈ আগ্ৰহেৰে ওলালোঁহঁক।

---

# চতুৰ্থ অধ্যায়

## মোগলৰ সৈনিকৰূপে অসমলৈ আগমন

অঞ্জুলীৰপৰা একেবাহে নাৰে-তৰে ত্ৰিছ দিন গলোঁ। যাওঁতে, বাটত বহুত গাওঁ-ভূঁই লুৰি খাস্তাং কৰা হল। যুদ্ধ হলে, তাৰ মানুহবোৰে ঘৰবাৰী এৰি গুচি যায় আৰু শত্ৰুক পাছে-পাছে খেদি ফুৰে। মানুহবোৰ বৰ সন্তোষীয়া, কথায়-বতৰায় সাধু আৰু অমায়িক; কিন্তু বৰ-লুভীয়া আৰু আক্ৰোহীবোৰলৈ যমকাল। সিহঁতে কেতিয়াও দেও-ভুতৰ নাও নলয়। অইন কি, দুৰ্জ্জয় বিপদৰ ওচৰ চাপিলেও শপত নেখায়। এবাৰ মান যদি কেনেবাকৈ শপত খাবলৈ হল, তেন্তে সেই শপত আৰু খণ্ডন নহয়।

## ৰঙামাটি প্ৰবেশ

পয়ত্ৰিছ দিনৰ দিনা নৱাবে দিয়া নাও এখনত উঠি গৈ থাকোঁতেই চাৰিজন ইংৰাজ, দুজনমান পৰ্টুগীজ আৰু আমাৰ লগৰীয়া দুজনক লগ পালোঁ। সেই লগপোৱা ঠাইৰপৰা গৈয়েই ৰঙামাটি সোমালোঁগৈ। তাৰপৰা অলপ দূৰৈ গৈয়েই মোগল ফৌজৰ লগ ধৰিলোঁগৈ। সেনাপতি জনক চেলাম দিলোঁহঁক। তেওঁ আমাক সাঁফৰমৰা কাঠৰ বাটি এটাত "আৰাক" পানী (ফটিকা) এবাটি খাবলৈ দিলে। সাঁফৰ খনত এনে কিটিপ লগাই থোৱা আছিল যে আমি সতকাই মোকোলাবই নোৱাৰিছিলোঁ। কাঠৰ দেখি ভাবিছিলোঁ—শুদা হাতেৰেই মেলিব পাৰিম হবলা, গিছে, নোৱাৰিলোঁ। বহুত বেলি যুঁজি-বাগিও নোৱৰাত, মোৰ কটাৰীখনেৰে এফালে কাটি দিওঁ বুলি বাটিটো হাতলৈ তুলি ললোঁ। লৈ, যেই কটাৰীৰ আগটো বহুৱাই দিলোঁ, সেই বাটিটোৰ ভিতৰৰপৰা চপচপীয়া হৈ থকা 'আৰাক'-পানী চৌ-চৌ কৰে ওলাবলৈ ধৰিলে। বৰ হেঁপাহেৰে



সেই পানীখিনি খালোঁহঁক। তাকে খাই "হেঁপাহ পলুৱাই ৰণ কৰিবলৈ ওলোৱাঁ" বুলি নৱাবে আগতে এষাৰ কথা কৈ থৈছিল, তাকে এতিয়া সাৰ্থক কৰিলোঁ। "আৰাক" পানী এবিধ ৰাগী লগোৱা ফটিকা। "আৰাক" খাই আমাৰ গা-মন ৰঞ্জিত ৰঞ্জিত কৰিবলৈ ধৰিলে।

সেনাপতিজনে আমাক অভয় দি ক'লেহি বোলে, তেওঁ আমাক ছমাহৰ মূৰত আমাৰ জ্ঞাতি-কুটুমৰ লগ পোৱাই দিবগৈ। শত্ৰুৰপৰা ডকা-হকা দি অনা বস্তুবোৰৰ ওপৰত আমাক ভোটগিৰি পাতিলে। শত্ৰুৰ কটা-মূৰটোৱে পতি ৫০৲ টকাকৈ, বন্দীটোৱে পতি ১০০৲ টকাকৈ দিবলৈ তেওঁ মান্তি হল। মূঠৰ ওপৰতে, তেওঁ আমাৰ অধ্যক্ষজনক কাৰখানালৈ লৈ গৈ জাহাজ ধ্বংস হোৱাৰ খবৰটো দিবলৈ ক'লে আৰু ক'লে বোলে, তেওঁ যদি তালৈ যায়, সেনাপতিয়ে অধ্যক্ষজনৰ বেজজনক আৰু তিনটা চেমনীয়া লৰাক ফৌজলৈ নিব পাৰে। লাহে লাহে আৰাকৰ ৰাগীয়ে আমাক ইমানকৈ ধৰিলেগৈ যে আমাক খাবলৈ দিয়া সুমথিৰা টেঙা গোটাদিয়েকৰ নিমিত্তেই আমাৰ

ভিতৰত জোঁটাপুটি লাগিল। সেনাপতিজনে আমাৰ অহৌবাং আচৰণ দেখিও, নেদেখাৰ ভাও জুৰিলে আৰু তেওঁৰ বেজজনৰ ঘৰলৈ গৈ আমাক হুতাহ পলুৱাই খাবলৈ আদেশ কৰিলে।

## মীৰজুম্লা-ফৌজৰ সমাৰোহ

পিছ দিনা সেনাপতিয়ে আমালৈ নগদ ৩০০৲ টকা আৰু দুখনমান "গোৰাপ্" (বৰনাও) নাও পঠিয়ালে। তাৰে এখন নাৱত ১৪টা হিলৈ আৰু ৫০।৬০ টামান নাওবৈছা আছিল। "গোৰাপ"-নাওখনেপতি চাৰিখন-চাৰিখন. টুলুঙ্গা নাও। কোষা নাৱেৰে 'গোৰাপ্' নাওবোৰ গুৰি দিয়ে বা টানি নিয়া হয়। ইয়াৰ বাহিৰেও, পাল নতৰা ফেলাই নাওও বহুত আছিল। সেইবোৰত মানুহ নাছিল। হিলৈ তোপ হে খুন্দ খোৱাকৈ থোৱা হৈছিল। বিষয়াবিলাকৰ সৰহ ভাগেই পর্টুগাল দেশৰ। সেনাপতিজনে খৃষ্টীয়ানবিলাকক ইমান মৰম কৰিছিল যে তেওঁবিলাকৰ যেয়ে পর্টুগীজ ভাষা কব পাৰিছিল তাকে একোটা বাব দিছিল।



ৰণৰ আহিলাপাতি আৰু খোৱা-সমল নিয়া নাও-ডুনিও অসংখ্য আছিল। তদুপৰি, ডাঙৰ-ডাঙৰ বিষয়াবিলাকৰ তিৰুতা-যোৱা নাওও আছিল। সেনাপতি (চুবাদাৰ) জনৰ নিজা তিৰোতাই আছিল ৫০০ গৰাকী। এই ৫০০ তিৰোতাৰ তিৰীবৰা আছিল খাৰচাই (খোজা, নপুংসক বা লেহেতীয়া) কেইটামান। ইহঁতক খাচীকৈ লোৱা হৈছিল।

যাত্ৰাৰ নিমিত্তে সাজু হৈ আমালৈ পঠিয়া নাওবোৰ বিচাৰিলোঁ। কিন্তু লেখজোখ নোহোৱা মানুহৰ মাজত পৰিলত লগৰীয়া এজনকে—মোকে পৰুৱাই পালে। আঠ দিনৰ মূৰত হে ক'ত উঠিব লাগে বিচাৰি পাইছোঁগৈ। পৰুৱাই পোৱাৰপৰা লাভ এইটোৱেই হল যে সেই পাৰাপাৰ নোহোৱা ঠাটকটকৰ মাজত কিমান মানুহ আছিল, তত ধৰিব পাৰিছিলোঁ। তাত তিনি লাখ ঘোৰাৰণুৱা আৰু পাঁচ লাখ মাটিৰণুৱা দেখিলোঁ। চুবাদাৰজন ঘোৰাৰণুৱাৰ মাজত উঠি গৈছিল। তেওঁৰ আগত হাতীত উঠি ঢুলীয়া, কালিয়া আৰু চেনাই বজোৱা মানুহবোৰ গৈছিল। সিহঁতৰ পাছতে গৈছিল

২০টা হাতী। সেই হাতীৰ প্ৰত্যেকটোতে দুটাকৈ সৰু তোপ, দুটাকৈ হিলৈ আৰু সেই অনুপাতে হিলৈদাৰী গৈছিল। সেইবোৰৰ পাছে-পাছে, মস্ক দেশীয় তিনি চাৰি হেজাৰ মানুহ দুজ পাতি পাতি ঘোৰাত উঠি গৈছিল। তাৰ পাছত, পিঠিত বোজা লৈ যোৱা অসংখ্য উট। সেই উটৰ পাছতে সাউদ, মুদৈ, কমাৰ, খনিকৰ, নাচনিয়াৰ; তাৰে কিছু উটত আৰু কিছু ঘোৰাত উঠি গৈছিল। শুনিছিলোঁ, মোগল দৰবাৰত হেনো এই ঠাটকটক পঞ্চাছ লাখৰো অধিক। তাৰ সৰহ ভাগৰ খৰচ এই ফৌজৰ লগত থকা নাচনিয়াৰ আৰু সাউদবিলাকে যোগায়। সাউদে খৰচ যোগোৱা কথাটো মই বিশ্বাস কৰিব নোৱাৰোঁ। কিয় নো, সেই দেশত যুদ্ধ হলে, বেপাৰ-বাণিজ নাইকিয়াই হয়। সেই দেখি, যুদ্ধ যাত্ৰা কৰোঁতে ৰণুৱা চিপাহীবোৰে লগতেই মাদক বস্তুৰ বাহিৰে সকলো বয়-বস্তু টোপোলা বান্ধি লৈ যায়। ৰাগীলগা বস্তু হেনো খৃষ্টীয়ানৰ নিমিত্তে হে। সিহঁতে বোলে তাৰে অলপমান খাই হিতাহিত জ্ঞান হেৰুৱাই লোকৰ অনিষ্ট কৰিবলৈ মন মেলে।



## *কোঁচ ৰাজ্যত নবাবী ফৌজৰ প্ৰবেশ*

ভালেমান পথ অতিক্ৰম কৰি কছৰীয়া (কোঁচ) নামে এখন দেশ পালোঁগৈ। সেই দেশখন বঙ্গদেশ আৰু আজুৰ (বহুতে হাজোকে আজু বুলি নিৰ্দ্দেশ কৰে) মাজতে। চুবাদাৰে চকু মুদিয়েই সেই ৰাজ্য হাত কৰিলে। বৰতোপৰ গুলিয়ে ৰাজধানীৰ গড় ভাঙ্গিব নোৱাৰে বুলি ভাবিয়েই আজুৰ ৰজা ভেমজুৰি বহি আছিল। কিন্তু চকু-চাওঁতেই তেওঁক আমাৰ সৈন্যই বন্দী কৰিলে আৰু ডিঙিত লোৰৰ ডাকু লগাই (ঘূৰণীয়া খাৰু) সেই ডাকুতে দুয়োটা ভৰি ওলোমাই কটকটীয়াকৈ বান্ধি পেলালে। তাৰ পিছত, চাৰিটা লগুৱা লগত দি লৈ আহিল। ৰজাক বন্দীকৈ অনাৰ অলপ পিছতে, চুবাদাৰে পৰ্ব্বতীয়া গুহা দুটামান দেখুৱালে। সেই কিটাত ৰাজসম্পত্তি পুতি থোৱা আছিল। বাকীবোৰ চিপাহী-চন্তৰিয়ে যি পাৰে কৰিলে। সেই সম্পত্তি লৈ আমি বৰ চহকী হম বুলি ভাবিছিলোঁ। কিন্তু, তাৰ মানুহবোৰে কঁকালত এডোখৰ কাপোৰ মেৰাই (মেৰতলি)

তাৰ তলতে মূল্যৱান বস্তুবোৰ ভৰাই ক'ৰবাত নি লুকুৱাই থলেগৈ। আমি মুঠেই দুকলহমান চাউল, দুটামান জঁপা আৰু দুখিলামান গছৰ পাত মাথোন পালোঁ ( পাণ )। সেই গছৰ পাতবোৰ খাই সিহঁতে হেনো মুখশুদ্ধি কৰে। আমি যিমান সম্পত্তি পাম বুলি ভাবিছিলোঁ, তাতকৈ কম পোৱা বাবে নিৰাশ হলোঁ। কিয় নো, আমি মাহে মুঠেই দহ টকা হে দৰ্ম্মহা পাইছিলোঁ। তাৰে আমাক নাটে। বস্তুবাহনিবো বৰ আটক; দামো মহঙ্গা। বাহিৰে দুপইচা নোপাৱা হলে আমাৰ পক্ষে প্ৰৱত্তি-বলৈকে টান হ'লহেতেন। আমি সোমাওঁ-নোসোমাওঁকৈ সোমোৱা বাবে আমাৰ মাহিনা তাকৰ আছিল। আপোন খুচিতে সোমাৱা বাবে ইংৰাজ আৰু পৰ্টুগীজে মানুহটোৱে পতি ২৫৲ টকাকৈ পাইছিল।

দিন দিয়েকৰ পাছত, চুবেদাৰ জনৰ নিৰ্দ্দেশমতে আমাৰ নাওশলীয়া দুটাই এখন পেটালনাও সাজি দিব লগীয়া হ'ল। কোৱা হ'ল যে নাওখন সাজি দিব পাৰিলেই সিহঁতে মুক্তি পাব। সেই প্ৰতিশ্ৰুতিতে বিশ্বাস কৰি নাওশলীয়া দুজন ঢাকালৈ গল আৰু



তাত চুবাদাৰৰ মনোমত নাও সাজি দি সোনকালে মুক্তি লাভ কৰিলে।

ইফালে আকৌ, আমাৰ কোনোবাই আগ্ৰা (?) মন্দিৰ চলাবলৈ ভাৰ লবনে বুলি চুবাদাৰে সুধি চালে। সেই কামৰ ভাৰ লোৱা হলে আমাৰ বৰ চল লাগিলহেতেন। তালৈ গলে জানোচা অবৈয়াল মানুহৰ হাতত পৰি বন্দী হব লাগে, এই বুলি উপযাচি দিয়া কামটোও লবলৈ নহল।

# পঞ্চম অধ্যায়

## *সোণৰ সঁফুৰা অসম-ৰাজ্যত মীৰজুম্লা*

আজু ৰাজ্য মাৰি চুবাদাৰে মগলৰ ( মোগলৰ ) এক কালবৈৰী অসম-ৰজাৰ অভিমুখে যাত্ৰা কৰিলে। কুৰিলাখ মানুহেও* পূৰ্ব্বে, যাৰ নোম এডালো লৰাব নোৱাৰিলে, তেনেজন ৰজাক জিনিবলৈ মুঠেই আঠলাখ মানুহ যোৰাত ৰজাই (১) ভ্ৰূক্ষেপকে নকৰিলে। তাৰ আগতে, সেই ৰজাৰ হাতত মগলৰ সেনা-সেনানী ঘাটি লৈ-লৈ-থৈ-থৈ হৈছিল

* ......"Hussain Shah, one of the kings of Bengal invaded Assam with 2400 foot and horse and numerous ships,...As soon as the rains set in, the Rajah came down from the hills, and assisted by his own people. who had, of course, submitted to Hussain's son, killed the prince. starved the army, and managed to capture or kill the whole of them. It is said that the people who were now called Moslems in Assam, are the decendants of the captives of Hussisn's army".

—Koch Bihar & Assam :—H. Blochmann.

—J. A. R. S. 1872 pp. 79.

(১) স্বৰ্গদেৱ জয়ধ্বজ সিংহ।



বুলি জানিশুনিও চুবাদাৰে এনে লাপিলুপা আয়োজন কৰা দেখি হাতীৰ তপিনাত তৰাৰ ফৰ্ম্মূটি মাৰিবলৈ ওলোৱা যেন লাগিছিল। তেওঁ আকৌ, তেনেকৈ ভবা দূৰৈৰ কথা, অভিযানটো আপদ-বিপদেৰে ভৰা দেখি দুগুণে উল্লাসিত হে হৈছিল। সেই দেশত একে লালীয়ে ছমাহকৈ বৰষুণ হয় আৰু সেই ছমাহ গাওঁ-ভূই-পথাৰ-সমাৰ পানীৰ তলতে থাকে। সেই দেখি, তেওঁ বাৰিষা আৰম্ভ হোৱাৰ আগতেই সেইখিনি পাবৰ নিমিত্তে কোবাকুবি কৈ যাবলৈ ধৰিলে। গৈ-গৈ গন্তব্যস্থান পালেগৈ। আমি সেই ৰাজ্যত ভৰি দিয়া মাত্ৰকে ভয়ত প্ৰজাবোৰৰ হাঁকাল-বিকাল লাগিল—কলৈ-যাওঁ-কি-কৰোঁ বুলি ভাবি বিবুধি হল। আন কি, নৱাবৰ প্ৰৱল প্ৰতাপৰ কথা শুনি ভালেমান মানুহে চুবাদাৰৰ লগকে ললেহি।

এনে সময়তে, ক'লা ডাৱৰে আকাশখন ছানি পেলালে। বতাহ-বৰষুণে ওন্দোলাই আনিলে। বতৰৰ গতি বেয়া দেখি ইংৰাজ আৰু আমাৰ নাৱৰীয়াহঁতে নাওবোৰত কৰিয়া লগালে। কিন্তু, সেই চেষ্টা বিফল হল। নাও-চাই-ভৰা নোহোৱাত সোঁতে এখন নাও পকনিয়াত পেলাই বুৰায়েই

পেলালে। এনেই বুৰাত পলম হলহেতেন যদিও, সাগৰত ফুৰা চেৰাবলিয়া নাৰৱীয়া এটাৰ টিপ্পপ মৰা কথাই সেই কাম সোনকাল কৰোৱালে। তাৰ গাতেই নাও-চোৱাৰ ভাৰ আছিল। সি বতাহৰ হেঁচা নিৰোধ কৰিবলৈ গৈ নাওবোৰৰ পাল খহাই দিলে। যেই খহালে সেই নাও এখন তললৈ গ'ল। অৱশ্যে, আমাক সহায় কৰিব পৰা নাও আৰু তাত বহুত আছিল। কিন্তু, এনে আকস্মিক বিপদৰ সময়ত আমাক হে নেলাগে নিচেই ওচৰচুবুৰীয়াকো সেই অবৈয়াইঁতে উলটি চোৱা নাছিল। সি যি হওক বাৰু, আমাৰ কপাল ভাল আছিল গুণে, পাঁচজন ওলন্দাজ পানীত পৰি ককবকাই থকা দেখি, এজনী ডাফলী তিৰুতাই বেথা লাগি, নাও এখন ওচৰ চপাই আনিলে আৰু তাত তেওঁবিলাকক তুলি ললে।

## ব্ৰহ্মপুত্ৰত মোগল বাহিনী

গঙ্গা ( ব্ৰহ্মপুত্ৰ ? ) নৈখন ঠায়ে ঠায়ে নিচেই ঠেক নাইবা চিঞা আৰু ঠায়ে ঠায়ে বৰ বহল বা খাৰুপটীয়া আৰু পোন—তিনি মাইলমান কাঁড়



মৰা-দি মাৰিছে, আকৌ চাৰি মাইল মাইলমান অকাই-পকাই গৈছে। এই বাবেই, বতাহ আহিলেই সাগৰৰ দৰে ঢৌবোৰ ফেঁটীসাপৰ মূৰ অহা দি নাচি আহে। ডকা—সাঁকোৱাত পৰি চাৰিজন ওলণ্ডাজ আৰু চৌব্বিছটা আবৰী মানুহ হেৰাল। আয়ুসত চাউল আছিল দেখি, কথমপি হে, মোৰো সেই দশা হবলৈ নেপালে। চাৰি ঘণ্টামান সময় বামৰ ফালে সাঁতুৰি গৈ ইংৰাজে চলোৱা নাও এখন ধৰি ৰক্ষা পৰিলোঁ। মোৰ অৱস্থাৰ কথা ক'লত, তেওঁবিলাকে যাঠিটা মানুহ পঠিয়ালে। সিহঁতে মোক নাৱত তুলি ললেহি আৰু খুৱাই-বুৱাই স্বস্থ কৰিলে। চমুতে ক'বলৈ হলে মই তেওঁবিলাকৰ লগৰে এজন হৈ পৰিলোঁ। সেই নাৱতে মোৰ দেশৰ মানুহ এজনকো লগ পালোঁ। তেওঁকো সেইদৰেই ক'ৰবাৰ পৰা উদ্ধাৰ কৰি তুলি অনা হৈছিল। পিছদিনা আমাৰ উপকাৰীসকলৰ শলাগ লৈ চুৰাদাৰৰ ওচৰ পালোঁগৈ—ফৌজত সোমাবলৈ।

নাওবুৰা কথাযাৰ তেওঁক নকওঁ বুলিয়েই ভাবিছিলোঁ। নকলে আকৌ জানোচা, বিপাঙ্গতে

পৰোঁ, এই বুলি কৈ পেলালোঁ। কথাষাৰ শুনিয়েই তেওঁ খঙ্গতে জুই-ছাই হল--আমাক মাৰি যি নিকিলালে! আমি ভয়ত ত্ৰাহি মধুসূদন স্মৰিলোঁ। শত্ৰুৰ নৌবাহিনীৰ নিমিত্তে সশঙ্কিত হৈ থকা গুণে, আমি যিখন নাৱকে ভাল পাওঁ, তাকে আমাক তুৰন্তে চাইচিতি লববৈ ক'লে। লগৰীয়া চাৰি জনে 'গোৰাপ' নাও ললে আৰু দুজনেসৈতে ছয়টীয়া তোপৰ ফেলাই নাও এখনত মই উঠিলোঁ। লগত নৌবাহিনী আৰু সৈন্যসামন্ত লৈ আমাৰ নৌ-সেনাপতিজন গল। তেওঁ যোৱাৰ তৃতীয় দিনা বৰ-তোপৰ গিৰিং-গিৰিং মাত শুনিববৈ পালোঁ। ভাবিলোঁ—তৰুৱা সেনা ৰণত লাগিলগৈয়ে। আমি হে শত্ৰুৰ আগত থিয় হবগৈ নোৱাৰিলোঁ। নৌ সেনাপতিয়ে নাৱৰ ঠাঁঠবোৰ শাৰী-শাৰীকৈ সজোৱাৰ পিছত আমাৰ দেশৰ স্বদেশপ্ৰেমিক চুবাদাৰৰ বৈদ্যজনে (এওঁৰ নাম আছিল Gelmar Venburg গলমাৰ ভোঁবৰ্গ ইং ১৬৬২ চনৰ ১০ ডিচেম্বৰ তাৰিখে এওঁ অসমৰপৰা লিখা এখন চিঠিত লেখিছিল—"খানখানা (মীৰজুমলা) গড়গাৱঁৰপৰা ৪০ ক্ৰোশ আঁতৰত আছেহি। বেমাৰত পৰি



তেওঁৰ তিনিভাগৰ এভাগ মানুহ (সৈন্য) আৰু ঘোৰা মৰিল। গড়গাওঁ জয় কৰিব পাৰিবনে নোৱাৰে সন্দেহ। ৪০০০ ঘোঁৰা ৰণুৱাৰ ডিঙিত বিষ (গৰল) হৈছে আৰু প্ৰায়বোৰৰেই শৰীৰ অসুস্থ। মীৰজুম্লাৰ গা ভালে আছিল যদিও, সেই দিনাই ১০ ডিচেম্বৰত বৰ জৰ-কাহ আৰম্ভ হয়" —**Bengal Past and Present, January to March 1925.** আমাৰ যাতে যশস্যা বয় তাৰ নিমিত্তে প্ৰাণপ্ৰণে পুৰুষাৰ্থ কৰিববৈ উদগনি দিলে। আৰু লগতে টানি ক'লে বোলে আমি গা-লাগি কাম কৰিলে খৃষ্টীয়ানবিলাকলৈ, বিশেষকৈ আমালৈ—সেই অসভ্য মানুহবোৰৰ চকু পুৰিব। তদুপৰি, কোম্পানীৰ স্বাৰ্থ ৰাখি কাম কৰিলে সেই দিনৰ নিমিত্তে আমিয়েই অন্ততঃ কীৰ্ত্তি অক্ষুণ্ণ ৰাখিব পাৰিমহঁক।

প্ৰতিকূল বতাহকো গণিতা নকৰি আমাৰ লক্ষ্য ঠিক ৰাখি সুগম ভাৱেই গৈ আছিলোঁ। এই দৰে তিনি চাৰি ঘণ্টামান যোৱাৰ পিছত, পৰ্ব্বত এটাৰ ঠেঙ্গ-নামনিত ঠেকা খাই আমাৰ নাৱৰ টিংটো খোকোৰা হল। তথাপি, নিৰাশ

নহৈ ভগা কেই ডোখৰ জোৰা দি, শত্ৰুপক্ষৰ ছশ নাৱৰ সমুখ হলোঁগৈ। যাক বিচাৰি ফুৰিছিলোঁ তাক ইমান ওচৰতে পাম বুলি কেতিয়াও ভবা নাছিলোঁ। শত্ৰুপক্ষই খেদি আহি বতাহেধৰা ভয়ত ৰোৱাতকৈ আমিয়েইচোন সাহসেৰে আগ-ভেটা দিওঁহঁক—এই বুলি থমকা মাৰি ৰলোঁ। সিহঁত পিছে আহিলেই। আমিও ভোজনত বহিলোঁ। সিহঁতে গুলিয়াই আমাৰ আগত খাবলৈ পাৰিলোৱা মঙ্গহৰ কাঁহী এখন উৰুৱাই দিলে। সিমানেই মাত্ৰ আমাৰ যি হানি হল। আমিও পাছত, মাজনিশালৈকে ধাৰাসাৰে গুলি বৰষিবলৈ ধৰিলোঁ। সিহঁতেও তাৰ সমিধান দি আছিল। শেহত শত্ৰুপক্ষ হুঁহঁকি গল। তেনেতে, মেনৰ খাঁ নামেৰে নৱাব-পোৱালি এজনে আমালৈ নাও এখন লৈ আহিল। তেওঁ ৩০ খন নাৱৰ মালিক আছিল। আমি ন-যযৌ ন-তস্থৌ অৱস্থাত পৰা দেখি নৱাবজনে আমাক এনে ভাৱে সহায় কৰিবলৈ ধৰিলে যে অতি সোনকালেই বতাহ ঠেলি শত্ৰুৰ ওপৰত উবুৰি খাই পৰিব পৰা হলোঁহঁক। আমাৰ নাও বন্ধাৰ পিছত, পিছদিনা তেওঁ আটাইবোৰ



নাও লৈ আহিম বুলি কৈ গুচি গল। তেওঁ অলপ দূৰৈ গৈছে হে, এনেতে, ছখন নাও আমাৰ ফালে অহা দেখিলোঁ। তাৰ পাঁচ খন টান সোঁতৰ বাবে উজাব পৰা নাছিল। ইখন বেগাই আহি আমাৰ ওচৰ চাপিলহি। ঢৌতে খৰ মাৰিব পৰা ছেগ পাই নাওখন বান্ধি ৰাখিলোঁ আৰু আমি শত্ৰুপক্ষৰ-পৰা পোৱা সেয়ে প্ৰথম সম্পত্তি বুলি তাত যি আছিল সোপাকে উলিয়াই ললোঁ। লৈ, আগলৈ উৎপাত কৰাৰ মুদা মৰক বুলি নাওখনত জুই লগাই দিলোঁ। আধা ঘণ্টামানৰ পিছতে আকৌ আঠখন শত্ৰুনাও আমাৰ ফাললৈ তীৰবেগে খেদি আহিল। আমাৰ নাও ৰাখি ওলণ্ডাজ আৰু পৰ্টুগীজ নাৱৰ আশ্ৰয় ললোঁ। সিহঁতক তেওঁ-বিলাকে আগভেটি ধৰিলে। প্ৰথম কুকুৰাই ডাক দিওঁতেই দেখিলোঁ—আমাৰ নৌ-সেনাপতি-জন (এওঁৰ নাম ইবন হুছেইন—"ফঠিয়া-ই-ইব্ৰিয়া") তেতিয়াও তিনিমাইল দূৰতে আছে। সমস্ত নৌ-ঠাঠৰ আগুৱাল নাওখন তেওঁ বতাহৰ ঢালে-ঢালে পাৰি দি শত্ৰুৰ অভিমুখে আগবাঢ়ি গল। ওলণ্ডাজ আৰু পৰ্টুগীজে নাওবাহিনীৰ গুৰি ধৰিলে। আমি

কিন্তু, প্ৰতিকূল বতাহৰ বাবে আগুৱাব নোৱাৰিলোঁ, কোনোবাই ৰৌঢ়ি ফুটাই দিলে বোলে আমি হেনো হেৰালোঁ। চুবাদাৰজনে বাৰটা ঘোঁৰা মেলি, পিয়াপি দি ঢোল-পিটাই "চাৰাছ ওলণ্ডাজ" বুলি চিঞৰিবলৈ ধৰিলে। ছাৰাছ মানে সাহিয়াল। চুবাদাৰজন বৰ চিন্তাত পৰিল। পিছে, যিটো মানুহে আমি হেৰালোঁ বুলি মিছাকৈয়ে ঢক ফুটাইছিল, তাক সেনাপতিজনে ধৰাই অনাই খুৰৰ ধাৰ যেন চাবুকেৰে কোবাই জিৰা কাটিবলৈ হুকুম দিলে।

কোবাল সোঁত আৰু শত্ৰুৰ সুচল নেওচা দি আমি অনুকূল বতাহৰ ঢালে নাও পাৰি দি শত্ৰুৰ গালৈ একেবাহে গুলি চলাবলৈ ধৰিলোঁ। এনেতে, আৰু-নাও আহি আমাৰ লগ লাগিলহি। তেতিয়া শত্ৰু-সৈন্যই বিম্বাশবদে আটাহ পাৰিবলৈ ধৰিলে। *

* "A very powerful Assamese fleet appeared one day and came down with the stream in its favour, it looked as if it would swallow up the Portugese and their boats. But the latter warded them off and the force of the current carried the Assamese past their goal, the Portugese meanwhile making a great din, with their mortars and matchlocks. When the Assamese had passed their enemy,



আটাহপৰাৰ কাৰণ—শুনোতাই যেন সিহঁতৰ নাওবুৰি তলি পালেগৈ বুলি গম পায় অৰ্থাৎ নিগমে মৰিল বুলি যেন জানে। দৰাচলতে, এইটো ভাবুকি বা ভৰকণি নাইবা ভুৱা দিয়াৰ হে চেলু। এই দৰে চিঞৰি সিহঁতে, সিফালে যুদ্ধৰ আহিলাপাতি যতনাই লৈছিল। যেতিয়া দুয়োপক্ষৰ তয়াময়া যুঁজ লাগিল আৰু হৰাজিকাৰ চিন নাইকিয়া হল, তেতিয়া হে এই ফাংপতা বুধিটো ধৰা পৰিছে। অৱশেষে, সিহঁত হাৰিলগৈ আৰু ফৰিংছিটিকা দি ছিটিকি পলাল। আমিও খেদি নিলোঁ। ওখ হাঁফলুৰ আঁৰত পলৰীয়া-হঁত লুকাব খুজিছিল। কিন্তু, আমাৰ পিটপিটীয়া চকুৰ আগত তাতো সাৰিব নোৱাৰিলে। এটাইবোৰ মাৰি পেলোৱা হল। শত্ৰুৰ নাও ৩০০ খন আৰু মানুহ ৭০টা বন্দী কৰিলোঁ। ধৰি'অনা মানুহ কেইটাৰ ভিতৰত ৫০টা বাগি দি আকৌ পলাব খুজিছিল। আমাৰ চিপাহীয়ে ধৰি আনি পিছে, উগ্ৰশাস্তি কৰিলে।

they veered, but the Portugese fell upon them with such impetuosity that in a little the whole of their fleet, was destroyed."

—Storia do Mogor. Vol II pp. 93

—Bengal Past & Present vol xxix.

সিহঁতৰ ভিতৰত যিবোৰ নমৰাকৈ আছিল সিহঁতক চুবাদাৰে খুঁটাত বন্ধাই ৰণুৱা কাঁড়ীৰ হতুৱাই কঁড়িয়াই-কঁড়িয়াই মৰোৱালে। এইৰূপে, অপ্লাৱিত বাহুবলী সেনা বধ কৰা হল। সেই বধ-লীলা প্ৰচাৰ কৰিবলৈ দুটামান মানুহ হে জীয়াই থাকিল। পানীয়ুঁজৰ সেনাপতিজনকো লুকাই থকাৰপৰা ধৰি আনি বন্দী কৰা হল। কিন্তু চুবাদাৰে তেওঁক এৰি দিলে। পানীযুঁজৰ কোঠ লুৰি খাৰ, সীহ আৰু গোটাদিয়েক বৰতোপ পোৱা হল।

## গুৱাহটীয়া নাওবৈছা ফূকন

এই পানী-সেনাপতিজনে ( পানী ফুকন ) নিজে কৰা দোষতকৈ ৰজাৰ আদেশ উলঙ্ঘা কৰা-দোষৰ বাবে হে দোষী। আম্নি যাতে ৰছদ্পাতি সংগ্ৰহ কৰিব নোৱাৰোঁ তাৰ নিমিত্তে ৬০০ নাও লৈ গুৱাহাটীত আমাক আগচি থাকিবলৈ ৰজাই তেওঁক আদেশ কৰিছিল। কিন্তু তেওঁ নাওহুনিৰ বহ্বাৰম্ভ দেখুৱাই চিঞৰি-বাখৰিয়েই ৰণ জিকাটো সহজে যেন ভাবি ৰজাৰ আদেশ লঙ্ঘন কৰি পেলাইছিল।



কোনোবা ছেগত, বন্দীকৰা নাও তিনি শ পলাই গৈ, চুবাদাৰে পতা থানাৰ তিনি মাইলমান দূৰৈত ৰলগৈ। তেওঁ এই কথা গম পাই, সিহঁতৰ মুখামুখিকৈ দুশ-তিনিশমান বৰ-হিলৈ পুতিলে আৰু সেই হিলৈৰে বহুত নাও পানীখুৱাই বুৰাই পেলালে। বাকীবোৰ পলাবলৈ ধৰোঁতেই আমাৰ মানুহে ধৰি আনি নাওবোৰ আটক কৰিলে আৰু তাত থকা মানুহবোৰ মাৰি পেলালে।

## গড়গাৱঁত মীৰজুম্লা

এই দৰেই শত্ৰুনাওবোৰ আয়ত্ত কৰাৰ পাছত, থিয়পৰ্ব্বত এটাৰ কাষ পালোঁগৈ। তাতে এটা দুৰ্জ্জয় গড় অছিল। (১) সেইটোও শত্ৰুৱে এৰি থৈ যোৱাত আমি আগ বাঢ়ি যাবলৈ চল পালোঁ। গৈ-গৈ আমি গড়গাওঁ পালোঁগৈ। গড়গাৱঁৰপৰা ৰজা পলাল। তাৰপৰা ১৮ মাইল নিলগত লাকোৱা নামে এঠাইত আমাৰ নৌ-সেনাপতিয়ে নাও

(২) শলাগড়; কলিয়াবৰৰ ওপৰে। এই গড় এতিয়াও আছে।

বান্ধিলেগৈ। তাৰপৰা চুবাদাৰে অধ্যক্ষজনলৈ ধন-ৰছদ খুজি পঠিয়ালে। অধ্যক্ষই দুখনত সোণ আৰু চাৰিখনত ৰূপ ভৰাই—মুঠ ছখন নাও পঠিয়াই দিলে।

## মোগল বাহিনীৰ বিলৈ

কপাল বেয়া গুণে, আমাৰ নাও কেখন শত্ৰুৰ হাতত পৰিল। সিহঁতে পায়েই হুৰামুৰাকৈ আমাৰ নাৱত থকা মানুহবোৰৰ কিছুমানক মাৰি পেলালে। আৰু দুটামানক নেমাৰি বিলৈ চাবৰ মনেৰে, খেৰৰ জুমুধি কিছুমানত খাৰ সুমুৱাই সিহঁতৰ বাউসীত বান্ধি জুই লগাই দিলে। সেইবোৰ পুৰি ছাই হলত, আকৌ এসোপা বান্ধি, সেইদৰেই জুই লগালে। এই দৰে নৰক-যন্ত্ৰণা দি-দি সিহঁতক নগুৰনাৰ্গতি কৰি পুৰি মাৰিলে। দুৰ্ভগীয়া মানুহ কিটাৰ গগনফলা চিঞৰ শুনিবলৈকে সেই বৰ্ব্বৰ মানুহবোৰে এইদৰে অত্যাচাৰ কৰিছিল। আমাৰ মানুহবোৰে যিমানেই চিঞৰিছিল, ৰাক্ষসহঁতে সিমানেই দাঁতচেলাই হৌ-হৌ কৰে হাঁহিছিল। হাবিত পলাইথকাবোৰো ৰাতি ওলাই আহি



ফৌজৰ লগ ললেহি। ফৌজৰ অৱস্থাও তেতিয়া অতি বেজাৰলগা। গোটেইখন দোকোলঁটকা পানী। উভতি যাবলৈও বাট-পথৰ চিন নাই। গতিকেই য'ৰ ফৌজ ত'তেই লাগি থাকিল।

মোগল-বাহিনীয়ে থানাপতা ঠাই ডোখৰ গুটিলগা গছ আৰু কঠীয়ানিৰেই ভৰা। ওচৰৰ পৰ্ব্বতবোৰত জলকীয়া, আগৰ কাঠ ( সাঁচি গছ ) আৰু সোণমিহলি বালি দ'মদ'ম। সোণো অপৰ্য্যাপ্ত। দেশজুৰি ফলেৰে পূৰ্ণ হৈ থকা গছ-গছনি আছে যদিও, হাতীক খাবলৈ নোজোৰে। ইমান হাতীৰ পাল! খাবলৈ নোপোৱা বাবেই হাতীবোৰো লেৰেলা।

## মগলী শাস্তি

এনেখন শস্যশালী বিতোপন অঞ্চলত আমি এডোখৰ চল-লগা ঠাই বাছি ললোঁ। শত্ৰুৰ চোৰাং-আক্ৰমণৰ ঠেক ছিঙিবলৈ, দাঁতিয়ে-কাষৰে থকা হাবিবোৰ কাটি গোটেইখন ফলং-লংকৈ

পেলালোঁ। সিহঁতৰ গতিগোত্ৰ চলন-ফিৰণ চাবলৈ পালি-পহৰীয়া ৰখা হল। যি দুই-এটা অসমীয়া মানুহ আমাৰ হাতত ধৰা পৰিছিলহি তাহাঁতকো কোবাই-কিলাই, মূৰটোহঁত পাচিত ভৰাই গছৰ ফেৰেঙনিত আঁৰি থোৱা হৈছিল। বন্দীৰ সংখ্যা সৰহ হলত, তাৰে কিছুমানক মাৰি, তাৰ মুৰবোৰ কাটি দুটা-দুটাকৈ জুঁটি জীয়াই থকাবোৰৰ ডিঙিত ( মুণ্ডমালা কৰি ) ওলোমাই দিয়া হৈছিল। এনেকুৱাকৈ অঁৰা মূৰত জোঁটা লৈ যোৱা মানুহ দুটামানক থানালৈ নি চাবুকেৰে কোবাই, মৰাকৈ মাৰি, সিহঁতৰ গাঁৰিটোহঁতৰপৰা মূৰকিটা কাটি আগৰ দৰেই পাচিত ভৰাই গছত ওলোমাই থোৱা হৈছিল। কিছুমানক জীয়াই-জীয়াই, থিয়ৈ-থিয়ৈ শালমৰা হৈছিল। এনে যমৰ যাতনা দেখি, শত্ৰুবোৰে নিৰ্ব্বলীৰ পক্ষ এৰি বলীৰ পক্ষ লয়েই বা—এই বুলি সিহঁতৰ নমৰাবোৰক শত্ৰু অহাযোৱা কৰা ঠাইলৈ লৈ যোৱা হৈছিল।



## অসমীয়াহঁতে তোলা পোটক

এইবোৰ শাস্তি যদি পৈশাচিক বুলি কব পাৰি, শত্ৰুৰে দিয়া শাস্তিও যে একোপধ্যেই মনুষ্যোচিত নহয়, তাকো কব পাৰি। সিহঁতে ধৰি নিয়া আমাৰ বন্দীবোৰক পেলাই লৈ কচি কচি কাটিছিল আৰু নমৰে মানে এনেভাৱে ৰেপি থেঁতালি পেলাইছিল যে আনৰ কথা নকৰেঁই নৰপিশাচৰ মনতো দয়াৰ উদ্ৰেক নোহোৱাকৈ নেথাকিলহেতেন। সিহঁতে আমাৰ মৰা শবোৰ সাঙুৰি আমাৰ ছাউনীৰ ফাললৈ ভূৰত উটুৱাই পঠিয়াইছিল। গাৰ নোম সিঞৰোৱা সেই দৃশ্য দেখি সকলোৱেই ভয়ত বিহ্বল হব লগীয়া হৈছিল। যিবোৰে স্বইচ্ছাতে আমাৰ লগ লৈছিলহি, সিহঁত হলে আমাৰে বৰ মৰমীয়া হৈ পৰিছিল। সেই যে মানুহৰ মঙ্গহ খোৱা ৰাজ্যখন পাইছিলোঁ, তাৰপৰা কটকী দুটামান আহি আমাক অসম-ৰজাৰ বিৰুদ্ধে সাহায্য কৰিম বুলি কৈছিলহি। আমি কিন্তু সেইবোৰ মানুহৰ সঞ্জাত নাই বুলি সিহঁতে উপযাচি দিয়া সাহায্য গ্ৰহণ কৰিবলৈ নহল। কিন্তু শত্ৰুক ( অসম-ৰজাক ) যাতে আগলৈ আসৈ

নিদিয়ে এনে এষাৰ কথাকে কৈ মোগল-সম্ৰাটৰ বন্ধুতাৰ আশ্বাসমাত্ৰদি সিহঁতক ওলোটাই পঠিৱা হল। এই মানুহবোৰৰ মুখৰ গঢ় ভীষণ আৰু সিহঁত উঠি ফুৰা বাহনবোৰ হেলেকলেক, মানুহখোৱা মানুহ-আকৰৰ সিহঁত অধিকাৰী। থাউকতে কবলৈ হলে, সিহঁত ৰাক্ষস—মানুহৰ মঙহ খায়। তিৰুতাকৈ ৰখাবোৰক নোপোতে। ৰুগীয়া-নিছলা আৰু লেচাৰ হৈ থকাবোৰক মূৰত টঙ্গনিয়াই মাৰি খাই পেলায়। এয়েই সিহঁতৰ ধৰ্ম্ম। য'তে যেনেকৈয়ে চুৰকৈ বা ডকা দি বস্তু আনক লাগে, তাকে সিহঁতে সমানে ভগাই লয়। সিহঁতৰ খোৱা-বোৱা চলা-ফুৰা, নীতি-নিয়ম আটাইবোৰ পৃথিবীৰ আন মানুহৰ লগত নিমিলে বুলি ক'লত সিহঁতে গওপ মাৰি কৈছিল, "নীতি-নিয়ম নো কোনে বান্ধিছে ?—মানুহে হে কৰিছে। সেই গুণে, ৰুচি অনুসৰি ভালো হয়, বেয়াও হয় (যস্ত দেশে যদাচাৰং)। পুৰণি প্ৰথা বেয়াই নহয়।"

আমাৰ ফৌজটোত দুটামান সৰ্ব্বগ্ৰাহী চিপাহী আছিল। সিহঁত মৰি যাব, তথাপি সিহঁতে বোলা বাক্য নেৰে। এনে প্ৰতিজ্ঞা ৰক্ষা কৰি যি মৰে



তাৰ হেনো স্বৰ্গলাভ হয় আৰু যি কাপুৰুষালি কৰি লোকৰ ওচৰত আঁঠু লয় সি নৰকগামী হয়। এই বিশ্বাসেই সিহঁতৰ বল বঢ়াই আছিল। প্ৰকৃততে জন্মভূমিহন্তে নিজৰ প্ৰাণ উছৰ্গা কৰাৰ সমান জগতত আৰু পুণ্যকাম নাই। (শোভন সিং ৰজাৰ লগত অহা ৰাজপুত চিপাহীৰ কথা কোৱা হৈছে—জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী।")

চুবাদাৰে আমাক সাহ-পিতৰ বাবে বৰ প্ৰশংসা কৰিলে। এটা ফৌজে যি কাম কৰিব পাৰিছিল, আমাৰ অকল নামটোৱেই সেই কাম কৰিছিল। আৱৰী মানুহবোৰেও আমাক হে ভাল পাইছিল। কিন্তু, আগত উন্নুকিওৱাবোৰ অৰ্থাৎ অসমীয়াবোৰ বন্দী হৈও আজলমঠ জুৰি একো মাত-বোল নকৰাকৈ মনে মনে আছিল। সেই বুলি, সিহঁতক খাবলৈ বিচৰা বস্তু নিদিয়াকৈ থকা নহৈছিল।

ওলণ্ডাজবিলাকৰ পাছতে আৰ্ম্মেনীয়ান অশ্বা-ৰোহী কেইজনমানে সমাদৰ পাইছিল। সিবিলাক যে অকল খৃষ্টানেই আছিল এনে নহয়, শৃঙ্খলা লগাই ঘোৰাশাল পাতি তাৰ আপডালো কৰিব পাৰিছিল। নৌ সেনাপতিয়ে আমাক উপযুক্ত

যেন ভাবি, ফৌজ চুপাৰিছ কৰিবলৈ ৰাখিব খুজিছিল। সেই কাম লোৱা হলে আমি যথেষ্ট পুৰস্কাৰো পালোঁহেতেন। কিন্তু, সেই ৰাজ্যৰ একো আওভাও নজনা-বাবে আৰু সেই দেশে আমাক নুশুজা গুণে আৰু আমাৰ কথাবতৰাবোৰ সকলোৰে মানত দোৱান-যেন লগা যেন দেখি, আমাৰ কেতিয়া আহোঁ--কেতিয়া আহোঁ লাগিবলৈ ধৰিলে। সেই কাৰণেই আমাক দিয়া কাম অইনক দিবলৈ অনুৰোধ কৰিলোঁ। আমাৰ অনুৰোধ মঞ্জুৰো হল।

ন-জোন ওলোৱা দিনটো মুছলমানবিলাকে শুভদিন বুলি ভাবে! সেই দিনা সিহঁতৰ আটাই বোৰে বৰতোপেৰে একো জাঁয় গুলি মাৰে। চিপাহী বোৰে মাহিনা পায়ঃ—অশ্বাৰোহীটোৱে পতি ৫০৲ টকাকৈ, খেনোক কাম চাই ২০৲।৩০৲।১০০৲ টকাকৈও দিয়া হয়। পদাতিকৰ মাহিনা কম, ৫৲।৬৲ টকাতকৈ বেছি নহয়। দিনে-ৰাতিয়ে কাম কৰা বনুৱা-বহতীয়াই একোকে নেপায়; যিবা পায় সিও ইমান তাকৰ যে তাৰে খাবলৈকে নোজোৰে।



এই বহতীয়াবোৰ হিন্দুস্থানী। সিহঁতে জীৱ-হত্যা নকৰে। যিহকে-তিহকে নেখায়ও। খাবলৈ নেপাই মৰিয়েই যাব, তথাপি মাছ মঙ্গহ নেখায় (নিৰামিষীয়া)। সিহঁতৰ প্ৰধান খাদ্য চাউল (ভাত)। চাউল নেপালে (প্ৰায়ে নেপায়ও) নোখোৱাকৈ মৰিয়েই যায়। এনেকৈ মৰিলে সিহঁতৰ জীৱটোহঁত হেনো থৰে থৰে বৈকুণ্ঠলৈ যায়। ধন-সম্পত্তিলৈ আক্ৰোহ নকৰি, পেটে-ভাতে খাই থকাটোৱেই সিহঁতৰ জীৱনৰ মূলমন্ত্ৰ। ইহকালত ঐশ্বৰ্য্য-বিভূতি সম্ভোগ কৰাবোৰ কেনেকৈ নো পৰকালত সুখেৰে তৰে, সিহঁতে ভাবিয়েই নেপায়। এই দৰে, সাংসাৰিক আঁজোৰ-পিজোৰৰপৰা মুক্ত হৈ থকা বাবেই হেলাৰাঙে সিহঁতে সংসাৰৰ দুখ-যাতনা মহানন্দে সহ্য কৰি থাকিব পাৰে।

## দেৰগাওঁ-দ'লৰ সোণৰ বৃষভ মূৰ্ত্তি

অসমীয়া মানুহৰ মাজত এনে এটা "অন্ধ বিশ্বাস" আছে যে সিহঁতে গৰুক পূজা কৰিব লাগে। সেই দেখি, সিহঁতে কেতিয়াও গোবধ নকৰে। গৰু হে

নেলাগে, গৰু জাতীয় আন একো জন্তুকে নেমাৰে। সিহঁতৰ মন্দিৰত এই জন্তুবোৰৰ মূৰ্ত্তি ভৰি-ভৰি আছে। তাৰে কিছুমান মূৰ্ত্তি সোণৰ আৰু কিছুমান ৰূপৰ; কিছুমান পিতলৰো আছে। কিন্তু সেয়ে তাকৰ।

আমাৰ নাওবন্ধা ঠাইৰপৰা ৯ মাইলমান আঁতৰত এটা মন্দিৰ আছিল। সেই মন্দিৰটো লুটিপুটি সোণৰ গৰুমূৰ্ত্তি ( বৃষভ ) এটা পোৱা হল। মূৰ্ত্তিটো আনি আমি ভগাই ললোঁহক। (১);

অন্ধবিশ্বাসী কাফেৰহঁতৰ গোসাঁইক লুটি অনা দেখি সিহঁতৰ আগমঙ্গহ ক'লা পৰি গ'ল। গলে নো কি হব? তেনে হেন "জীয়া ঈশ্বৰকো" সিহঁতে আমাক বেচিছিল আৰু আমিও এটকা-এটকা দিয়েই একোটা-একোটা কিনি লৈছিলোঁ। কিনোতে ভাবিছিলোঁ—"সিহঁতৰপৰা গৰু কিনোতে আমি

(3) A Brahmin, an inhabitant of Dewalgaon (modern Dergaon, Sibsagar) spiritual guide of the Rajah, came to the camp of Mir Zumla i. e., converted to Islam—Journal of the Royal Asiatic Society 1872, pp. 73.



নেমাৰোঁ বুলি কোৱা সঁচা হলেও, আমি যে মাৰি খাম সেইটো তো সিহঁতে জানিছিল। জানি-শুনিও যে বেচিছিল!" এইদৰে গৰু বেচি, জানিশুনিয়েই মহাপাপ কৰিছে বুলি ক'লত সিহঁত আকৌ দাং খাই হে উঠিছিল, বোলে, "তোমালোকৰ ভিতৰত জানো এনে মানুহ নাই? এনে গৰ্হিত কাম কৰি তোমালোকে নো ধৰ্ম্মৰ কি গুটি ধৰাবা?"

ঘাই ফৌজৰপৰা আমি দীকৃছোঁ বাটৰ আঁতৰত আছিলোঁ। সেই দেখি, তাত কি হৈছিল, কি নহৈছিল, ভালকৈ কব নোৱাৰিছিলোঁ। তাত যে হেজাৰ-বিজাৰ মানুহ মৰিছিল, নৈত উটি অহা শবোৰ নেদেখালৈকে অনুমান কৰিব নোৱাৰিছিলোঁ। মৰা গেলি উৰঁলি যোৱাত পানীও কেচেমাকেচেম গোন্ধাইছিল। সেই গেলা গোন্ধোৱা পানীকে খাই আমাৰ বহুত মানুহ মৰিল। আমি জন দিয়েকে হে মাথোন পানী তপতাই খাইছিলোঁ।

## মীৰজুম্লাৰ না-জল—না-থল অৱস্থা

তিনি মাহৰ মূৰত ভৰ-বাৰিষা হৈ এনে ভাৱে বানপানী আহিল যে আমি থানাত ঠাৰৰিবই নোৱৰা হলোঁহঁক। আকালৰ আগন্তুক দেখি, শত্ৰুৱে আমাক অনায়াসে জিনিব পাৰিম বুলি ভাবিছিল। সঁচাসঁচিকৈয়ে বৰ আকাল আহিল ; ভোকত তৰণি নেপাই আমিও হাতী-উটকে মাৰি খাব লগীয়া হল। সেইবোৰ খাই-খাই শেষ কৰিলোঁ। না-জল-না-থল হৈ দোধোৰমোৰত পৰি থাকোঁতেই, ৰণত জিকিব পাৰিম বুলি পৰ্ব্বতৰ পৰা শত্ৰু নামি আহিল। চুবাদাৰজনে হাঁ-হুমুনিয়াহ কাঢ়ি সিহঁতক আমাৰ ওচৰলৈ মতাই পঠিয়ালে। সিহঁতো আহিল। যেই ওচৰ চাপিলে, সেই সিহঁতক ঘোৰাৰেসৈতে ঘেৰি পেলোৱা হল। অসমীয়াবোৰেও আমাকো যেনিয়ে পায় তেনিয়ে হানিবলৈ ধৰিলে। সিহঁতৰ নো কি শক্তিডাল আছিল—কঁকাল ভাগিলেই। চকু-চাওঁতেই সিহঁতৰ কুৰি হেজাৰ মানুহ পাতং হল। আমাৰ ফালৰ মুঠেই দহোটা হে মৰিল। ইয়াৰ দিনদিয়েকৰ পাছতে বানপানী বহি গল। আমিও আকৌ যুদ্ধৰ নিমিত্তে সক্ষম হলোঁ।



## জয়ধ্বজ সিংহৰ দোপাকী-তেপাকী কথা

যুদ্ধলৈ ওলাইছোঁহঁক, এনেতে, চুবাদাৰ জনে গাৰী দুখনমানত খোৱাবস্তু ভৰাই অসম-ৰজাৰ কটকীৰ লগত দি, কৈ পঠিয়ালে বোলে, “ৰজাক ক'বা, এইবোৰ খোৱাবস্তু তেওঁলৈ পঠিৱা হৈছে। ইয়াৰে তেওঁ আটকত তৰিব পাৰিব। আৰু ক'বা, মোৰ সকলো বস্তুৱে উভৈনদী, ছমাহ খাই-বৈও থাকিবগৈ হে।” চুবাদাৰে যেনিয়েই চাইছিল তেনিয়েই এন্ধাৰ হে দেখিছিল। তথাপি, তেওঁ এই চিঠি দি ৰজাক ভুৰুকিয়াই চাইছিল। ৰজাই ভাবুকি বুলি ফুট পাই সমিধান দিলে, বোলে, “মোৰ কৰ্ত্তব্য শিকাবলৈ, কাকো মতা নাই। শত্ৰুৰ পকোৱাপকি কথা বুজি নোপোৱা নহওঁ। মোৰ দেহাটোক ইমান ভালপাওঁ যে তাক কাৰো ওচৰত বন্ধুৱা দিব নোখোজোঁ, সেই বুলি, মনোমত সন্ধি কৰিবলৈ যে মোৰ ইচ্ছা নাই, এনে নহয়।” এই সমিধানে অসম-ৰজাৰ দুৰ্ব্বলতা হে দেখুৱালে। চুবাদাৰে প্ৰত্যুত্তৰ পাই অসম-ৰজাক ইয়াৰ চোকোটা দি হে এৰিব বুলি দৃঢ় প্ৰতিজ্ঞা কৰিলে। সকলো বিষয়াকে গোটাই লৈ তেওঁ

অসমৰ লগত তুমুল যুদ্ধ দিবলৈ আগবাঢ়ি ওলাল। উৰুলিকৃত হৈ সকলোৱে সেই সৈন্যবাহিনীৰ লগ ললে।

### জোৰপুৰি মীৰজুম্লাৰ হাতপোৰা অৱস্থা

তেনেতে, বাহিনীটোৰ সৰু-বিষয়া এজনে চুবাদাৰলৈ চাই মাত লগালেহি, "মালিক! এই ৰাজ্যত ভৰিদিয়া সময়ত হানিবিঘিনি নোহোৱাকৈ আমাৰ চাইটা ফৌজ (বাহিনী) আছিল। এতিয়া চাইটা হে নেলাগে, ফৌজ বুলিব লগীয়া ফৌজ এটাই নাই। চিপাহী বোৰৰো কণ্ঠত ধাতুটো হে আছে। ৰণ যদি কৰিবই লাগে, সোনকালে কৰাই ভাল। ফৌজৰ চিপাহী মৰি অন্ত হলে কিহেৰে যুদ্ধ কৰিম? ইয়াত আঁত শুকাই মৰি যোৱাতকৈ শত্ৰুৰপৰা লাঞ্ছনা পোৱাই ভাল। তেতিয়া হলে, স্বয়ং পাট্‌শ্যাহ আৰু আপুনি হেন চুবাদাৰে কিমান ৰং পাব? খাপ লৈ থকাটো হে মৰণান্তিক কথা।

### মীৰ জুম্লাৰ সন্ধি-প্ৰস্তাৱ

সেই বিষয়াজনে নিৰ্ভয়মনে কোৱা স্পষ্ট কথা কেইষাৰ চুবাদাৰৰ গাঁজত লাগি গলগৈ। তলত



দিয়া নিৰ্ব্বন্ধ কেইটা অসম-ৰজালৈ আগবঢ়াই চুবাদাৰে ক'লে, "এই মতে যদি ৰজাই সন্ধি কৰিব নোখোজে, তেন্তে যুদ্ধলৈ সাজু হ'বই লাগিব।—

(১) অসম-ৰজাই অসমদেশৰ অৰ্দ্ধেক এৰি দিয়ক।

(২) ৰজাৰ নুমলীয়া জীয়েকক চুবাদাৰলৈ সালঙ্কতাকৈ উপহাৰ দিয়ক।

(৩) ২০০০ হাতীও দিব লাগিব।

(৪) যৌতুকৰূপে লাখদিয়েক ৰূপৰ মোহৰ আৰু সোণৰূপৰ খুৰা লগোৱা মাইহাং-কাঁহী-(ভাত-বান) বাটিও দিব লাগিব।

আতুৰত পৰি চুবাদাৰে সন্ধিৰ যি প্ৰস্তাৱ কৰিছিল তাতে অসম-ৰজা মান্তি হল। ছেগ চাই কামোৰ নমৰা হলে অৰ্থাৎ সেই সময়তে সন্ধি নকৰা হ'লে, আমাৰ ফৌজৰ পিনে সাঙ্গেই হ'লহেতেন।

খৰালি, মালবস্তু বান্ধি সেই আপদীয়া দেশ এৰিবলৈ সাজু হলোঁহঁক (খৃং ১৬৬৩ চনৰ ৬ জানুৱাৰী—ফঠীয়া-ই-ইব্ৰিয়া)। সেই দেশে আমাক ইমান জ্বলাকলা কৰিছিল যে শত্ৰুৱে আমাক এ-টামান হেঁচা মৰা হলেই আমাৰ ফালে পতং হলহেতেন!

# ষষ্ঠ অধ্যায়

## মীৰ জুম্লাই মৈদামত পোৱা সম্পত্তি

কাপোৰ-কানি আৰু খোৱাবস্তুবো আমাৰ প্ৰয়োজন নহৈছিল। কিয় নো, এইবোৰ বস্তু সিহঁতৰ মৈদামতে পোৱা হৈছিল। সেই দেশত এনেকুৱা এটা নিয়ম আছে যে মানুহ মৰিলেই, মৰাটোৰ লগতে তাৰ বন্দী-বেটী, ধন-সম্পত্তি, কাপোৰ-কানি সকলো পুতি থয়। গিৰিহঁতৰ লগতে এইদৰে মৰিব পাৰিলে সিহঁতৰ জীৱটোৱে হেনো গতি পায়। মৈদামত পোতাৰ তিন দিনৰ পিছতেই বোলে, সাংসাৰিক দুখ-দুৰ্গতিৰপৰা হাত সাৰি বৰ ৰম্য স্থানত থাকিবলৈ পায়। এনে এটা বিশ্বাস চলন্তি থকা বাবেই মৰিবলৈ সিহঁতে অলপো সঙ্কোচ নকৰে।

আমাৰ সেনাপতিয়ে (আমীৰ জুম্‌লাই) এনেকুৱা মৈদাম খনাই অভ্যুদয় সম্পত্তি পালে। কিন্তু, তাৰ অলপ দিনৰ পিছতে তেওঁৰ মৃত্যু হোৱাত, সেইবোৰ তেওঁ ভোগ কৰিবলৈ নেপালে।



দিল্লীৰ পাট্‌শ্বাহৰ ফৰ্ম্মান্ অনুসৰি সেই আটাইবোৰ সম্পত্তি পাট্‌শ্বাহৰ হল। সম্পত্তিৰ মূল্য দহ হেজাৰ মান টকা হ'ব। অসম-ৰজাৰ লগত যুদ্ধ কৰিবলৈ যাওঁতে মোগল-বাহিনীৰ লগত মণ্ট্‌পিলাৰৰ বেজ এজনো (এৰেঁই ফ্ৰাঙ্ক বাৰ্ণীয়াৰ—**Francois Bernier**) গৈছিল। তেওঁ দেখি-শুনি, তাৰ কথা লেখি গৈছে। মইও যি দেখিলোঁ, ঠিক তেনে ৰূপেই তাকে লেখি পঠালোঁ।

## আমীৰ জুম্‌লা—মানুহজন

আমাৰ সেনাপতি জনৰ নাম আছিল জেম্‌লা। তেওঁক আমীৰ বুলি কোৱা হৈছিল। আমীৰে ভালেমান ঠাইত যুঁজ কৰি আওৰেংজেবৰ ভায়েক চুলতান চুজাক বঙ্গদেশৰপৰা খেদি পঠিয়ায়। সেই আপাহতে, আমীৰ জুম্‌লাই পাট্‌শ্বাহলৈ জনাই পঠিয়ালে বোলে, পাট্‌শ্বাহে যেন তেওঁক দিল্লীৰ-পৰা বহুত আঁতৰৰ নিৰ্জ্জন ঠাই বঙ্গদেশত সুখে-সন্তোষে থাকিবলৈ তেওঁৰ পৰিয়ালটোক পঠিয়াই দিয়ে। বয়সো বুঢ়া হৈ আহিছে, জীৱনৰ বাকীছোৱা শান্তিৰে কটোৱাই তেওঁৰ উদ্দেশ্য। আমীৰে

ভাবিছিল হবলা, আওৰংজেবৰ সিংহাসন নিষ্কণ্টকা কৰিবলৈ যিজন কোঞ্চৰক খেদিব লগীয়া হৈছিল, সেই জনকেই যেতিয়া খেদোৱা হ'ল, আওৰংজেবে আৰু তেওঁৰ অনুৰোধটো নেৰাখিব নে? আওৰংজেব কিন্তু অতি ফুটমনিয়াৰ পাটশ্যাহ। তেওঁ ভাবিলে,—আমীৰ জুম্‌লাক সকলোৱে ভাল পায়; যুদ্ধ পৰিচালনাতো পাকৈত। তদুপৰি, আমীৰ সবাতকৈ ধনী, ৰাজনৈতিক পণ্ডিত আৰু উচ্চাকাঙ্ক্ষীও। তেনেজন পুৰুষ বঙ্গদেশত থাকিবলৈ হ'লে, তাৰ অধিকাৰ-পদত তেওঁৰ পুতেক মহম্মদ আমিৰক বহুৱাবই বহুৱাব। ইপিনে, আমীৰ জুম্‌লাও যেনেহে ক্ষমতাশালী পুৰুষ, সন্তোষ নলগোৱাকৈ থোৱাটোও অযুগুত হ'ব। সেই হেতুকে, আমীৰে যিহকে খুজিছিল পাটশ্যাহে তাকে যি তেওঁক দিলেই নে, সাম্ৰাজ্যৰ ভিতৰত মীৰ-উল-ওমৰা (আমীৰ-উল-উমৰা) বুলি যিটো আটাইতকৈ ডাঙ্গৰ খিতাপ আছিল, তাকো দিলে। সেনাপতিৰ পুতেক আগুেছকো অশ্ববাহিনীৰ সেনাপতি পাতি দৰ্ব্বাৰৰপৰা মূৰ পোলোকা দি এৰাই যাব নোৱৰা কৰি ৰাখিলে। এই দৰে বাপেক-পুতেক দুইকো



নিজৰ অভিসন্ধি পূৰাব নোৱৰাকৈ পাটশ্যাহী কামত আৱদ্ধকৈ থলে। বুদ্ধিৰে নিজৰ অভিপ্ৰায় সিদ্ধি কৰিব নোৱাৰি জুম্‌লাই ঘটনা-চক্ৰৰ দিন-ক্ষণলৈ বাট চালে। আমীৰ আৰু পাটশ্যাহ দুয়ো সমানে চতুৰ—কাকো পালে কেৰে নেৰে। বাহিৰে দেখাত দুয়োজনৰে বন্ধুতাত অলপো ছিদ্ৰ নাছিল, ভিতৰত কিন্তু (হলাহল) দুইৰো হাতত শনাইত অস্ত্ৰ। দুয়ো নিজৰ-নিজৰ সজাতিৰ সংখ্যা বঢ়াবলৈ ধৰিলে। পিছত, আওৰংজেবে বুজিলেগৈ যে আমীৰ জুম্‌লাক সতকাই বলে পৰা টান। সেইদেখি, এবছৰৰ মূৰতে তেওঁক বঙ্গদেশৰপৰা আঁতৰাবলৈ বুদ্ধি পাতিলে। অসমদেশ আক্ৰমণ কৰিবলৈ আগৰেপৰা আলচি থকা হৈছিল বুলি সোৰঁৰাই দি আওৰংজেবে আমীৰ জুম্‌লাক ঢাকাৰ উত্তৰ পিনে থকা অসমদেশৰ বিৰুদ্ধে যুদ্ধৰ অভিযান চলাবলৈ আদেশ কৰিলে। অসম আক্ৰমণ কৰাৰ কথা, আমীৰ জুমলাই আগতে কৈছিল সঁচা; কিন্তু, তেতিয়া কেনেবাকৈ আমীৰ জুম্‌লাৰ মান-সম্ভ্ৰম বৃদ্ধি হব—এই আশঙ্কা কৰি ভালেমান বিপদ-বিঘিনিৰ আসোঁৱাহ দেখুৱাই সেই যাত্ৰা স্থগিত

ৰাখিলে। এতিয়া দেখিলে যে তেওঁক নাতৰালেই নহয়, আৰু যুদ্ধলৈ পঠিয়াই তাত লগাই থব পাৰিলে হে বঙ্গদেশ নিৰ্ব্বিঘ্ন হব—এই বুলি আমীৰক অতি সোনকালে অসমৰ অভিমুখে যুদ্ধ কৰিবলৈ কাছি পাৰি ওলাবলৈ ক'লে। আওৰেংজেবৰ কথাকে পতিয়াই আমীৰ জুমলাই আনন্দ মনেৰে অসমৰাজ্য আক্ৰমণ কৰিবলৈ সাজু হৈ ওলাল। তেওঁ ভাবিলে, —আওৰেংজেবৰ পেটত কিবা থাকিলেও, এই যাত্ৰাই নিশ্চয় তেওঁৰ সুখ্যাতি-সন্মান বঢ়াব।

## *আমীৰ জুমলাৰ অসম আক্ৰমণ*

ইয়াকে স্থিৰ কৰি, সৈন্য-সামন্ত লৈ অসমৰপৰা বৈ অহা নৈ এখনেদি আমীৰ জুম্‌লা উজাই গল। গৈ গৈ আজো-কোঁঠ ( হাজো ) পালেগৈ। এই কোঁঠটো অসম-ৰজাই অলপতে বঙ্গৰ নৱাবৰপৰা লৈছিল। আমীৰে ১৫ দিন যুদ্ধ কৰি সেই কোঁঠ অধিকাৰ কৰিলে। তাৰপৰা উজাই অসমৰাজ্যৰ সীমাত থকা চামধৰা গড় পালেগৈ। তাত ধাৰাসাৰে এমাহ যুদ্ধ হল। অসমীয়া সৈন্যই বলে নোৱাৰি চামধৰা এৰি অসমৰ ৰাজধানী গড়গাৱঁৰ



ফালে হুঁহঁকি গল। আমীৰেও সিহঁতক পাঁচ দিন পাছে-পাছে খেদি নিলে। য'ৰ ধন-বস্তু ত'তে এৰি অসম-ৰজা লাছা (?) পৰ্ব্বতত সোমাল গৈ। আমীৰে সেই ধন-বস্তু লৈ নিজৰ সম্পত্তিৰ পৰিমাণ বঢ়ালে। পৰ্ব্বতটো অটব্য অৰণ্যেৰেই ভৰা। তাত সোমাব নোৱাৰি আমীৰে ৰজাক ধৰিবলৈ উপায়-বুদ্ধি আলচি থাকোতেই বাৰিষা পালেহি। বান পানীয়ে বুৰাই গোটেইখন জলথল সমান কৰিলত তেওঁ ওলাব-সোমাব নোৱৰা হ'ল। পৰ্ব্বতৰ ওপৰত থকা বামগতীয়া গাওঁবোৰ হে মাথোন তল নোযোৱাকৈ থাকিল। তিনি মাহ এইদৰে পানীৰ মাজতে কলপ-জলপকৈ থাকিব লগীয়া হ'ল। খোৱা বস্তুৰো আটক হবলৈ ধৰিলে। ৰজাৰ লগত যি আছিল, তাকো পলাই যাওঁতে ৰজাই লৈ গল। আমীৰৰ শ্ৰুতি-বুদ্ধি হেৰাল। বৰষুণতে তিতি থাকিব লগীয়া হোৱাত আৰু ঠায়েও নুশুজাত আমীৰৰ সৈন্য সামন্তবোৰ এফালৰপৰা মৰি যাবলৈ ধৰিলে। কেনেকৈ তাৰপৰা সাৰিব পাৰি তাৰ কথাহে আমীৰে দিনে-ৰাতিয়ে ভাবিবলৈ ধৰিলে। অৱশেষত, কোনোমতে তেওঁ তাৰপৰা ওলাল

আৰু দেশৰ পিনে হুঁহঁকি আহিবলৈ ধৰিলে। আহোঁতে অসংখ্য হোলা-পুখুৰি, খাল-ডোং জান-খাৰৈ আৰু বিল-পিটনি পাৰ হব লগীয়া হৈছিল। তেওঁৰ সৈন্যবোৰক অসমীয়া মানুহে ঘেৰি সেই-বোৰত পেলাই পাৰেমানে পচলা কটা দিলে। তথাপি, যুদ্ধত জিকি অপ্লাৰিত ধন-সোণ লৈ সগৌৰৱে আমীৰ ঘৰ পালেগৈ। পিছ বছৰি আজুৰপৰা তেওঁ অসমৰজাক এসেকা দিবলৈ সঙ্কল্প কৰিছিল। কিন্তু, ঢাকা পোৱা মাত্ৰকে তেওঁৰ খৰ-গ্ৰহণী হল আৰু উভতি যোৱা চিপাহীবোৰকো গ্ৰহণী ৰোগে পালে। সেই খৰেধৰাই তেওঁক ইহ সংসাৰৰপৰা পাৰ কৰিলে। চিপাহীবোৰো মৰি থাকিল।

আমীৰ জুম্‌লাক আওৰেংজেবে জীৱনৰ প্ৰধান শত্ৰু বুলি ভাবিছিল। তেওঁ মৰিল বুলি শুনিলত আওৰেংজেবৰ আনন্দত পাৰ নাইকিয়া হল। তাৰ ভালেমান দিনৰ পাছত আমীৰ জুম্‌লাৰ পুতেক এজনৰ আগত আওৰেংজেবে এই বুলি মনৰ ভাব প্ৰকাশ কৰিছিল, "তুমি পিতাৰাক হেৰুৱালা, মই কিন্তু এজন সনিপতীয়া বন্ধু হেৰুৱালোঁ।"



১৫ বছৰ মোগল বাহিনীত কাম কৰাৰ পিছত আমাৰ ৰাজদূতক বিদায় দিয়া হল। আমাৰ চাকৰ-নাকৰ আটাইবোৰ মৰিল। সেই গুণে, আমি অকলশৰীয়াকৈয়ে এৰাএৰি হলোঁহক। সেনাপতিৰ নিমিত্তে আমাৰ বাটে দুটাই সজাই থোৱা জাহাজ খন ঢাকাত পালোঁহি। এই খনে ৩০টা বৰতোপ কঢ়িয়াব পাৰিছিল। ইয়াতকৈও ডাঙৰ এখন সাজিবলৈ হুকুম দিয়া হৈছিল। আমাক "চৰাই ঘৰত" থাকিবলৈ দিছিল। তাৰ পিছত আমি জাহাজত উঠি নৈয়েদি অঞ্জলিলৈকে (হুগ্‌লী) ১২০ লীগমান গলোঁ। যাওঁতে, বাটত পাট কাপোৰৰ নিমিত্তে বিখ্যাত কাছিমবাজাৰত দু-দিনমান আছিলোঁ। তাৰপৰা অঞ্জলি পালোঁগৈ। তাত ওলন্দাজবিলাকৰ কাৰখানা আছিল। আমাৰ সকলোৰেই তাতে কাম-কাজ কৰিবলৈ ধৰিলে। লগৰীয়াবিলাকে কাম ললে যদিও, মই হলে লবলৈ নহল। মই সেই আগৰ পুৰণি কোম্পানীতে কাম কৰি কৰি ১৬৭৩ চনত জনমভূমিলৈ ঘূৰি আহিলোঁ।

—অন্ত—

## উপৰঞ্চি

### *মীৰজুম্লাৰ অসম-আক্ৰমণ।*

*[মণ্টপিলাৰৰ বেজ ফ্ৰাঙ্ক বাৰ্ণীয়াৰ]*

আমীৰ জুম্লাৰ নিচিনা ডাঙৰ সেনাপতি এজনক বৈদেশিক যুদ্ধ এখনত লগাই নথলে, তেওঁ ঘৰতেই যুদ্ধ লগাব—এনে সন্দেহ কৰি আওঙ্গজেবে ভাবি-চিন্তি, ঢাকাৰ উত্তৰে বঙ্গ-উপকূলত থকা সমৃদ্ধিশালী আৰু ক্ষমতাপন্ন অসম-ৰজাৰ বিৰুদ্ধে আমীৰ জুম্লাক যুদ্ধ কৰিবলৈ পাঁচিলে। অসমখন অধিকাৰ কৰিব পাৰিলেই তেওঁৰ সম্মান যাউতিযুগীয়া হব আৰু তাৰপৰা, পিছত, চীন দেশো আক্ৰমণ কৰিবগৈ পাৰিব—এনে আগন্তুক সুযোগৰ কথা ভাবিয়েই



আমীৰ জুম্লাই আগেৰেপৰাই অসম লবলৈ পাঙ্গি আছিল। এতিয়া, আওৰেংজেবৰ আদেশ পাই যাবলৈ খৰধৰ লগালে। লগত পৰাক্ৰমী সৈন্য লৈ, অসমৰপৰা বৈ অহা নৈ খনেদি ঢাকাৰপৰা উজাই গল। ঈশান কোণৰ ফালে ১০০ লীগ মান গৈ তেওঁ আজো (হাজো) নামে এটা কোঁঠ পালেগৈ। 'আজো' বহুকাল বঙ্গৰ (কোঁচৰ) অন্তৰ্ভুক্ত হৈ আছিল। অলপতে, অসমে বঙালৰ হাতৰপৰা কাঢ়ি নিছে। আমীৰে ১৫ দিনমানতে বলপ্ৰয়োগ কৰি সেই ঠাইডোখৰ অধিকাৰ কৰিলে। তাৰপৰা উত্তৰে ২৬ দিনৰ বাট গৈ তেওঁ চামধৰা ওলালগৈ। চামধৰা অসম-ৰজাৰ ঘাই চকী। এই পিনেই অসমলৈ সোমাব পাৰি। তাতে যুদ্ধ হল। যুদ্ধত হাৰি, অসমৰজা হুঁহকি তেওঁৰ ৰাজধানী গড়গাওঁ পালেগৈ। গৰগাৱঁলৈ চামধৰাৰপৰা ৩ মাইল (?) মাত্ৰ। আমীৰে অসমীয়া মানুহবোৰ এনে উধা-মুধাকৈ খেদি নিলে যে ৰজাই গড়গাওঁ নগৰত গড়-খাৱৈ মাৰি আত্মৰক্ষা কৰিবলৈ থৰযুগুতিকে হেৰুৱালে। চামধৰাৰপৰা পাঁচ দিনৰ মূৰত আমীৰে গড়গাৱঁৰ ওচৰত দেখা দিলেগৈ। গড়গাওঁ এৰি

ৰজা লাছা পৰ্ব্বতলৈ (১) পলাই গল। চামধৰাৰ দৰেই আমীৰে গড়গাওঁ নগৰ লুটিপুতি অপৰ্য্যাপ্ত সম্পত্তি হস্তগত কৰিলে। গড়গাওঁখন দেখিবলৈ ডাঙৰ আৰু মনোৰম। তাৰ মাইকী মানুহবোৰ বৰ ধুনীয়া। নগৰখনো হাট-আৰঙৰ ঠাই যেন লাগিল—সদায় যেন বেহাবেপাৰ হৈয়েই থাকে।

এনেতে আগবাৰিষাই দেখা দিলে। চাপৰি আৰু বামত থকা গাওঁ-ভূইবোৰৰ বাহিৰে গোটেই দেশখন বানপানীয়ে বুৰাই পেলালে। আমীৰৰ বুদ্ধি হেৰাল। ৰজাৰ মানুহবোৰে পৰ্ব্বতৰপৰা নামি আহি, আমীৰে খাবলৈ থোৱা ধান চাউলৰ ভঁৰাল-বোৰ জুই লগাই—পুৰি পেলালেহি। কেনিও ওলাব-সোমাব নোৱাৰি তেওঁৰ সৈন্যবাহিনী পেপুৱা লাগিল। দুৰ্গম পৰ্ব্বতে আগভেটি থকা বাবে আগুৱাবো যাব নোৱাৰা হল—সকলোটি, লালী-নিছিগা বৰষুণৰ পানীতে তিতি-বুৰি নাজল-নাথল হৈ থাকিল। পিছুৱাবলৈও ধলপানীয়ে গোটেইখন জল-থল একে কৰি থৈছে—দ-বাম সকলো সমান—খাল-বামৰ চিন নাই, গোটেইখন দল-দলনিৰেই ভৰা।

(১) - চৰাইদেও পৰ্ব্বত।



তাৰ উপৰিও, চামধৰালৈকে ৰজাই ঠাইবোৰ খাৰৈময় কৰি থৈছে। গোটেই বাৰিষা কালটো এনেকৈ পানীৰ মাজতে জলকা লাগি থাকিব লগীয়া হোৱাত সৈন্যবোৰৰ মন ভাগি গল; লঘোনে-ভোকে থাকি থাকি সিহঁতৰ আঁত শুকাল। উপায়ান্তৰ নেদেখি পূৰ্ব্বে যি বাটেদি আহিছিল, সেই বাটেদিয়েই উলটি যাবলৈ আমীৰৰ মন হল।

পেটত আহাৰ নাই, গা ও জলন্ধৰীয়া, বোকাপানীৰে লুতুৰিপুতুৰি, পাছ ফালেও ৰজাৰ শিশুপাল খেদা—এনেবোৰ লটি-ঘটি-বাধাবিঘিনি পাৰ হবলৈ ধৈৰ্য্য নো কম লাগিছিল নে? বাটত খপুৱা বাই আহোঁতে একো খাপত পাঁচ-ছঘণ্টাকৈ বৈ-বৈ বৰ সাৱধানে আহিব লগীয়া হৈছিল। এনেকৈ সৰকি আহিব নোৱৰা হলে, বিমোৰত পৰি আমীৰৰ সৈন্য-সামন্ত মৰিহাজি খতম হ'লহেতেন। তথাপি, অপৰিমিত ধনসোণ লৈ সসম্মানে আমীৰ জুম্লা ঘূৰি'আহিব পাৰিলে।

ঘূৰি বছৰত আমীৰ জুম্লা আকৌ অসমৰ অভিমুখে যাব বুলি মনতে সঙ্কল্প কৰি থৈছিল। ভাবিছিল—হাজো অধিকাৰ কৰি তাত তেওঁৰ থানা

পাতিবহি। খৰালি হলেই, তাৰপৰাই অসমৰ বিৰুদ্ধে সৈন্য চলাব পাৰিব। কিন্তু, হাজো পাওঁ-পাওঁ হওঁতেই, তেওঁৰ চিপাহী-চন্তৰি সৈন্য-পদাতি আটাইবোৰ খৰেধৰি ধুইজা গ্ৰহণীত পৰিল। অইন কি, আমীৰৰ লৌহ শৰীৰো এই মহামাৰীৰ পৰা ৰক্ষা নপৰিল। তেওঁৰ দেহা লয় পোৱাৰ লগে লগেই আওৰংজেবৰো আচল বিভীষিকা লয় পালে। আচল বিভীষিকা বুলিছোঁ এই নিমিত্তেই যে এই মহৎ লোকজনক যি চিনি পাইছিল আৰু যি হিন্দুস্থানৰ প্ৰকৃত ৰাজনৈতিক পৰিস্থিতি বুজি পাইছিল, তেওঁৰেই নোকোৱাকৈ নেথাকিছিল বোলে, "আজি হে আওৰংজেব বঙলাৰ পাটশ্যাহ হ'ল।"

---

RARE BOOK
NOT TO BE ISSUED

Kumar Bhaskar Varma Sanskrit and Ancient Studies University
LIBRARY
Assam